**গুৱাহাটীত পুনৰ চিলনী চোৰৰ সন্ত্ৰাস**

ই-সংবাদ, ৩০ নৱেম্বৰঃ ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীত মানুহ ঘৰৰ পৰা ওলাই গ'লে সুৰক্ষিতভাৱে ৮ পৃষ্ঠাত চাওক



www.newsnextone.com

# ই-সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, DECEMBER 1, 2024 ■ দেওবাৰ, ১৫ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩২৮ Guwahati, Assam ।। মূল্যঃ এটকা


## মাত্ৰ ২০০ টকাৰ বাবে পাকিস্তানৰ হৈ চোৰাংচোৱাগিৰি!


■ সবিশেষ ৮ পৃষ্ঠাত

## বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে অভিযোগ দিবলৈ পৰ্টেল মুকলি চৰকাৰৰ

■ সবিশেষ ৪ পৃষ্ঠাত

# বড়ো জাতীয়তাবাদক দুৰ্বল কৰি বিটিআৰ দখলৰ যো-জা গেৰুৱা দলৰ

### অধ্যক্ষ পদ এৰি মন্ত্ৰী পদ লৈ দৈমাৰীৰ চীফ হোৱাৰ মন



ই-সংবাদ বিশেষ, ৩০ নৱেম্বৰঃ হিন্দুত্ববাদৰ ৰাজনীতিয়ে লাহে লাহে গ্ৰাস কৰি আহিছে বড়ো ৰাজনীতিক। শেষাংশ ৭ পৃষ্ঠাত

## দিল্লীত এইবাৰ কেজৰিৱালৰ গালৈ দলিয়ালে পানী



ই-সংবাদ, ৩০ নৱেম্বৰঃ দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ সৰ্বেসৰ্বা শেষাংশ ৪ পৃষ্ঠাত

### দেউলীয়া হ'ব শতাধিক দেশ ■ ধাৰত পোত যাব অসমসহ একাধিক ৰাজ্য

# ২০২৫ত বৃদ্ধি পাব অৰ্থনৈতিক সংকট

### ■ বিশ্বৰ শতাধিক ৰাষ্ট্ৰলৈ আহি আছে ভয়ংকৰ বিপদ ■ ভাৰতকো সকীয়াই দিলে একাধিক প্ৰখ্যাত অৰ্থনীতিবিদে

নিউয়ৰ্ক/পেৰিছ, ৩০ নৱেম্বৰঃ এক ভয়ংকৰ অৰ্থনৈতিক সংকটত জৰ্জৰ হৈ পৰিছে বিশ্বৰ শতাধিক ৰাষ্ট্ৰ! তীব্ৰ আৰ্থিক সংকটে ইতিমধ্যে হাহাকাৰ নমাই আনিছে শেষাংশ ৩ পৃষ্ঠাত

### ৰাষ্ট্ৰপতিৰ শাসন বিচাৰিলে মণিপুৰত মিজোৰামৰ মুখ্যমন্ত্ৰীৰে সংঘাত আৰম্ভ মণিপুৰৰ মুখ্যমন্ত্ৰী বীৰেণৰ

সবিশেষ ১৮ পৃষ্ঠাত




আছু নেতা হৈ পৰিল নাপিত, যোৰহাটত

## ৩ ডিচেম্বৰত নিৰ্বাচন আয়োগে পাতিব বৈঠক

### কংগ্ৰেছক আমন্ত্ৰণ

নতুন দিল্লী, ৩০ নৱেম্বৰঃ মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত ভোটদানৰ ৰেকৰ্ড আৰু ভোটাৰৰ ভোটৰ হাৰ সন্দৰ্ভত কংগ্ৰেছৰ শেষাংশ ৭ পৃষ্ঠাত

### ঘিলামৰাত চাঞ্চল্যকৰ ঘটনা

## মাছুৱৈৰ জালত উঠি আহিল ছিন্নমুণ্ড



ই-সংবাদ, ৩০ নৱেম্বৰঃ লখিমপুৰ জিলাৰ ঘিলামৰা আৰক্ষী থানাৰ অন্তৰ্গত শিঙৰীয়াত মাছমৰীয়াৰ জালত নৰমুণ্ড লাগি অহা ঘটনাই শেষাংশ ২ পৃষ্ঠাত

## ৫ ডিচেম্বৰত মহাৰাষ্ট্ৰত শপত

মুম্বাই, ৩০ নৱেম্বৰঃ অহা ৫ ডিচেম্বৰত অনুষ্ঠিত হ'ব মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণ অনুষ্ঠান। শেষাংশ ৪ পৃষ্ঠাত

## তিস্তাত বাছ বাগৰি নিহত পাঁচ

কলকাতা, ৩০ নৱেম্বৰঃ নিয়ন্ত্ৰণ হেৰুৱাই তীস্তাৰ বুকুত বাগৰি পৰিল এখন শেষাংশ ৫ পৃষ্ঠাত

## হিন্দুত্ববাদৰ ৰাজনীতি এৰি এতিয়া মিঞাৰ ৰাজনীতিত ব্যস্ত হিমন্ত বিশ্ব! দাবী ৰকিবুলৰ



ই-সংবাদ, ৩০ নৱেম্বৰঃ বিজেপিৰ হিন্দুত্বৰ ৰাজনীতিৰ পৰা ফালৰি কাটি মিঞাৰ ৰাজনীতি কৰাত নামি পৰিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। এই শেষাংশ ৪ পৃষ্ঠাত

## আকৌ উজনিৰ ইটাভাটাত শ্ৰমিকক নিৰ্যাতনৰ ঘটনা

### হত্যাৰ বলি মহিলা শ্ৰমিক

ই-সংবাদ, ধুবুৰী, ৩০ নৱেম্বৰঃ উজনি অসমৰ শিৱসাগৰ জিলাৰ গেলেকীৰ এটা ইটাভাটাত শ্ৰমৰ মূল্য বিচাৰি মহিলা শ্ৰমিক হত্যাৰ বলি হোৱা ঘটনাই ৰাজ্যজুৰি শেষাংশ ৩ পৃষ্ঠাত

### পথৰ আন্দোলন এৰি পথাৰত আশাৰ সপোন

## হালধীয়াৰে ভৰি পৰিছে দিচাংমুখৰ বৰলুইতৰ চাপৰি

দিচাংমুখৰ ব্ৰহ্মপুত্ৰ চাপৰিৰ পৰা প্ৰদীপ গগৈ, ৩০ নৱেম্বৰঃ শিৱসাগৰৰ ঐতিহাসিক দিচাংমুখৰ বৰলুইতৰ শেষাংশ ২ পৃষ্ঠাত



### প্ৰসংগ ৬নং দফা কাৰ্যকৰী

## ৩০ সংগঠনৰে আছুৱে কৰিলে জৰুৰী বৈঠক

ই-সংবাদ, ৩০ নৱেম্বৰঃ সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ সংগঠনৰ প্ৰতিনিধিৰ উপস্থিতিত গুৱাহাটীত শেষাংশ ৮ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হালধীয়াৰে ভৰি পৰিছে দিচাংমুখৰ

চাপৰিৰ পৰিত্যক্ত শ শ বিঘা ভূমিত সংগ্ৰাম কৰিছে শিৱসাগৰৰ এদল উদ্যমী ব্যক্তিয়ে। পৰিত্যক্ত ২০০ বিঘাৰো অধিক ভূমি সোণ হালধীয়া কৰিবলৈ সংগ্ৰাম কৰিছে এঘাৰ জনীয়া দলটোয়ে। তেওঁলোকৰ কঠোৰ পৰিশ্ৰমৰ ফলত প্ৰায় ১০০ বিঘা ভূমি হৈ পৰিছে হালধীয়া। ছন পৰি থকা ভূমিক হালধীয়া এখন বিশালকায় দলিচালৈ পৰিণত কৰিবলৈ সক্ষম হোৱা এই দলটোৰ আছে এটা অতীত। সৌ সিদিনালৈকে তেওঁলোকৰ কোনো কোনোৱে জয় আই অসম ধ্বনিৰে হাতত প্লে-কাৰ্ড লৈ উত্তাল কৰিছিল ৰাজপথ। অসমীয়াৰ আত্ম-সন্মান, স্বাভিমান, অস্তিত্ব জীয়াই ৰখাৰ লক্ষ্যৰে ৰাজপথত সংগ্ৰাম কৰা এই ব্যক্তিসকলে এতিয়া হাতত তুলি লৈছে কোৰ, চলাইছে ট্ৰেক্টৰ, পাৱাৰটিলাৰ। লক্ষ্য একেই। পিছে পদ্ধতি কিছু সুকীয়া। বৰ্তমান ট্ৰেক্টৰ, কোৰ লৈ পৰিত্যক্ত ভূমি সেউজ আৰু হালধীয়া কৰা লক্ষ্যৰে লুইতৰ চাপৰিত সংগ্ৰাম কৰা এই দলটোত আছে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন শিক্ষা সম্পাদক তথা অসম উন্নতি সভাৰ বৰ্তমানৰ সাধাৰণ সম্পাদক শৰৎ হাজৰিকা, প্ৰাক্তন আছু কৰ্মী জ্যোতি প্ৰসাদ কলিতা, সুৰজিৎ বৰুৱা, বৰ্তমানৰ আছু কৰ্মী অৰূপ ৰাজখোৱা, সাংস্কৃতিক কৰ্মী যদুমণি বৰা, সমাজ কৰ্মী ময়ূৰ বৰা, জাকিৰ হুছেইন, সমাজকৰ্মী-অধ্যাপক ড° উৎপল দত্ত। বৰ্তমান স্বেচ্ছাসেৱী অনুষ্ঠান 'শিৱসাগৰ সন্মিলিত সেৱা'ৰ সৈতেও জড়িত এই দলটোৱেই ব্যস্ত হৈ পৰিছে চাপৰিৰ এশ বিঘাৰো অধিক ভূমিত সৰিয়হ খেতি, কেইবা বিঘা ভূমিত লাই-পালেং, মূলা আদি পাচলি খেতি কৰাত। দলটোৱে মূৰৰ ঘাম মাটিত পেলাই কৰা কষ্টৰ পৰিণতিত এশ বিঘা ভূমিত ফুলিছে এতিয়া সৰিয়হ ফুল। আৰু দুই এদিনতে বাঢ়িব এই পৰিসৰ। বনৰীয়া হাতীৰ উপদ্ৰৱ, পৰ্যাপ্ত পানী যোগান নথকা, অত্যাধিক অপতৃণৰ প্ৰয়োভৰ আদি অনেক সমস্যা তথা প্ৰতিকূলতা নেওচি কৃষিকৰ্মত ব্যস্ত হৈ পৰিছে দলটো। কৃষিকৰ্মক লৈ শৰৎ হাজৰিকাই কয়, "আমাৰ অন্যতম উদ্দেশ্য হৈছে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ পথ প্ৰশস্ত কৰা। নিজৰ লগতে আন উদ্যমী যুৱক-যুৱতীসকলক স্বাৱলম্বী হ'ব পৰাকৈ সংগঠিত কৰা। সন্মিলিত সেৱা সদস্যসকলৰ সৈতে আলোচনা কৰিয়েই আমি ব্ৰহ্মপুত্ৰৰ চাপৰিত কৃষিকৰ্মত মনোনিৱেশ কৰিছো। যথেষ্ট প্ৰত্যাহ্বান আছে। সেইবিলাক মোকাবিলা কৰি আমি আগবাঢ়িছোঁ।" তেওঁ লগতে দিচাং আৰু ব্ৰহ্মপুত্ৰৰ চাপৰিত হেজাৰ হেজাৰ বিঘা ভূমি এনেয়ে পৰি আছে বুলি উল্লেখ কৰি সেই ভূমিকো উৎপাদনমুখী কামত ব্যৱহাৰ কৰিবলৈ যুৱক-যুৱতীসকলক সংগঠিতভাৱে আগবাঢ়ি অহাৰো আহ্বান জনায়। পৰিত্যক্ত ভূমিত কৃষিকৰ্মত নিয়োজিত হৈ অতিশয় আনন্দিত আৰু উৎসাহিত হোৱা বুলি অনুভৱ ব্যক্ত কৰিছে জ্যোতিপ্ৰসাদ কলিতাই। এই কৃষিকৰ্মই আন দহজনকো অনুপ্ৰাণিত কৰিলে অত্যন্ত সুখী হ'ব বুলিও ব্যক্ত কৰিছে এঘাৰ জনীয়া দলটোৱে। লক্ষ্যণীয় যে এই দলটোৱে বয়ন শিল্পটো বহু শিপিনীক জড়িত কৰাই দেখুৱাইছে স্বাৱলম্বিতাৰ বাট। 'পথাৰো আমাৰ, বজাৰো আমাৰ' এই শ্লোগানক বাস্তৱ ৰূপ দিছে তেওঁলোকে। বিভিন্ন সামাজিক কাম-কাজৰ সৈতে জড়িত থাকিও সময় উলিয়াই দলটোৱে কৃষিকৰ্মত ব্ৰতী হৈ আৰু বহুজনক কৃষিৰ প্ৰতি অনুপ্ৰাণিত কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাছুৱৈৰ জালত উঠি আহিল ছিন্নমুণ্ড

তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। পথৰ সৈতে লাগি থকা এটা বিলত একাংশ লোকে জালেৰে মাছ ধৰি থকাৰ সময়তে জালত লাগি অহা বস্তাত চিন্ন মুণ্ড উদ্ধাৰ হোৱাত সমগ্ৰ জিলাখনত চাঞ্চল্যৰ সৃষ্টি হৈছে। গাঁওখনৰ বুলবুল শইকীয়া, ৰোহিনী শইকীয়াই জাল মাৰি থকাৰ সময়তে জাল লাগি ধৰাত ডাঙৰ মাছ বুলি ভাবি এবুকু পানীলৈ নামি যায়। পানীলৈ নামি গৈ হাতেৰে খেপিয়াই চাওতে বান্ধি থোৱা বস্তা এটা থকা যেন অনুভৱ কৰে। লগে লগে বস্তাটো পাৰলৈ উঠাই আনে। বস্তাটো এডাল এলুমিনিয়ামৰ তাঁৰেৰে বান্ধি থোৱা প্ৰত্যক্ষ কৰে। বস্তাৰ গাঁঠি খুলি দেখে যে এটা উৰলি যোৱা মানুহৰ মুণ্ড। চিন্ন মুণ্ডটোৰ লগতে এটা তাবিজ, তেলৰ বটল, টুথ ব্ৰাছ এডালো উদ্ধাৰ হয় বস্তাটোত। লগে লগে ঘিলমৰা আৰক্ষীক খবৰ দিয়া হয়। স্থানীয় আৰক্ষীৰ দল উপস্থিত হোৱাৰ পাছতে ঢকুৱাখনা উপ-জিলাৰ জিলা আয়ুক্ত কাৰ্তিক কলিতা, কাৰ্যবাহী দণ্ডাধীশ সুদৰ্শন শইকীয়া, ঢকুৱাখনা মহকুমা আৰক্ষী বিষয়া লিন্টু বৰা উপস্থিত হৈ মুণ্ডটো উদ্ধাৰ কৰি হাস্পতাললৈ প্ৰেৰণ কৰে। উৰলি যোৱা চিন্ন মুণ্ডটো সন্ধানহীন হৈ থকা ৰাজমিস্ত্ৰী জাহাংগীৰ হুছেইনৰ বুলি সন্দেহ কৰা হৈছে। জাহাংগীৰৰ মুণ্ড বিচাৰি প্ৰায় ছমাহ ধৰি আৰক্ষীয়ে তদন্ত, তালাচী অব্যাহত ৰাখিছে। এটা পুখুৰীও সিঁচি পেলাইছিল আৰক্ষীয়ে। কিন্তু মিস্ত্ৰী জাহাংগীৰৰ মুণ্ড উদ্ধাৰ কৰিব নোৱাৰিলে যদিও আজি উৰলি যোৱা মুণ্ডটো মাছমৰীয়াৰ জালত লাগি অহাত আৰক্ষীয়ে ঘটনাৰ পুনৰ তদন্ত কৰিবলৈ আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। ফৰেনচিক বিশেষজ্ঞৰ দলে চিন্ন মুণ্ড চিনাক্ত কৰিবলৈ ব্যৱস্থা কৰিব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, ঢকুৱাখনা সাপতিয়া চেতিয়াগাঁৱত ৬ মাহ পূৰ্বে ১ জুনৰ নিশা নৃশংস হত্যাকাণ্ড সংঘটিত হৈছিল। যি হত্যাকাণ্ডই ৰাজ্য কঁপাই গৈছিল। চিআইডিৰ তদন্তৰ আওতাত আছে উক্ত হত্যাকাণ্ডৰ গোচৰ। ঘটনাৰ ৰহস্য ভেদ হওতে লাগিছিল বহু সময়। এই ঘটনাত হত্যাৰ বলি কোন হৈছিল সেই কথা আৰক্ষীয়ে স্পষ্ট কৰিব পৰা নাছিল। চলিত বৰ্ষৰ ১ জুনত সাপতীয়াৰ সুনীল গগৈৰ ঘৰত ৮০ শতাংশ জ্বলি ছাই হোৱা এটা মুণ্ডহীন মৃতদেহ উদ্ধাৰ হৈছিল। মুণ্ডহীন শৰীৰ উদ্ধাৰৰ পিছৰে পৰা দুজন লোক নিৰুদ্দেশ হয়। এজন হৈছে ঘৰখনৰ মুৰব্বী, বিজেপি নেতা তথা ঠিকাদাৰ সুনীল গগৈ আৰু ৰাজমিস্ত্ৰী জাহাংগীৰ হুছেইন। জল জীৱন মিছনৰ মিস্ত্ৰী হিচাপে কৰ্মৰত নামনি অসমৰ জাহাংগীৰ হুছেইনে এবছৰে সুনীলৰ ঘৰত বাহৰ পাতি আছিল। প্ৰথমে সুনীল গগৈক হত্যা কৰাৰ সন্দেহ কৰা হয়। কিন্তু অগ্নিদগ্ধ মৃতদেহৰ কাষত সুনীল গগৈৰ কাপোৰ আৰু জাহাংগীৰৰ পেণ্টো উদ্ধাৰ হৈছিল। জাহাংগীৰ আৰু সুনীল দুয়োজনে নিৰুদ্দেশ হৈ থাকে। আৰক্ষীয়ে ঘটনাৰ তদন্ত কৰিবলৈ আৰম্ভ কৰে। সুনীল গগৈ হত্যা হোৱা বুলি আৰক্ষীয়ে তদন্ত আগবঢ়াই নিয়ে। হত্যাকাৰীৰ সন্ধান দিওতালৈ আৰক্ষীয়ে পুৰস্কাৰ ঘোষণা কৰি জাননী জাৰি কৰে। কিন্তু সময় যোৱাৰ লগে লগে ধুঁৱলী-কুঁৱলী পৰিৱেশত ঘটনাই নতুন মোৰ লয়। হত্যাকাৰী কোন? হত্যাৰ বলি হ'ল কোন? সেই কথা লৈ জটিলতা আৰম্ভ হয়। সেই সময়তে ৰাজ্যত ব্যাপক চৰ্চিত হত্যাকাণ্ডক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মুখ খোলে। মুখ্যমন্ত্ৰীয়ে ফৰেনছিক পৰীক্ষাৰ প্ৰসংগ উল্লেখ কৰি মৃতদেহটো জাহাংগীৰৰ বুলি সন্দেহ প্ৰকাশ কৰে। শৰীৰৰ ডিএনএ পৰীক্ষাও কৰা হয়। ডিএনএ পৰীক্ষাৰ ফলাফলত হত্যাকাণ্ডৰ ৰহস্য ফাদিল হয়। সেই মৃতদেহটো জাহাংগীৰৰ আছিল। সুনীল গগৈৰ পত্নীয়ে স্বামীৰ মৃত্যু হোৱা বুলি দাবী কৰি আহিছে। স্বামীৰ ফটোত ফুলৰ মালা পৰ্যন্ত লগাই বন্তি জ্বলাই ৰাখিছে। কিন্তু আৰক্ষীয়ে বাৰে বাৰে দাবী কৰিছে যে সুনীল গগৈ জীৱিত আছে। পৰিয়ালৰ সৈতেও যোগাযোগ কৰি গৈছে। এই হত্যাকাণ্ডৰ অন্তৰালত জীৱন বীমাৰ কথাও জড়িত আছে। সুনীলৰ মৃত্যুৰ পিছত জীৱন বীমাৰ ধন পৰিয়ালক উলিওৱাৰ সুবিধা দিবৰ বাবে এই নাটক ৰচনা কৰা বুলি অভিযোগ উঠিছিল। সুনীলৰ পৰিয়ালে নাটক ৰচনা কৰি ৰাজমিস্ত্ৰী জাহাংগীৰক হত্যা কৰা বুলিও চৰ্চা চলিছে। সুনীল গগৈক পলাতক ঘোষণা কৰি আৰক্ষীয়ে অদ্যাপি সন্ধান অব্যাহত ৰাখিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ উজনিৰ ইটাভাটাত শ্ৰমিকক

তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। কেৱল এয়াই নহয়, মহিলা শ্ৰমিকগৰাকীৰ স্বামীকো লাঠিৰে কোবাই বেয়াকৈ আহত কৰে ইটাভাটাৰ মালিকে। ঘটনাৰ বিৱৰণী অনুসৰি, দক্ষিণ শালমাৰা আৰক্ষী জিলাৰ ফকিৰগঞ্জ থানাৰ অন্তৰ্গত মাজেৰ আলগা অঞ্চলৰ ৩০-৪০ জনীয়া শ্ৰমিকৰ দল এটাক উক্ত ইটাভাটাৰ মালিক তথা দুই ঠিকাদাৰ আশেক আলী আৰু আহছান আলীয়ে বেছি মজুৰি দিয়াৰ প্ৰতিশ্ৰুতিয়ে কামত লগাইছিল। ইটাভাটাৰ মালিকৰ কথাত ভোল গৈ কামত যোগদান কৰিছিল শ্ৰমিকসকলে। কামত যোগ দিয়াৰ পিছত ইটাভাটাৰ মালিকে শ্ৰমৰ বেছি মূল্য দিয়া দূৰৈৰ কথা, শ্ৰমিকসকলক প্ৰয়োজনীয় ৰেচনো নিদিয়াৰ অভিযোগ উত্থাপিত হৈছে। শ্ৰমিকসকলে নলাৰ লেতেৰা পানী খোৱাৰ লগতে দৈনন্দিন কাম-কাজৰ বাবে লেতেৰা পানী ব্যৱহাৰ কৰিব লগা হয়। ইপিনে শ্ৰম আইন ভংগ কৰি দৈনিক ১২-১৩ ঘণ্টাকৈ ভয়-ভাবুকিৰে কাম কৰাবলৈ বাধ্য কৰোৱা হয় শ্ৰমিকসকলক। যোৱা ১৭ নৱেম্বৰত পুৰা ৮.৩০ বজাত প্ৰাপ্য ধন বিচাৰি যোৱা শ্ৰমিক ছাহজামাল হকক দুই ঠিকাদাৰ আহছান আলী আৰু আশেক আলীৰ পৰিয়ালৰ লোকে মাৰপিট কৰাৰ অভিযোগ উত্থাপিত হৈছে। সেই সময়ত স্বামীৰ প্ৰাণ বচাবলৈ অহা মহিলা শ্ৰমিক ৰাশিদা খাতুনকো লাঠিৰে কোবাই হত্যা কৰাৰ অভিযোগ উঠিছে। ঘটনা সন্দৰ্ভত স্থানীয় গেলেকী আৰক্ষীয়ে মাত্ৰ এজন আচামীক গ্ৰেপ্তাৰ কৰি ৰহস্যজনকভাৱে হত্যাত জড়িত আন লোকৰ বিৰুদ্ধে নিৰৱতা অৱলম্বন কৰাৰ অভিযোগ উঠিছে। হত্যাকাণ্ডৰ ন্যায়িক তদন্তৰে অপৰাধীৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱাৰ লগতে ইটাভাটাত নিৰ্যাতনৰ বলি হোৱা আন শ্ৰমিককো উদ্ধাৰৰ দাবীত অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে ভুক্তভোগীৰ পৰিয়ালৰ লোকে। ইপিনে শ্ৰম আইন ভংগ কৰি নিৰ্যাতন চলোৱা ইটাভাটাৰ মালিকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা ল'বলৈ ৰাজ্যিক শ্ৰম আয়ুক্তৰ ওচৰতো আবেদন জনাইছে ভুক্তভোগী পৰিয়ালৰ লোকে। ঘটনা সন্দৰ্ভত বিভাগীয় কৰ্তৃপক্ষই কেনে পদক্ষেপ গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০২৫ত বৃদ্ধি পাব অৰ্থনৈতিক সংকট

কেইবাখনো ৰাষ্ট্ৰলৈ। ক'ৰবাত যদি খাদ্য সামগ্ৰীৰ আকাশলংঘী মূল্য, আন ক'ৰবাত আকৌ পেট্ৰ'ল-ডিজেলৰ দামে হুমুনিয়াহ কাঢ়িবলৈ বাধ্য কৰাইছে সাধাৰণ নাগৰিকক। এফালে উদং ৰাজভঁৰাল, আনফালে খাদ্য সংকট আৰু শক্তি সংকটে ভয়াবহ ৰূপত তুলি দিছিল বাস্তৱ জগতৰ অৰ্থনৈতিক পৰিস্থিতি। ৰাষ্ট্ৰসংঘৰ উন্নয়ন কাৰ্যসূচীৰ মুৰব্বী আচিম ষ্টেইনাৰে উদ্বেগ প্ৰকাশ কৰা অনুসৰি, যিকোনো মুহূৰ্ততে উদং হ'ব পাৰে বিশ্বৰ কমেও ৫০খন দেশৰ ৰাজভঁৰাল। বিশ্ব বেংকৰ তথ্য অনুসৰি এই তালিকাত ১০৪খন দেশ অন্তৰ্ভুক্ত কৰা হৈছে। এই তালিকাত অন্তৰ্ভুক্ত অধিকাংশ দেশেই ইতিমধ্যে আৰ্থিক সংকটত পৰিছে যদিও আশ্চৰ্যজনকভাৱে কিছুমান উন্নত দেশেও এই তালিকাত স্থান লাভ কৰিছে। ২০২২ চনত যেতিয়া শ্ৰীলংকাই নিজকে দেউলীয়া ঘোষণা কৰিছিল, তাৰ কিছু সময়ৰ পিছতে আৰ্থিক সংকটৰ কথা স্বীকাৰ কৰিছিল নেপালেও। ইয়াৰ পিছত এখন এখনকৈ পেৰু, টিউনিছিয়া, চুডান, লেবানন, ঘানা, কেনিয়া, আৰ্জেণ্টিনা, ইজিপ্ত আৰু তুৰস্কৰ নাম এই তালিকাত অন্তৰ্ভুক্ত কৰা হৈছিল। বিশ্ব বেংকৰ পৰিসংখ্যা অনুসৰি পাকিস্তান আৰু বাংলাদেশৰ অৰ্থনৈতিক অৱস্থাও বৰ ভাল নহয়; পৰিস্থিতি আৰু অধিক বেয়া হ'ব পাৰে। কিন্তু প্ৰশ্ন উত্থাপন হয়, কেনেকৈ আৰু কেতিয়া এখন ৰাষ্ট্ৰ দেউলীয়া ঘোষণা কৰা হয়? বিত্তীয় বিশ্লেষকসকলৰ মতে, এই ঘোষণাৰ মূল কাৰণ দুটা পৰিস্থিতিঃ প্ৰথমতে, যেতিয়া এখন দেশৰ বৈদেশিক মুদ্ৰাৰ মজুত শেষ হৈ যায়, আৰু দ্বিতীয়তে, যেতিয়া ৰাষ্ট্ৰৰ ৰাজভঁৰালৰ ধন শেষ হয়। দেউলীয়া হোৱাৰ পিছত খাদ্য আৰু ইন্ধনৰ নাটনি প্ৰথমে দেখা দিয়ে। মুদ্ৰাৰ ব্যাপক মুদ্ৰাস্ফীতি ঘটিবলৈ আৰম্ভ কৰে আৰু খাদ্য, ইন্ধন আৰু গেছলিনৰ দাম আকাশলংঘী হয়। এনে পৰিস্থিতিত এমুঠি আহাৰৰ বাবে ৰাজপথলৈ আহি লুটপাতৰ পৰিস্থিতিৰ সৃষ্টি কৰিবলৈ বাধ্য হৈ পৰে দেশৰ সাধাৰণ জনতাই। এনে ঘটনাৰ শেহতীয়া উদাহৰণ শ্ৰীলংকা, পেৰু, আৰ্জেণ্টিনা আদি দেশ, য'ত সাধাৰণ জনতাৰ ক্ষোভ আৰু অসন্তুষ্টিয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বিশ্লেষকসকলৰ মতে, এখন দেশলৈ নামি অহা এনে পৰিস্থিতিৰ আঁৰত কেইবাটাও কাৰণ আছে। প্ৰথমতে, যোৱা কেইবছৰমানৰ পৰা বিশ্বৰ খাদ্য সংকট বৃদ্ধি পাইছে। কৃষিক্ষেত্ৰত ভয়াৱহ প্ৰভাৱ পেলোৱা জলবায়ু পৰিৱৰ্তনৰ ফলত বিশ্বৰ বিভিন্ন অঞ্চলত শস্যৰ উৎপাদন হ্ৰাস পাইছে। ফলত ইউৰোপ, এছিয়া, আফ্ৰিকা আৰু দক্ষিণ আমেৰিকাৰ বজাৰত খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধি পাইছে। আৰু এই খাদ্য সংকটে এটা এটাকৈ বিশ্ব অৰ্থনৈতিক সংকটৰ জন্ম দিছে। ইউক্ৰেইন-ৰাছিয়া যুদ্ধইও শেহতীয়া অৰ্থনৈতিক সংকটৰ আন এক কাৰণ।যিহেতু এই দুখন দেশ বিশ্বৰ অন্যতম বৃহৎ ঘেঁহু ৰপ্তানিকাৰক দেশ, যুদ্ধ পৰিস্থিতিত দেশ দুখনে নিজৰ নিজৰ ৰপ্তানি বন্ধ কৰি দিয়াত বহু দেশত খাদ্যৰ নাটনি হৈছে। লক্ষণীয় যে, আফ্ৰিকা, পশ্চিম এছিয়া আৰু মধ্যপ্ৰাচ্যৰ বহু দেশেই ঘেঁহুৰ বাবে ৰাছিয়া আৰু ইউক্ৰেইনৰ ওপৰত নিৰ্ভৰশীল। শেহতীয়া যুদ্ধ পৰিস্থিতিৰ পিছত এনে দেশসমূহত যথেষ্ট বৃদ্ধি পাইছে খাদ্যৰ দাম। খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধিৰ পিছতে আহে ইন্ধনৰ দাম বৃদ্ধি। ইউক্ৰেইন যুদ্ধৰ পিছত ৰাছিয়াৰ ওপৰত পশ্চিমীয়া নিষেধাজ্ঞাৰ ফলত ৰাছিয়াই পশ্চিম ইউৰোপলৈ তেল আৰু গেছ যোগান ধৰিব নোৱাৰা হৈ পৰে, যাৰ ফলত সমগ্ৰ বিশ্বতে পেট্ৰ'ল আৰু গেছৰ মূল্য আকাশলংঘী হৈ পৰে। ২০২৩ চনত ইজৰাইল-হামাছৰ যুদ্ধই পশ্চিম এছিয়াৰ শক্তিৰ পৰিস্থিতি আৰু অধিক জটিল কৰি তুলিছে। বিশেষজ্ঞসকলৰ মতে, যদি এই যুদ্ধ বেছি দিনলৈ অব্যাহত থাকে, তেন্তে সমগ্ৰ বিশ্বলৈ অধিক ভয়াবহ পৰিস্থিতি নামিব। আনহাতে, ২০২০ চনত কৰ'না মহামাৰীৰ পিছত বিশ্বৰ অৰ্থনৈতিক পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিছে। ফলত দেশসমূহৰ আৰ্থিক ব্যৱস্থাৰ পতন ঘটে আৰু চৰকাৰৰ মুদ্ৰাৰ মজুত হ্ৰাস পাবলৈ আৰম্ভ কৰে। এনে পৰিস্থিতত এতিয়া ১৩৫ খন দেশৰ ওপৰত বৃদ্ধি পাইছে অস্বাভাৱিক ঋণৰ বোজা। ইয়াৰে ৩৯খন দেশৰ এনে অৱস্থা হৈছে যে তেওঁলোকে আৰু ঋণ পৰিশোধ কৰিব নোৱাৰিব। এই ভয়াৱহ পৰিস্থিতি বিশেষকৈ আফ্ৰিকাৰ দেশসমূহত অধিক প্ৰতিফলিত হৈছে। অৰ্থনীতিবিদসকলে আঙুলিয়াই দিয়া আন এটা কাৰক হৈছে মুদ্ৰাস্ফীতি। আৰ্জেণ্টিনাৰ মুদ্ৰাস্ফীতি ৬২ শতাংশ, আৰু তুৰস্কৰ ৭০ শতাংশ! এখন দেশক সম্পূৰ্ণ বিপদত পেলাবলৈ এইটোৱেই যথেষ্ট। যেতিয়া মুদ্ৰাস্ফীতিৰ হাৰ ৭ শতাংশ বা তাতকৈ অধিক হয় তেতিয়া দেশৰ অৰ্থনীতি সংকটত পৰে। লক্ষণীয় যে, বিশ্ব বেংক আৰু ৰাষ্ট্ৰসংঘৰ সমীক্ষা অনুসৰি ভাৰতৰ স্থিতি বৰ্তমান সুৰক্ষিত যদিও মহাৰাষ্ট্ৰ আৰু গুজৰাটৰ বাহিৰে দেশৰ প্ৰায়বোৰ ৰাজ্যৰ ঋণৰ মাত্ৰা দ্ৰুতগতিত বৃদ্ধি পাইছে। ঋণৰ বোজা বৃদ্ধি পোৱা ৰাজ্যসমূহৰ মাজত আছে অসমো। অসম চৰকাৰে আনকি কৰ্মচাৰীক দৰমহা দিবলৈকো প্ৰতিমাহে ঋণ লবলগীয়া হৈ আহিছে। এনে পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰসংঘৰ সকিয়নীয়ে সকলোকে একপ্ৰকাৰ উদ্বিগ্ন কৰি তোলা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, ঋণৰ এই অস্বাভাৱিক বৃদ্ধিয়ে হয়তো ভাৰতক অধিক বিপদত পেলাব পাৰে। বিশেষজ্ঞসকলৰ মতে এই পৰিস্থিতিৰ সৈতে মোকাবিলা নকৰিলে ভাৰতৰ আৰ্থিক ভৱিষ্যতো অনাগত দিনত অন্ধকাৰাচ্ছন্ন হৈ পৰিব পাৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীত এইবাৰ কেজৰিৱালৰ গালৈ

অৰবিন্দ কেজৰিৱালৰ ওপৰত পুনৰ সংঘটিত হ'ল লিকুইড আক্ৰমণৰ ঘটনা। শনিবাৰে গ্ৰেটাৰ কৈলাশত আম আদমি পাৰ্টিৰ পদযাত্ৰাৰ সময়তে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ ওপৰত তৰল পদাৰ্থ ছটিয়ায় এজন লোকে। এই ঘটনাৰ পিছতে সেই স্থানত আতংকৰ পৰিবেশৰ সৃষ্টি হয় আৰু উপস্থিত ৰাইজে আক্ৰমণকাৰীক ধৰি উত্তম-মধ্যম শোধায়। পিছত নিৰাপত্তাৰক্ষীয়ে অভিযুক্তক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ সূত্ৰৰ পৰা জানিব পৰা মতে, কেজৰিৱালে সমৰ্থকসকলৰ সৈতে মালবিজ নগৰ অঞ্চলত সমদল কৰি থকাৰ সময়তে এই ঘটনা সংঘটিত হয়। আৰক্ষীৰ মতে, অভিযুক্তৰ পৰিচয় অশোক ঝা বুলি চিনাক্ত কৰা হৈছে। অভিযুক্তজনে গিলাচেৰে কেজৰিৱালৰ ওপৰত পেলাব খোজা লিকুইডখিনি কেৱল পানী আছিল বুলি নিশ্চিত কৰিছে আৰক্ষীয়ে। এই আক্ৰমণৰ পিছত আম আদমি পাৰ্টিয়ে বিজেপিক সমালোচনা কৰি এনে কাণ্ড বিজেপিৰ নিৰ্দেশত কৰা হৈছিল বুলি অভিযোগ উত্থাপন কৰে। লগতে কয় যে এতিয়া ৰাজধানী চহৰ দিল্লীত প্ৰাক্তন মুখ্যমন্ত্ৰীও সুৰক্ষিত নহয় আৰু বিজেপি শাসনত আইন-শৃংখলা সম্পূৰ্ণৰূপে নষ্ট হৈ গৈছে। আম আদমি পাৰ্টিৰ সাংসদ ৰাঘৱ চাদ্দাই এক্সযোগে এই আক্ৰমণক গৰিহণা দি কয়, "কালি অৰবিন্দ কেজৰিৱালে দিল্লীৰ অৱনতি ঘটা আইন-শৃংখলাৰ পৰিস্থিতিৰ বিষয়ে মাত মাতিছিল আৰু আজি তেওঁ কাপুৰুষৰ আক্ৰমণৰ সন্মুখীন হ'ল। এয়া অতি নিন্দনীয়। গণতান্ত্ৰিক ৰাজনীতিত হিংসাৰ কোনো স্থান নাই। অৰবিন্দ কেজৰিৱালৰ লগত কোটি কোটি জনতাৰ আশীৰ্বাদ আছে।" আনহাতে দিল্লী চৰকাৰৰ মন্ত্ৰী সৌৰভ ভাৰতবাসীয়ে কয়, "বিজেপি নেতাই প্ৰতিখন ৰাজ্যতে ৰেলী কৰে, পদযাত্ৰা কৰে, তেওঁলোকক কেতিয়াও আক্ৰমণ কৰা নহয়। কিন্তু অৰবিন্দ কেজৰিৱালক বাৰে বাৰে আক্ৰমণ কৰা হয়।" তেওঁ লগতে কয় যে দিল্লীৰ আইন-শৃংখলা সম্পূৰ্ণৰূপে ধ্বংস হৈছে। ইফালে দিল্লী বিজেপিৰ মুখপাত্ৰ প্ৰবীণ শংকৰ কাপুৰে কয়, "কেজৰিৱালে দিল্লী বিধানসভা নিৰ্বাচনৰ কথা মনত ৰাখি নিজৰ 'পুৰণি কৌশল' ব্যৱহাৰ কৰিছে।" তেওঁ কয়, "আমি আৰক্ষীক অনুৰোধ জনাইছো যে অভিযুক্তক জেৰা কৰি সত্য উদঙাই দিয়ক। ৰাজনৈতিক প্ৰচাৰত বিজেপিয়ে কেতিয়াও হিংসাৰ আশ্ৰয় লোৱা নাই।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫ ডিচেম্বৰত মহাৰাষ্ট্ৰত শপত

শনিবাৰে এই কথা ঘোষণা কৰিছে বিজেপিৰ মহাৰাষ্ট্ৰ শাখাৰ সভাপতি চন্দ্ৰশেখৰ বাওনকুলেয়ে। বিজেপি নেতাগৰাকীয়ে প্ৰকাশ কৰা মতে, ৫ ডিচেম্বৰৰ সন্ধিয়া ৫ বজাত মুম্বাইৰ আজাদ ময়দানত ৰাজ্যখনৰ নব নিৰ্বাচিত মহাযুটি চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত উপস্থিত থাকিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও। উল্লেখ্য যে, ২৩ নৱেম্বৰত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পিছৰে পৰা নতুন চৰকাৰ গঠনক লৈ জল্পনা-কল্পনাৰ সৃষ্টি হৈছিল যদিও এতিয়া বিজেপিৰ ঘোষণাৰ পিছতে সেই চৰ্চাত যতি পৰিছে। শেহতীয়াকৈ মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনত বিজেপিয়ে ১৩২খন, শিৱসেনাৰ সিন্ধে ফৈদে ৫৭খন আৰু এনচিপিৰ অজিত পাৱাৰ ফৈদে ৪১খন আসন লাভ কৰে। এই নিৰ্বাচনত শোচনীয় পৰাজয়ৰ সন্মুখীন হয় কংগ্ৰেছ, উদ্ধৱ থাকৰে আৰু শাৰদ পাৱাৰৰ মহাবিকাশ আঘাড়ী। নিৰ্বাচনৰ ফলাফলত কংগ্ৰেছে ১৬খন আসন, উদ্ধৱ থাকৰেৰ দলে ২০খন আৰু শৰদ পাৱাৰৰ দলে ১০খন আসন লাভ কৰে। কিন্তু চৰকাৰ গঠনত পলম হোৱাৰ বাবে বিৰোধী দলসমূহে প্ৰশ্ন উত্থাপন কৰিবলৈ আৰম্ভ কৰিছে। উদ্ধৱ থাকৰেৰ দলৰ সঞ্জয় ৰাউতে কয়, 'নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ ৮ দিন হ'ল, কিন্তু মহাৰাষ্ট্ৰত এতিয়াও কোনো মুখ্যমন্ত্ৰী নাই। বৰ্তমানৰ মুখ্যমন্ত্ৰী (একনাথ সিন্ধে) নিজৰ গাঁওলৈ ৰাওনা হৈছে। কিয় এনেকুৱা হৈছে? মানুহৰ ইচ্ছাৰ বিপৰীতে তেওঁলোকে এই ফলাফল লাভ কৰিছে। যাৰ বাবে ৰাজ্যজুৰি বিক্ষোভ আৰম্ভ হৈছে।' ইফালে, যদিও বিজেপিয়ে ৫ ডিচেম্বৰত নতুন চৰকাৰৰ শপত গ্ৰহণ কৰিব বুলি কৈছে, তথাপিও মুখ্যমন্ত্ৰীৰ কথা এতিয়াও ঘোষণা কৰা হোৱা নাই। অৱশ্যে মহাৰাষ্ট্ৰৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী একনাথ সিন্ধেয়ে শুকুৰবাৰে কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ সভাপতি জেপি নাড্ডাৰ সৈতে তেওঁৰ "ভাল আৰু ইতিবাচক" আলোচনা হৈছে। মহাযুটি মিত্ৰজোঁটৰ এখন বৈঠকত মহাৰাষ্ট্ৰৰ পৰৱৰ্তী মুখ্যমন্ত্ৰীৰ সন্দৰ্ভত "এদিন বা দুদিনৰ ভিতৰত" সিদ্ধান্ত লোৱা হ'ব বুলিও সিন্ধেই কয়। বৰ্তমান নিজৰ জন্মস্থান চতৰাত বাহৰ পাতিছে সিন্ধেই। অন্যহাতে ফাড়নবিছক মুখ্যমন্ত্ৰী হিচাপে চৰ্চা চলিছে যদিও কোনো আনুষ্ঠানিক ঘোষণা কৰা হোৱা নাই।

# বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে অভিযোগ দিবলৈ মুকলি পৰ্টেল

**ই-সংবাদ, ৩০ নৱেম্বৰঃ** আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাইজৰ হিতৰ বাবে বিশেষ ঘোষণা কৰিছে। ৰাজ্যৰ যিসকল বিষয়া-কৰ্মাচাৰীয়ে কাম নকৰি জনগণক হাৰাশাস্তি কৰে সইসকল বিষয়া-কৰ্মাচাৰীক নাকী লগাবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে। যিসকল বিষয়া-কৰ্মচাৰীৰ ওচৰলৈ গৈ মানুহে তিতা-কেঁহা অভিজ্ঞতা লাভ কৰিও একো ব্যৱস্থা ল'ব নোৱাৰে সেইসকল বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে অভিযোগ দিবলৈ মুকলি কৰা হৈছে পৰ্টেল। সময় মতে কাম নকৰিলে এতিয়াৰ পৰা বিষয়াজনৰ ওচৰলৈ বাৰে বাৰে যাব নালাগে। এতিয়াৰ পৰা পৰ্টেলত বিষয়াৰ বিৰুদ্ধে দাখিল কৰিব পাৰিব অভিযোগ। সময়ত কাম নকৰা বিষয়াৰ বিৰুদ্ধে পৰ্টেলত অভিযোগ দিলে শুনানি হ'ব। হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে মুকলি কৰি দিছে বিশেষ পৰ্টেল। দাখিল কৰা অভিযোগ মতে যদি কোনো বিষয়া-কৰ্মচাৰী অভিযুক্ত হয় তেন্তে ১০০ টকাৰ পৰা ১০ হাজাৰ টকা পৰ্যন্ত জৰিমনা ভৰিব লাগিব। জৰিমনা ভৰা বিষয়াৰ সেই টকা দিয়া হ'ব ভুক্তভোগীগৰাকীক। বিষয়া-কৰ্মচাৰীৰ সেই ধন দৰমহাৰ পৰা কৰ্তন কৰা হ'ব। তৃণমূল পৰ্যায়ৰ পৰা আৰম্ভ কৰি জিলা পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী, অসম সচিবালয়ৰ মুখ্য সচিবলৈ অভিযোগ দাখিল কৰিব পাৰিব জনগণে। পৰ্টেল মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এয়া এক যুগান্তকাৰী প্ৰচেষ্টা। অসম ৰাজ্যিক ৰাজহুৱা সেৱা অধিকাৰ প্ৰাধিকৰণ আনুষ্ঠানিক শুভাৰম্ভণি কৰি আজিৰে পৰা কাৰ্যকৰী কৰা হৈছে। নাগৰিকসকলে এতিয়া সময়মতে ৪৪১টা ৰাজহুৱা সেৱা লাভৰ অধিকাৰ পাবলৈ সক্ষম হ'ব। তাৰ বাবেও এতিয়াৰ পৰা দায়বদ্ধতা নিৰ্ধাৰণ কৰা হ'ব। উল্লেখ্য যে এই অভিযোগ দাখিল কৰিব পৰা বিশেষ চৰকাৰী পৰ্টেলটো অসম ৰাজ্যিক ৰাজহুৱা সেৱা অধিকাৰ আয়োগৰ উদ্যোগত মুকলি কৰা হৈছে।

# চামগুৰিৰ শালনাত পথতে মৃতদেহ উদ্ধাৰ হোৱাক লৈ চাঞ্চল্য

**ই-সংবাদ, পুৰণিগুদাম, ৩০ নৱেম্বৰঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনৰ শালনা আৰক্ষী চকীৰ অন্তৰ্গত পুৰণা শালনা অঞ্চলৰ এটা পথত আজি পুৱা এটা মৃতদেহ উদ্ধাৰ হোৱাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। জানিব পৰা মতে, শালনা আৰক্ষী চকীৰ অন্তৰ্গত পুৰণা শালনা অঞ্চলৰ এটা পথত আজি পুৱা স্থানীয় লোকে এটা মৃতদেহ পৰি থকা প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে।পৰৱৰ্তী সময়ত ঘটনাস্থলীত শালনা আৰক্ষী চকীৰ এটা আৰক্ষীৰ দল উপস্থিত হৈ ঘটনাৰ সন্দৰ্ভত বুজ লোৱাৰ লগতে মৃতদেহটো ১ নং চিমনাবস্তিৰ বিশাল ভিল বুলি আৰক্ষীয়ে চিনাক্ত কৰে বুলি জানিব পৰা গৈছে। উক্ত লোকজন নিশা দুৰ্ঘটনাত পতিত হৈ মৃত্যু হোৱা বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। আনহাতে, পথত উদ্ধাৰ হোৱা মৃতদেহটো আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে উক্ত ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে যদিও বিতং তথ্য উদ্ধাৰ কৰিবলৈ সমৰ্থ হোৱা নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তিস্তাত বাছ বাগৰি নিহত পাঁচ

যাত্ৰীবাহী বাছ। শিলিগুৰিৰ পৰা গেংটক অভিমুখে গৈ থকা যাত্ৰীবাহী বাছখনে নিয়ন্ত্ৰণ হেৰুৱাই নৈত বাগৰি পৰাত কমেও ৫ জন লোক নিহত হোৱাৰ লগতে আহত হয় ২০ জনৰো অধিক লোক। পশ্চিম বংগ আৰু ছিকিমৰ সীমান্তৰ ৰংপোৰ সমীপত সংঘটিত হয় এই শোকাবহ দুৰ্ঘটনা। এই দুৰ্ঘটনাত মৃতকৰ সংখ্যা বৃদ্ধি পোৱাৰো আশংকা কৰা হৈছে। জানিব পৰা মতে, শনিবাৰে বিয়লি শিলিগুৰিৰ পৰা যাত্ৰীসহ গেংটককৈ গৈ আছিল বাছখন। ৰংপোৰ সমীপত হঠাৎ নিয়ন্ত্ৰণ হেৰুৱাই বাছখন পথৰ পৰা বাগৰি খাৰৈত পৰি পোনে পোনে তীস্তাত বাগৰি পৰে। দুৰ্ঘটনাটোৰ তথ্য লাভ কৰাৰ পিছতে ছিকিম আৰু কালিম্পং আৰক্ষীৰ উদ্ধাৰকাৰী দলে সেই স্থানত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। বাছখনত থকা যাত্ৰীসকলৰ মাজত বহু পৰ্যটক থকাৰ সম্ভাৱনাও আছে। কালিম্পংৰ জিলা দণ্ডাধীশ বালাসুব্ৰহ্মণ্যমে কয় যে, উদ্ধাৰৰ কাম চলি আছে। কেইবাজনো যাত্ৰীৰ মৃত্যু হোৱাৰ লগতে আহতসকলক স্থানীয় চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। আহতসকলৰ বহুতৰে অৱস্থা সংকটজনক বুলিও তেওঁ জানিবলৈ দিয়ে। কালিম্পংৰ আৰক্ষী অধীক্ষক শ্ৰীহৰি পাণ্ডাই কয় যে আমাৰ প্ৰধান উদ্দেশ্য আছিল বাছখনৰ ভিতৰৰ পৰা যাত্ৰীসকলক উদ্ধাৰ কৰা। সেয়া সফলতাৰে কৰা হৈছে। এই পৰ্যন্ত ৫ জন লোকৰ মৃত্যু হোৱা বুলি নিশ্চিত হৈছে। আহতসকলক ছিকিমৰ বিভিন্ন চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। সমগ্ৰ ঘটনাৰ তদন্ত আৰম্ভ হৈছে। উদ্ধাৰকাৰী দলৰ সদস্য আৰু প্ৰশাসনে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে। আহত কেইবাজনো যাত্ৰীৰ অৱস্থা গুৰুতৰ হৈ পৰাত মৃতকৰ সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা আৰক্ষীয়ে নুই কৰা নাই। দুৰ্ঘটনাটোক লৈ পাহাৰীয় অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বড়ো জাতীয়তাবাদক দুৰ্বল কৰি

বড়োৰ হাতত থকা ৰাজনীতিৰ বাঘজৰী লাহে লাহে বিজেপিৰ নেতা অৰূপ কুমাৰ দে', অশোক সিংঘাল, শান্তিয়াজ কুজুৰৰ দৰে বিজেপি নেতাৰ হাতলৈ যাবলৈ ধৰিছে। বড়ো ৰাজনীতিত হাগ্ৰামা মহিলাৰীৰ বেলি মাৰ খেদাবলৈ আপ্ৰাণ প্ৰয়াসৰ সময়তে প্ৰমোদ বড়োৰ ৰাজনীতিও নিঃশেষ কৰিবলৈ বিজেপিয়ে বিশেষ ফান্দ পাতিছে। অসমীয়া ফকৰা যোজনাত কোৱাৰ দৰে 'এদেও দুদেও, লোতা নিয়াৰ চেও' বাক্যশাৰীৰ দৰেই বড়োভূমিৰ ৰাজনীতি হিন্দুত্ববাদৰ ৰাজনীতিলৈ ধাৱমান কৰা হৈছে। বিজেপিয়ে মুখ্যতঃ বড়োভূমিৰ ৰাজনীতিত ক্ষুদ্ৰ আঞ্চলিক দলৰ ৰাজনীতিক নিঃশেষ কৰিব খুজিছে। ক্ষুদ্ৰ আঞ্চলিক দলৰ ৰাজনীতি নিঃশেষ হোৱাৰ লগতে বড়ো ৰাজনীতিও নিঃশেষ হৈ পৰিব। বড়ো ৰাজনীতিৰ পৰিৱৰ্তে নতুনকৈ বড়োভূমিত প্ৰৱেশ কৰোৱা হৈছে হিন্দুত্ববাদৰ ৰাজনীতি। ইয়াৰ পদক্ষেপৰ মূলত হাগ্ৰামা মহিলাৰীৰ ৰাজনৈতিক কেৰিয়াৰ সমাপ্ত কৰিবলৈ হাগ্ৰামা মহিলাৰীৰ ঘনিষ্ঠসকলক টাৰ্গেট কৰি লৈছে বিজেপিয়ে। ইতিমধ্যে হাগ্ৰামা মহিলাৰীৰ ঘনিষ্ঠ বিশ্বজিৎ দৈমাৰীক যোগদান কৰাইছে বিজেপিত। এইবাৰ খাম্ফা বৰগয়াৰীক বিজেপিত যোগদান কৰাব বিজেপিয়ে। দুই এদিনৰ ভিতৰতে খাম্ফা বৰগয়াৰীয়ে বিজেপিত যোগদান কৰিব। কেৱল হাগ্ৰামা মহিলাৰীৰ ঘনিষ্ঠ বিশ্বজিৎ দৈমাৰী আৰু খাম্ফা বৰগয়াৰীয়ে বিজেপিত যোগদান কৰিছে তেনে নহয়। বিজেপিত ইতিমধ্যে বহু বিপিএফ নেতা তথা বড়ো ৰাজনীতিত সক্ৰিয় নেতাই যোগদান কৰিছে। বিজেপিৰ ৰাডাৰত আছে আৰু বহু নেতা। চৰ্চা মতে, বিপিএফ এৰি ইউপিপিএলত যোগদান কৰা চন্দন ব্ৰহ্মাই বিজেপিত যোগদান কৰিব। এই যোগদানৰ উদ্দেশ্যে হৈছে আগন্তুক বিটিচিৰ নিৰ্বাচনত বিজেপিয়ে একক সংখ্যাগৰিষ্ঠতা লাভ কৰি অকলে কোকৰাঝাৰত চৰকাৰ গঠন কৰা। বৰ্তমান বিজেপিয়ে ১৪গৰাকী পাৰিষদৰ সৈতে বড়োভূমিৰ আন এটা ৰাজনৈতিক দল ইউপিপিএলৰ সৈতে বিটিচিত চৰকাৰ চলাই আছে যদিও ইউপিপিএলৰ প্ৰভাৱ ক্ৰমে হ্ৰাস পাইছে। ইউপিপিএলৰ সমান্তৰালকৈ বিজেপিৰ নেতাই প্ৰভাৱ বিস্তাৰ কৰিবলৈ বিভিন্ন কৌশল অৱলম্বন কৰিছে। বিজেপিয়ে বিশেষকৈ বড়ো ৰাজনীতিত গোৰ্খা, হিন্দু বঙালী, চাহ জনগোষ্ঠী আদি জনগোষ্ঠীৰ নেতাক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। দেখাত বড়ো ৰাজনীতিৰ সৈতে আছে যদিও শান্তিয়াজ কুজুৰ, অৰূপ কুমাৰ দে', অশোক সিংঘালৰ দৰে নেতাই বিজেপিৰ হৈ সক্ৰিয়ভাৱে কাম কৰি গৈছে। শান্তিয়াজ কুজুৰ, অৰূপ কুমাৰ দে', অশোক সিংঘালৰ দৰে নেতাই গোপনে বিজেপিৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ কাম কৰি গৈছে। বড়ো ৰাজনীতিত সক্ৰিয় ক্ষুদ্ৰ ৰাজনৈতিক দল বিপিএফ, ইউপিপিএলক নিঃশেষ কৰিবলৈ প্ৰয়াস কৰা বুলি চৰ্চা হৈ আহিছে। বড়ো নেতা, হিন্দু বঙালী নেতা, গোৰ্খা আৰু চাহ জনগোষ্ঠীৰ নেতাৰ হতুৱাই হিন্দুত্ববাদৰ ৰাজনীতি কৰি ক্ষুদ্ৰ ৰাজনৈতিক দল বিপিএফ, ইউপিপিএলক নিশ্চিহ্ন কৰি বিটিচিত বিজেপিয়ে শাসন কৰিবলৈ গোপনে কাম কৰি গৈছে। বিজেপিয়ে ঘোষণা কৰা অনুসৰি এইবেলি অকলে নিৰ্বাচন খেলিব। বিজেপিয়ে অনায়াসে কোকৰাঝাৰত অকলে চৰকাৰ গঠনৰ উদ্দেশ্যে অসম বিধানসভাৰ অধ্যক্ষ তথা বড়ো ৰাজনীতিৰ 'মাহিৰ খিলাড়ী' বিশ্বজিৎ দৈমাৰীক আগন্তুক ২০২৫ চনৰ নিৰ্বাচনৰ মুখ্য চেহেৰা কৰিবলৈ আগবাঢ়িছে। যদি বিজেপিয়ে ভবা মতে কোকৰাঝাৰত অকলে চৰকাৰ গঠন কৰিবলৈ সক্ষম হয় তেন্তে মুখ্য কাৰ্যবাহী হ'ব বিশ্বজিৎ দৈমাৰী। আনহাতে দুই মুখ্য সহযোগী হ'ব বৰ্তমান কাৰ্যবাহী অৰূপ কুমাৰ দে আৰু প্ৰাক্তন সাংসদ শান্তিয়াজ কুজুৰ। বিজেপিয়ে এনে এক উদ্দেশ্যে লৈয়ে কাম কৰি থকাৰ চৰ্চা চলিছে বিজেপিৰ ৰাজনীতিত। বড়োভূমিৰ ৰাজনীতিৰ মুখ্য কেন্দ্ৰ হৈছে বড়ো জনগোষ্ঠী আৰু বড়ো নেতাসকল। বড়ো জনগোষ্ঠী আৰু বড়ো নেতাই ক্ষুদ্ৰ আঞ্চলিক দলযোগে ৰাজনীতি কৰি গৈছে যদিও ক্ষুদ্ৰ আঞ্চলিক দলৰ ধাৰ কমি অহাৰ পিছতে বিজেপিয়ে একছত্ৰী হিন্দুত্ববাদৰ ৰাজনীতি যে কৰিব সেয়া খাতাং হৈ পৰিছে। ইয়াৰ অন্তৰালত বিজেপিৰ ৰাজ্যিক নিৰ্বাচনো জড়িত হৈ আছে। বিটিচি এলেকাত কমেও ১৫খন বিধানসভা আসনতৰ ভিতৰত ক্ষুদ্ৰ আঞ্চলিক দলৰ হাতত তমেও ১০ খন আসন থাকি যায়। যাৰ ফলত বিজেপিয়ে ক্ষুদ্ৰ আঞ্চলিক দলটোৰ সৈতে মিত্ৰতা কৰিবলগীয়া হোৱাৰ লগতে মন্ত্ৰিত্ব পৰ্যন্ত দিবলগীয়া হয়। বড়োভূমিৰ ৫খন জিলাৰ বিজেপিৰ নেতা-কৰ্মীসকল বঞ্চিত হয়। এনে বিভিন্ন কাৰণত ক্ৰমে বড়োভূমিৰ ৰাজনীতিত ক্ষুদ্ৰ আঞ্চলিক দলক নিঃশেষ কৰি দেশৰ মহা শক্তিধৰ বিজেপি দলে ক্ৰমে বিটিচিত আগ্ৰাসনৰ ৰাজনীতি আৰম্ভ কৰা বুলি চৰ্চা চলিছে।

# চামগুৰিৰ কুহুমতলিত ২৮ টা চোৰাং গৰুসহ বিলাসী গাড়ী জব্দ

**ই-সংবাদ, পুৰণিগুদাম, ৩০ নৱেম্বৰঃ** চোৰাং গৰু সৰবৰাহকাৰীয়ে নিত্য-নতুন কৌশলৰে বহিঃৰাজ্যলৈ চোৰাং গৰু সৰবৰাহ কৰিবলৈ চেষ্টা কৰি থকাৰ সময়তে নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে শিৰস্থান আৰক্ষী চকীৰ আৰক্ষীৰ সহযোগত যোৱা নিশা এক গোপন খবৰৰ ভিত্তিত কুহুমতলি অঞ্চলত অভিযান চলাই ২৮ টা চোৰাং গৰুসহ এখন বিলাসী গাড়ী জব্দ কৰিবলৈ সক্ষম হয়।জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ঋতুপৰ্ণ বণিয়াৰ নেতৃত্বত আৰু শিৰস্থান আৰক্ষী চকীৰ আৰক্ষীৰ সহযোগত এটা আৰক্ষী দলে এক গোপন খবৰৰ ভিত্তিত শিৰস্থান আৰক্ষী চকীৰ অন্তৰ্গত কুহুমতলি অঞ্চলত যোৱা নিশা চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত আৰক্ষীৰ দলটোৱে কুহুমতলি অঞ্চলৰ এজন লোকৰ ঘৰৰ চৌহদৰ পৰা ২৮ টা চোৰাং গৰু উদ্ধাৰ কৰাৰ লগতে এ-এছ- ০২- এছ- ০৩৮০ নম্বৰৰ এখন বিলাসী গাড়ী জব্দ কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।আনহাতে, আৰক্ষীৰ দলটোৱে চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলোৱাৰ উমান পায় চোৰাং গৰু ব্যৱসায়ী কেইজন আন্ধাৰৰ সুবিধা গ্ৰহণ কৰি পলায়ন কৰে বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে যোৱা নিশা উদ্ধাৰ কৰা চোৰাং গৰু কেইটা পৰৱৰ্তী সময়ত গো-শালালৈ প্ৰেৰণ কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়াৰ লগতে উক্ত চোৰাং গৰুৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। ঘটনাটোৱে চাঞ্চল্যৰ সৃষ্টি কৰিছে অঞ্চলটোত।



মাজুলীত জননেতা ভীমবৰ দেউৰী দিৱস অনুষ্ঠানৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, মাজুলী

### কংগ্ৰেছ নেতা গৌৰৱ গগৈক কটাক্ষ কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ

# মাজুলীত ভীমবৰ দেউৰী দিৱস পালন

**ই-সংবাদ, মাজুলী, ৩০ নৱেম্বৰঃ** যিকেইবাকী অমৃত সন্তানৰ বাবে অসমখন পূব পাকিস্তানৰ অন্তৰ্ভুক্ত নহ'ল তাৰ ভিতৰত জননেতা ভীমবৰ দেউৰী অন্যতম। দেশ বিভাজনৰ সময়ত অসমক পূব-পাকিস্তানৰ সৈতে চামিলকৰণ কৰিবলৈ লোৱা ষড়যন্ত্ৰক ভীমবৰ দেউৰীয়ে বিশেষভাৱে ৰাজনৈতিক বিচক্ষণতাৰে প্ৰতিহত কৰি অসমক ভাৰতৰ অংগৰাজ্য কৰি ৰখাত যুগান্তকাৰী ভূমিকা গ্ৰহণ শেষাংশ ১১ পৃষ্ঠাত

# নগাঁৱত যোগান বিভাগত দুৰ্নীতি! বিপদত পৰিছে সুলভ মূল্যৰ দোকানী

### দুপৰ নিশালৈকে চলে ৰেচন কাৰ্ড দিয়াৰ নামত বুজাবুজি চুক্তি

**ই-সংবাদ, পুৰণিগুদাম, ৩০ নবেম্বৰঃ** অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰীৰূপে বহুচৰ্চিত ড° হিমন্ত বিশ্ব শৰ্মাই অসমখনক দুৰ্নীতি মুক্ত ৰাজ্য হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত আপোচবিহীন কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিলেও সৰ্বত্ৰত এতিয়া হাতে কামে চলিছে অবাধ দুৰ্নীতি। যাৰ পৰিপ্ৰেক্ষিতত খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, নগাঁৱে দুৰ্নীতিৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ শূণ্য সহনশীল নীতিক কথাৰ ফুলজাৰি মৰা ৰাজনৈতিক বক্তব্যত পৰিণত কৰি এক প্ৰকাৰে বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰা পৰিলক্ষিত শেষাংশ ১০ পৃষ্ঠাত

# শুৱালকুছিত চিকিৎসাৰ অভাৱত ৰোগীৰ মৃত্যু, চাঞ্চল্য

**ই-সংবাদ শুৱালকুছি, ৩০ নৱেম্বৰঃ** শুৱালকুছিত কালি নিশা জ্বৰত আক্ৰান্ত চেঁচাৰ ধীৰেণ কলিতা নামৰ এগৰাকী ৩৪ বছৰীয়া যুৱকক শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়ৰ পৰা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ এম্বুলেঞ্চৰ অভাৱত এখন শেষাংশ ১০ পৃষ্ঠাত



ডিব্ৰুগড়ত জিলা পথ সুৰক্ষা সমিতিৰ বৈঠকৰ এটি দৃশ্য, শনিবাৰে

# আমগুৰি মিনি ষ্টেডিয়ামত তাণ্ডৱ দুস্কৃতিকাৰীৰ, ক্ষুব্ধ ক্ৰীড়াসন্থা

**ই-সংবাদ, আমগুৰি, ৩০ নৱেম্বৰঃ** শিৱসাগৰ জিলাৰ আমগুৰি মিনি ষ্টেডিয়ামত দুস্কৃতিকাৰীয়ে তাণ্ডৱ চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে ১৯৮৭ চনত বিধায়ক প্ৰদীপ হাজৰিকাৰ তৎপৰতাত অসম চৰকাৰৰ শেষাংশ ১১ পৃষ্ঠাত

# সংগ্ৰামী নেতা দুলদুল বৰকটকীৰ শেষকৃত্য সম্পন্ন

**ই-সংবাদ, বিশ্বনাথ, ৩০ নৱেম্বৰঃ** নিয়তিৰ ওচৰত হাৰ মানি সকলোকে কন্দুৱাই যোৱা আছুৰ প্ৰাক্তন সহকাৰী সম্পাদক দুলদুল বৰকটকীৰ শনিবাৰে এক শোকাকুল পৰিৱেশত শেষকৃত্য সম্পন্ন হয়। সুধাকণ্ঠৰ প্ৰকৃত আদৰ্শ বাস্তৱায়িত শেষাংশ ১১ পৃষ্ঠাত

# কদমনিত দুৰ্ঘটনাত নিহত স্কুলীয়া ছাত্ৰ

**ই-সংবাদ, বেৰেজীয়া, ৩০ নৱেম্বৰঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ বটদ্ৰৱা আৰক্ষী থানাৰ এলেকাধীন কদমনিত শনিবাৰে দুপৰীয়া সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত চাইকেল আৰোহী এজন স্কুলীয়া ছাত্ৰৰ প্ৰাণহানি হোৱাৰ বাতৰি শেষাংশ ৯ পৃষ্ঠাত

# অসমত আলু, পিঁয়াজ প্ৰৱেশত বাধা আৰোপ

**ই-সংবাদ, গোলকগঞ্জ, ৩০ নৱেম্বৰঃ** ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তৰ ছাগলীয়াৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে পশ্চিমবংগ প্ৰশাসনে অসমত আলু-পিঁয়াজ কঢ়িওৱা বাহনৰ প্ৰৱেশত বাধা শেষাংশ ৯ পৃষ্ঠাত

# মহানগৰীৰ লাচিত নগৰত গুৰু-শিষ্যৰ অভিনয়ে মুহিলে দৰ্শকক

**ই-সংবাদ, গুৱাহাটী, ৩০ নৱেম্বৰঃ** ৰাজ্যত বাসৰ বতৰত বিভিন্ন প্ৰান্তত ভাওনা মঞ্চস্থ হৈ থকাৰ সময়তে গুৱাহাটী মহানগৰীত গুৰু-শিষ্যই একেখন মঞ্চত অভিনয় কৰি সমাজক বিশেষ বাৰ্তা দিবলৈ প্ৰয়াস কৰা পৰিলক্ষিত হয়। চাকৰি জীৱন, সমাজ, সংঘাতৰ পিছতো জীয়াই থকাৰ হেঁপাহ যে থাকিব লাগে তাকে প্ৰতিফলিত কৰিছে গুৰু-শিষ্যই। ৰাজ্যৰ আগশাৰীৰ শিক্ষক প্ৰশিক্ষণ শিক্ষানুষ্ঠান চৰকাৰী বাণীকান্ত শিক্ষক



প্ৰশিক্ষণ মহাবিদ্যালয়ত শনিবাৰে এখন বিশেষ পূৰ্ণাংগ নাটক মঞ্চস্থ কৰা হয়। মহানগৰীৰ লাচিত নগৰস্থিত চৰকাৰী বাণীকান্ত শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ স্থায়ী মঞ্চত মঞ্চস্থ কৰা নাটকখনে দৰ্শকৰ মন-মগজু চুই শেষাংশ ৯ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিন্দুত্ববাদৰ ৰাজনীতি এৰি এতিয়া মিঞাৰ

অভিযোগ কৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে। উত্তৰ অসমৰ নৱ গঠিত ৰঙানদী সমষ্টিৰ ৰাজীৱ ভৱনত আজি এখন সংবাদমেল সম্বোধন কৰি বিজেপি দল আৰু অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কঠোৰ সমালোচনা কৰে ভূপেন বৰা আৰু সাংসদ ৰকিবুল হুছেইনে। বিজেপিয়ে ভিজন ডকেমুন্টেত দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰাত ব্যৰ্থ হোৱাৰ লগতে হিন্দুত্বৰ ৰাজনীতিৰ পৰা ফালৰি কাটি মিঞাৰ ৰাজনীতি কৰাৰ অভিযোগ আনে কংগ্ৰেছৰ দুয়োগৰাকী জ্যেষ্ঠ নেতাই। ২০২৬ চনৰ নিৰ্বাচনত উজনি অসম আৰু বৰকাত বিজেপিৰ অৱস্থা ভাল নহয় বুলি গম পায়েই সংখ্যালঘু মুছলমান অধ্যুষিত লাহৰীঘাট, ধিং, ৰূপহীত জয়ী হ'ব বুলি হিমন্ত বিশ্ব শৰ্মাই ক'বলৈ আৰম্ভ কৰিছে বুলিও দাবী কৰে নেতা দুগৰাকীয়ে। আনহাতে, চামগুৰি সমষ্টিত গৰু কাটি ভোজ দি বিজেপি জয়ী হোৱাৰ লগতে মুখ্যমন্ত্ৰীয়ে বোৰ্খা পৰিহিত লোকক দলত যোগদান কৰি 'দাৰাত' খাবলৈ যাম বুলি কৈ হিন্দুবাদৰ ৰাজনীতি উদঙাই দিয়া বুলি গুৰুতৰ অভিযোগ আনিছে ভূপেন বৰা আৰু ৰকিবুল হুছেইনে। ভূপেন বৰাই কয় যে ৰাজ্যত ৮ বছৰ আৰু কেন্দ্ৰত ১০ বছৰ চৰকাৰ চলোৱাৰ পিছতো বিজেপিয়ে ভিজন ডকুমেন্টত প্ৰকাশ কৰা প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিব নোৱাৰিলে। চাহ জনগোষ্ঠী, চাহ শ্ৰমিক, নিবনুৱাৰ সমস্যা, স্মাৰ্ট মিটাৰৰ কথা বিজেপিয়ে সদায়েই ঢাকি ৰাখিব খোজে। কেৱল সাম্প্ৰদায়িক মেৰু বিভাজনৰ ৰাজনীতি, ধৰ্মীয় উন্মাদনাৰ ৰাজনীতি কৰি গৈছে বিজেপিয়ে। বিৰোধীয়ে সমস্যাৰ কথা ক'লে বিজেপিয়ে হিন্দুত্বৰ কথা কয়। আমি নিবনুৱাৰ কথা কও, ছয় জনগোষ্ঠীক জনজাতিকৰণৰ কথা কও, তেতিয়া বিজেপিয়ে হিন্দুত্বৰ কথা কয়। হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ হিন্দুত্বৰ নগ্ন দিশ উদঙাই দিছে বুলি দাবী কৰি বৰাই কয় যে হিন্দুত্বৰ কথা কোৱা বিজেপিয়ে নিৰ্বাচনত জিকিবলৈ চামগুৰিত যিটো পৰ্যায়লৈ গ'ল তাৰ দ্বাৰা বিজেপিৰ নগ্ন দিশ দেখিলো। অসমৰ প্ৰতিগৰাকী সচেতন নাগৰিকে এই কথা জনা উচিত। বিজেপিৰ নগ্ন স্বৰূপ উদঙাই দিবলৈ ৰকিবুল হুছেইনৰ নেতৃত্বত ৰঙানদীৰ পৰা অভিযান আৰম্ভ কৰা হৈছে। ইফালে, ৰকিবুল হুছেইন সংবাদমেলত কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দুমুখীয়া চৰিত্ৰটো উদঙাই দিব খুজিছো। উজনি অসম, উত্তৰ অসমৰ ৰাইজে যিজন হিমন্ত বিশ্ব শৰ্মাক চিনি পায়, বুজে আৰু জানে সেইজন হিমন্ত বিশ্ব শৰ্মা নামনি অসমত বেলেগ হৈ যায়। নামনি অসমত নগ্ন স্বৰূপ উদঙাইছে। ১০০ দিনৰ ভিতৰত চাহ জনগোষ্ঠীৰ সমস্যাৰ সমাধান কৰাৰ কথা কৈছিল। এতিয়া ৩৫০ টকা দৈনিক হাজিৰা দিয়াৰ কথা ক'লে বিজেপি আৱেগিক হয়। ছয় জনগোষ্ঠীৰ জনজাতিকৰণ ১০০ দিনৰ ভিতৰত কৰিম কৈছিল। মূল্যবৃদ্ধিৰ কথা ক'লে বিজেপি আৱেগিক হয়। এইবোৰ সমস্যাৰ কথা আহিলেই হিমন্ত বিশ্ব শৰ্মাই কয় আমাক মিঞাৰ ভোট নালাগে। বাৰে বাৰে হিন্দুত্ববাদৰ কথা কয়। তেতিয়া ৰাইজে গোটেই সমস্যাৰ কথা পাহৰি আকৌ এবাৰ ভোট দিয়ে। ৰাইজে বাৰে বাৰে সুবিধা দিছে। কিন্তু হিমন্ত বিশ্ব শৰ্মাই সামন্য উপ-নিৰ্বাচনত চৰিত্ৰ উদঙালে, বিশ্বাসঘাতকতা কৰিলে। তৰুণ গগৈৰ হাতত ধৰি মন্ত্ৰী হ'ল, কিন্তু তৰুণ গগৈক বিশ্বাসঘাতকতা কৰিছিল। সেই একেই চৰিত্ৰ উদঙালে এইবাৰ চামগুৰিত। যি মিঞাৰ ভোট নালাগে বুলি কৈছিল, সেই হিমন্ত বিশ্ব শৰ্মাই গৰু কাটি ভোজ দি নিৰ্বাচনী বৈতৰণী পাৰ হ'বলৈ চেষ্টা কৰিলে। মই তেনে ৰাজনীতি নকৰো। চামগুৰিত মই ২০১১ চনৰ পৰা জয়ী হৈ আহিছো। ধুবুৰীত বদৰুদ্দিন আজমলৰ দৰে শক্তিক হৰুৱাইছো। নিৰ্বাচন হাৰি যাম, কিন্তু হিমন্তৰ দৰে ৰাজনীতি নকৰো। মই ভিডিঅ' ৰাজহুৱা কৰিম। ধুবুৰীৰ সাংসদগৰাকীয়ে চামগুৰি সমষ্টিৰ প্ৰসংগ উল্লেখ কৰি ৭২ ঘণ্টাৰ পূৰ্বে নিৰ্বাচনী প্ৰচাৰ শেষ হ'ব লাগে বুলি উল্লেখ কৰি কয় যে আমি খোদ ভূপেন বৰা ডাঙৰীয়াক চামগুৰিলৈ মাতি নি ৫ বজাৰ লগে লগে পঠিয়াই দিছিলো। মাইক লগাব নিদিলো। বঢ়া ভাত এৰি আহিছে। কিন্তু ৰূপক শৰ্মা, ছালফা সুৰেশ বৰা, জিতু গোস্বামীয়ে ঘূৰি আছিল। চামগুৰিৰ মাজুলী বুলি এঠাইত মুখ্যমন্ত্ৰীয়ে বোৰ্খা পিন্ধা লোকক বিজেপিত যোগদান কৰাইছে। মুখ্যমন্ত্ৰীয়ে বোৰ্খা পিন্ধা লোকক কৈছে মই যিখিনি কৈছো, সেইখিনি কৰি দিয়া। তাৰ পিছত মই আপোনালোকৰ সৈতে 'দাৰাত' খাম। দাৰাতৰ অৰ্থ বুজি পায় মৌলবীয়ে। কিন্তু মুখ্যমন্ত্ৰীয়ে মুখেৰে কৈছে দাৰাত খাম। নিৰ্বাচনী বৈতৰণী পাৰ কৰিবলৈ এইবোৰ হিমন্ত বিশ্ব শৰ্মাই কিয় কৰিছে বুলি প্ৰশ্ন কৰি চোৰাংচোৰাৰ প্ৰতিবেদনৰ কথা উল্লেখ কৰে হুছেইনে। হুছেইনে কয় যে যেতিয়া মুখ্যমন্ত্ৰী হৈ থাকে তেতিয়া চোৰাংচোৰাই ৰিপৰ্টবোৰ দি থাকে। মুখ্যমন্ত্ৰীয়ে এটা কথা জানে যে এইবাৰ বিভিন্ন কাৰণত মৰাণ-মটক মানুহখিনি ক্ষোভিত হৈ আছে। এটাই সমষ্টি আছিল, সেইটো আতৰি যোৱাত চুতীয়াসকল ক্ষোভিত। বৰাকত আসন কম হোৱাত বৰাকৰ মানুহখিনি ক্ষোভিত হৈ আছে। বৰাকৰ হিন্দুসকল যে ক্ষোভিত তাৰ প্ৰতিফলন ধলাইৰ উপ-নিৰ্বাচনত স্পষ্ট হৈছে। যেতিয়া চোৰাংচোৰাৰ দ্বাৰা এনে কথাবোৰ গম পাইছে, এতিয়া লগা হৈছে মিঞাক। নীতি আদৰ্শৰ পৰা ফালৰি কাটিছে। আমি নীতি আদৰ্শৰ পৰা কেতিয়াও বিচলিত নহও। অন্যহাতে, অগপৰ জন্ম আঁৰৰ ৰহস্যৰ কথা উল্লেখ কৰি ৰকিবুল হুছইনে কয় যে অগপই মিঞা আৰু হিন্দু বঙালীক খেদাব লাগে বুলি কৈ ৰাজনীতি কৰি চৰকাৰ গঠন কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত অগপই নিজৰ আদৰ্শৰ পৰা ফালৰি কাটি ৰূপহীৰ দৰে সমষ্টিত অগপ জয়ী হৈছিল। সংখ্যালঘু মুছলমান থকা ৰূপহী, দলগাঁও, ধুবুৰীৰ এটা সমষ্টিত অগপ জয়ী হৈছিল। বৰাকত মুছলমান জয়ী হৈছিল। যাৰ ফলত অগপ ধূলিস্যাৎ হৈ যায়। সেই একেই দৰে হিমন্ত বিশ্ব সৰ্মা ধূলিস্যাৎ হ'ব। লাহৰীঘাট, ধিং, ৰূপহীত জয়ী হ'ব লাগে। কাৰণ তেওঁ ধেমাজি, ৰঙানদী, ডিব্ৰুগড, চাবুৱা, লখিমপুৰ, গোলঘাট, ধলাই, শিলচৰত হাৰিব। যেতিয়া তেওঁ গম পাইছে এইবোৰ সমষ্টিত হাৰিব তেতিয়া সংখ্যালঘু মুছলমান থকা সমষ্টিত জয়ী হ'ব বিচাৰিছে। যেনেকৈ অগপ ধূলিস্যাৎ হৈ গ'ল, তেনেকৈ হিমন্ত বিশ্ব শৰ্মা ধূলিস্যাৎ হ'ব। আমি কোৱা কথা নহয়, পুৰণি বিজেপিয়ে এই কথা কৈছে। চাৰ্টাৰ প্লেন লৈ বাৰে বাৰে দিল্লীলৈ যোৱা হিমন্ত এতিয়া নিমাত। এজন দলিত-আদিবাসী লোকক জেললৈ নি নিৰ্বাচনৰ সময়ত সন্তীয়া কথা কৈ আদিবাসী, দলিত হেমন্ত ছোৰেনক অপমান কৰিলে। কিন্তু হেমন্ত ছোৰেন জয়ী হ'ল। আজি ভাৰতবৰ্ষৰ বিজেপিয়ে গম পাইছে হেমন্ত আৰু হিমন্তৰ মাজৰ নিৰ্বাচন হৈছিল। কিন্তু হিমন্ত হাৰিছে। যাৰ ফলত হিমন্তই নিমাতে বহি গৈছে। অসমৰ ৫ সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফলক লৈয়ে সন্তুষ্টি লভিবলগীয়া হৈছে হিমন্তই। এতিয়া বিজেপিৰ বিৰুদ্ধে এনেদৰেই ব্ৰহ্মাস্ত্ৰ সাজু কৰিছে কংগ্ৰেছে। ২০২৬ চনত যে কংগ্ৰেছে হিমন্ত বিশ্ব শৰ্মাই কৰি অহা মিঞাৰ ৰাজনীতিক এতিয় কিধৰণে প্ৰত্যুত্তৰ দিয়ে সেয়াও লক্ষণীয় হৈ পৰিব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩ ডিচেম্বৰত নিৰ্বাচন আয়োগে

উদ্বেগক লৈ অহা ৩ ডিচেম্বৰত কংগ্ৰেছৰ প্ৰতিনিধি দলক বৈঠকৰ বাবে আমন্ত্ৰণ জনাইছে নিৰ্বাচন আয়োগে। ইয়াৰ পূৰ্বে কংগ্ৰেছে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ পিছতো ইভিএমক লৈ কিছু সন্দেহ প্ৰকাশ কৰিছিল। নিৰ্বাচন আয়োগে কয় যে কংগ্ৰেছৰ সকলো বৈধ উদ্বেগ পৰ্যবেক্ষণ কৰা হ'ব আৰু বৈঠকৰ পিছত লিখিত উত্তৰ দিয়া হ'ব। নিৰ্বাচন আয়োগে লগতে কয় যে প্ৰতিটো নিৰ্বাচনী পৰ্যায়ত প্ৰাৰ্থী আৰু তেওঁলোকৰ প্ৰতিনিধিৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰা হয়। ৰাজনৈতিক দলসমূহৰ অংশগ্ৰহণেৰে এখন স্বচ্ছ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ প্ৰতিশ্ৰুতিও আয়োগে পুনৰবাৰ প্ৰকাশ কৰে। আয়োগে কংগ্ৰেছক আশ্বাস দিয়ে যে সকলো বৈধ অভিযোগ পুনৰীক্ষণ কৰা হ'ব। ভোটগ্ৰহণৰ তথ্য সন্দৰ্ভত কংগ্ৰেছে কৰা অভিযোগৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি নিৰ্বাচন আয়োগে ভোটাৰৰ তথ্যৰ পৰিসংখ্যাৰ কোনো অমিল নাই বুলি কয়। আয়োগে কয় যে ভোটগ্ৰহণ কেন্দ্ৰৰ সকলো তথ্য প্ৰতিজন প্ৰাৰ্থী আৰু তেওঁলোকৰ এজেণ্টৰ বাবে সহজেই উপলব্ধ, যিবোৰ পৰীক্ষা কৰিব পাৰে। আয়োগে এক প্ৰেছ বিজ্ঞপ্তিযোগে কয়, "বিয়লি ৫ বজাৰ ভোটগ্ৰহণৰ তথ্য আৰু চূড়ান্ত ভোটদানৰ শতাংশৰ মাজৰ পাৰ্থক্য কেৱল পদ্ধতিগত কাৰণতহে। কাৰণ, ৰিটাৰ্নিং বিষয়াই চূড়ান্ত তথ্য উন্নীত কৰাৰ পূৰ্বে কেইবাটাও আইনী কৰ্তব্য পালন কৰে।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩০ সংগঠনৰে আছুৰে কৰিলে জৰুৰী

আজি বিশেষ বৈঠক অনুষ্ঠিত হয়। অসম চুক্তিৰ ছয় নং দফাক লৈ উচ্চস্তৰীয় সমিতিয়ে দিয়া প্ৰতিবেদন সন্দৰ্ভত আছুৱে ৰাজ্য চৰকাৰৰ সৈতে বৈঠকত বহাৰ পিছৰে পৰা আছুৰ স্থিতিক লৈ একাংশ লোকে সন্দেহ ব্যক্ত কৰিছিল। লগতে আছুৰ সৈতে থকা ৩০ সংগঠনক গুৰুত্বহীন কৰি আছুৱে চৰকাৰৰ সৈতে অকলে বহাত প্ৰশ্নৰ উদ্ৰেক হৈছিল। কিন্তু আজি আছুৰ নেতৃত্বৰ ৩০ জাতীয়-জনগোষ্ঠীয় সংগঠনৰ প্ৰতিনিধিৰে বৈঠক অনুষ্ঠিত হয়। সভাত আছু আৰু ৩০ সংগঠনে শেহতকীয়া ছয় নং দফাক লৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক ইতিবাচক বুলি উল্লেখ কৰে। খিলঞ্জীয়া মানুহৰ সাংবিধানিক ৰক্ষাকৱজ সুনিশ্চিত কৰিবলৈ সময়ে সময়ে আলাপ-আলোচনা কৰি যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। বৈঠকৰ অন্তত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই সংবাদমাধ্যমক সম্বোধন কৰি কয় যে ২০১০ চনত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী পাইলট প্ৰজেক্ট লোৱা হৈছিল। তেতিয়া বৰপেটাত এই প্ৰক্ৰিয়াটোক বিৰোধিতা কৰি এচামে হিংসা কৰিছিল। এনআৰচিৰ প্ৰক্ৰিয়াটোৰ বাবে জটিলতা আনিছিল। তেতিয়া সদৌ অস ছাত্ৰ সন্থা আৰু ২৬ জাতীয়-জনগোষ্ঠীয় সংগঠন একত্ৰিত হৈছিল। আজি সেই ২৬ সংগঠনৰ পৰা গৈ ৩০ সংগঠন হৈছে। সেই ৩০ সংগঠনৰ আজি বৈঠক অনুষ্ঠিত হয়। বৈঠকত অসম চুক্তিৰ ছয় নং দফাক লৈ গঠিত বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদন কাৰ্যকৰী কৰা বিষয়ত আলোচনা কৰা হয়। প্ৰতিবেদনক লৈ আজিৰ বৈঠকত পুংখানুপুংখ ভাৱে আলোচনা কৰো। সকলোৱে এটা কথাত উপনীত হও যে খিলঞ্জীয়া মানুহৰ সাংবিধানিক ৰক্ষাকৱজ লাগিবই। অসম চৰকাৰৰ সৈতে কৰা আলোচনাৰ কথাও ৩০ জনগোষ্ঠীয় সংগঠনক অৱগত কৰা হয়। সভাই অসম চৰকাৰে আৰম্ভ কৰা আলোচনাক ইতিবাচক বুলি অভিহিত কৰিছে। লগতে কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ আওতাত থকা বিষয়সমূহ উভয় চৰকাৰক গুৰুত্ব দিবলৈ আহ্বান জনায়। অসমৰ প্ৰতিটো খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ স্বাৰ্থ সুৰক্ষিত হ'ব পৰাকৈ কেনেদৰে আগবাঢ়ি যাব পৰা যায় সেই কথাবোৰ আলাপ-আলোচনাৰ বাবে সময়ে সময়ে আলোচনাত বহিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। ভূমি, সম্পদ, সকলো দিশৰ পৰা সুৰক্ষিত হ'বলৈ অসম চুক্তিৰ ছয় নং দফাৰ বিকল্প নাই বুলি দোহাৰিছে উৎপল শৰ্মাই। উল্লেখ্য যে, অসম চুক্তিৰ ৬নং দফাক লৈ কেন্দ্ৰীয় চৰকাৰে গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ নকৰাকৈ অসম চৰকাৰে পৰামৰ্শসমূহ কাৰ্যকৰী কৰিব খোজা বুলি অভিযোগ উঠিছিল। চাৰে চাৰি বছৰ পাছত কেৱল ৰাজনীতি কৰাৰ স্বাৰ্থত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম চুক্তিৰ ছয় নং দফাৰ উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনৰ বিষয়টোক লৈ হৈ-চৈ কৰাৰ অভিযোগ উঠিছিল। ইপিনে আছুৱে অসম চৰকাৰৰ সৈতে বৈঠক অনুষ্ঠিত কৰি অসম চৰকাৰ তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ৰাজনীতি কৰাত সহায় কৰি যোৱাৰ অভিযোগ উঠিছিল। বিভিন্ন লোকে সামাজিক মাধ্যম আৰু বাতৰি কাকতত লেখা-মেলা কৰিছিল। তাৰ পাছতে এতি তৎপৰতাৰে সদৌ অসম ছাত্ৰ সন্থাই কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক আৰু প্ৰতিনিধি সভা অনুষ্ঠিত কৰি কেইবাটাও বিষয় স্পষ্ট কৰাৰ পিছতে আজি আছুৰ নেতৃত্বৰ ৩০ জাতীয়-জনগোষ্ঠীয় সংগঠনৰ প্ৰতিনিধিৰে বৈঠক অনুষ্ঠিত হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত পুনৰ চিলনী চোৰৰ সন্ত্ৰাস

ঘৰ পাব নে নাই তাকে লৈ চিন্তা কৰিবলগীয়া হৈছে। কিয়নো গুৱাহাটীৰ চৌদিশে এতিয়া আৰম্ভ হৈছে লুট-মাৰ, ডিঙিৰ চেইন টানি নিয়াৰ ঘটনা। এইবাৰ এনে ঘটনা সংঘটিত হৈছে মহানগীৰৰ সুন্দৰপুৰৰ। মৰ্ণিং ৱৰ্কৰ পৰা বাবে ওলাই অহাৰ সময়তে বাইকত অহা দুৰ্বৃত্তই এগৰাকী মহিলাৰ ডিঙিৰ পৰা চেইন কাঢ়ি নিয়ে। গুৱাহাটী মহানগৰীৰ সুন্দৰপুৰৰ ৰাজপথ প্ৰায় ৭ বজাত এই ঘটনা সংঘটিত হৈছে। উপ-পথৰ পৰা সুন্দৰপুৰৰ বাছস্থান অভিমুখে মহিলাগৰাকী প্ৰাতঃভ্ৰমণলৈ ওলাই অহাৰ সময়ত এখন স্কুল বাছ ৰখাই থোৱা আছিল। স্কুল বাছখন আতৰি যোৱাৰ পিছতে তীব্ৰ গতিত আহে এখন বাইক। বাইকখনত অহা দুই দুৰ্বৃত্তই মহিলাৰ কাষতে বাইকখন ৰখাই এজন দুৰ্বৃত্তই ডিঙিত পিন্ধি থকা চেইনডাল টান মাৰে। জোৰকৈ টান মৰাত চেইনডাল ছিঙি যায় আৰু দুৰ্বৃত্তই চেইনডাল হাতত লৈ পুনৰ বাইকত উঠে। বাইকত উঠিব ধৰাৰ সময়তে মহিলাগৰাকীয়ে দুৰ্বৃত্তটোক টানি ধৰি চিঞৰ-বাখৰ কৰে। মহিলাগৰাকীক ডেগাৰ এখন উলিয়াই ভয় দেখুওৱাত দুৰ্বৃত্তৰ হাতখন এৰি দিয়াত বাইকসহ দুৰ্বৃত্ত বাগৰি পৰে। তেতিয়া মহিলাই পুনৰ জোৰ জোৰকৈ চিঞৰিবলৈ ধৰাত মহিলাক আক্ৰমণ কৰিবলৈ ধৰে। মহিলাগৰাকী ৰক্তাক্ত হৈ অচেতন হৈ পৰাত আৰু কোনো লোক ওলাই নহাত দুৰ্বৃত্তই বাইকত উঠি উধাও হয়। মহিলাগৰাকীৰ কিছু পলমকৈ একাংশ লোকে ততাতৈয়াকৈ দিছপুৰ পলিক্লিনিকত ভৰ্তি কৰায়। এতিয়া এনেদৰেই নাগৰিকৰ সৈতে নিতৌ সংঘটিত হ'ব ধৰিছে অঘটন। তথাপিও আৰক্ষীয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি অভিযোগ উঠিছে। সেয়ে এতিয়া উদ্বিগ্ন হৈ পৰিছে মহানগৰবাসী।

# গুজৰাটৰ উপকূল অঞ্চলত ভয়ংকৰ কাণ্ড, মাত্ৰ ২০০ টকা লৈ পাকিস্তানৰ হৈ চোৰাংচোৱাগিৰি!

**জয়পুৰ, ৩০ নৱেম্বৰঃ** প্ৰতিদিনে মাত্ৰ দুশ টকাৰ বিনিময়ত ভাৰতৰ গোপন আৰু গুৰুত্বপূৰ্ণ তথ্য পাকিস্তানক বিক্ৰী কৰি গ্ৰেপ্তাৰ হ'ল এজন যুৱক। গুজৰাটত ভাৰতীয় ক'ষ্ট গাৰ্ডৰ গোপন তথ্য দুশ টকাৰ বিনিময়ত পাকিস্তানলৈ প্ৰেৰণ কৰি অহাৰ অভিযোগত গুজৰাটৰ উপকূলৰ পৰা ৰাজ্যখনৰ আৰক্ষীৰ সন্ত্ৰাসবাদ বিৰোধী শাখাই গ্ৰেপ্তাৰ কৰে দীপেশ গোহিল নামৰ যুৱকজনক। তদন্তকাৰীয়ে জানিবলৈ দিয়া মতে, এই অভিযুক্তজনে পাকিস্তানী চোৰাংচোৱাক ভাৰতীয় তথ্য প্ৰদানৰ বাবে দৈনিক দুশ টকাৰ চুক্তি কৰিছিল। ইতিমধ্যে অভিযুক্তক জিম্মাত লৈ জেৰা অব্যাহত ৰাখিছে তদন্তকাৰী দলে। আৰক্ষীয়ে সদৰী কৰা মতে, অভিযুক্ত দীপেশ গোহিল নামৰ লোকজনে দ্বাৰকাৰ এটা সংস্থাত শ্ৰমিক হিচাপে কাম কৰিছিল। আৰক্ষীৰ সূত্ৰ অনুসৰি কিছুদিন পূৰ্বে ফেচবুকৰ জৰিয়তে তেওঁ অসীমা নামৰ এগৰাকী মহিলাক লগ পাইছিল। মহিলাগৰাকীয়ে নিজকে পাকিস্তানৰ নৌসেনাৰ বিষয়া বুলি পৰিচয় দিয়ে। তেতিয়াৰ পৰাই দীপেশে ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ গোপনীয় তথ্য, ফটো আৰু ভিডিঅ' হোৱাটছএপত প্ৰেৰণ কৰিবলৈ আৰম্ভ কৰে। গুজৰাট এ টি এছে কয় যে অভিযুক্তৰ ওখা বন্দৰলৈ অবাধ যাতায়ত আছিল। ফলত তেওঁ ক'ষ্ট গাৰ্ডৰ জাহাজৰ কাষ চাপিবও পাৰিছিল। সহজে তেওঁলোকৰ ফটো আৰু ভিডিঅ' তুলি পাকিস্তানলৈ প্ৰেৰণ কৰিব পাৰিছিল অভিযুক্তই। বিনিময়ত তেওঁ প্ৰতিদিনে ২০০ টকা লাভ কৰিছিল। জাহাজৰ গতিবিধি, ইয়াৰ কাৰ্যকলাপৰ সম্পৰ্কে যিকোনো তথ্য তেওঁ প্ৰদান কৰি আহিছিল। তদন্তকাৰীয়ে জনোৱা মতে, দীপেশৰ নিজা কোনো বেংক একাউণ্ট নাছিল। যাৰ বাবে পাকিস্তানৰ পৰা লাভ কৰা ধন এজন বন্ধুৰ একাউণ্টত জমা কৰা হৈছিল। দিপেশে আৰক্ষীক জনোৱা মতে, তেওঁৰ এই কাৰ্য্যত সেই বন্ধুজনেও কিছু কিছু সহযোগ কৰিছিল। সূত্ৰ অনুসৰি পাকিস্তানৰ পৰা তেওঁৰ বাবে মুঠ ৪২ হাজাৰ টকা প্ৰেৰণ কৰা হৈছিল। এই ভয়ংকৰ কাণ্ড পোহৰলৈ অহাৰ পিছতে আৰক্ষীয়ে অভিযুক্তৰ বিৰুদ্ধে কেইবাটাও ধাৰাত গোচৰ ৰুজু কৰিছে। ক'ষ্ট গাৰ্ডৰ গোপন তথ্য সৰবৰাহৰ সন্দৰ্ভত অধিক তথ্য লাভৰ বাবে তেওঁক এ টি এছে জেৰা অব্যাহত ৰাখিছে। বাতৰিটোৱে সৰ্বত্ৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# মহানগৰীৰ লাচিত নগৰত গুৰু-শিষ্যৰ

যায়। পূৰ্ণাংগ নাটকখন মহাবিদ্যালয়খনৰ শিক্ষক সমাজ আৰু প্ৰশিক্ষণৰত শিক্ষক-শিক্ষয়িত্ৰীয়ে অভিনয় কৰে। মহাবিদ্যালয়ত প্ৰশিক্ষণৰত দ্বিতীয় বৰ্ষৰ শিক্ষক মনোৱাৰ হুছেইনে সামাজিক বিষাদ আৰু প্ৰেমগাথাক লৈ ৰচনা কৰা নাটকখনৰ নাম হৈছে 'অপৰাজিতা'। নাৰীৰ চৰিত্ৰ অপৰাজিতা মুখ্য নায়িকা হিচাপে উপস্থাপন কৰা নাটখনত দুই ভগ্নীৰ সম্পৰ্ক তুলি ধৰা হৈছে। অপৰাজিতা আৰু কনিষ্ঠ ভগ্নী অনামিকাৰ মাজৰ সম্পৰ্ক, আৱেগ, সংঘাতক লৈ বৰ্তমান সমাজৰ বাস্তৱত ঘটি থকা ঘটনাৰাজিক তুলি ধৰা হৈছে। অপৰাজিতা শান্ত, শিষ্ট, মৃদুভাষী। আনহাতে অনামিকা ৰাংঢালি আৰু মুক্তমনৰ। সেই সময়তে এজন প্ৰেমধৰ কলিতা নামৰ যুৱকৰ বাবে দুয়ো ভগ্নীৰ মাজৰ সংঘাত বৃদ্ধি পায়। প্ৰেমধৰ কলিতাই নতুনকৈ চাকৰি পাইছিল। প্ৰেমধৰ কলিতাই অপাৰাজিতাৰ প্ৰেমত পৰে। অপৰাজিতাও প্ৰেম স্বীকাৰ কৰে। যেতিয়া সেই কথা ভগ্নী অনামিকাই এটা ফোন ৰেকৰ্ডিঙৰ দ্বাৰা গম পালে, তেতিয়া ভগ্নী অনামিকাই ঘৰ ত্যাগ কৰে। সমানে চাকৰি লাভ কৰি প্ৰশিক্ষণৰ বাবে যায় প্ৰেমিক প্ৰেমধৰ কলিতা। ভগ্নীৰ ঘৰৰ পৰা ওলাই গ'ল আৰু প্ৰেমিক প্ৰেমধৰ কলিতাই প্ৰশিক্ষণলৈ যোৱাৰ পিছতে অকলশৰীয়া অপৰাজিতাৰ 'কনভাৰচেচন ডিছঅৰ্ডাৰ'ত আক্ৰান্ত হয়। এই সময়ছোৱাত নাটক ৰচোতাই চাকৰি জীৱন, নিগংতা, সামাজিক ব্যৱস্থা, নাৰীৰ সহিষ্ণুতা, সংসাৰৰ প্ৰতি দুৰ্বলতা আদি বিষয়ক স্পষ্টাভাৱে দাঙি ধৰে। সুন্দৰ আৰু সাৱলীলভাৱে উপস্থাপন কৰা নাটকখনে চাকৰিকালত মানুহে কেনেদৰে ঘৰখনৰ বান্ধোন কটকটীয়া কৰি ৰাখিবলৈ ত্যাগ কৰিবলগীয়া হয় সেই কথাকে উপস্থাপন কৰা হৈছে। নাটখনৰ যোগেদি অসমীয়া সমাজৰ অন্ধবিশ্বাস, কু-সংস্কাৰৰ ছবি দাঙি ধৰা হৈছে। পিতৃ প্ৰধান পৰিয়ালৰ বাস্তৱ দৃশ্য কিছু দেখুওৱা হৈছে। প্ৰশিক্ষণ মহাবিদ্যালয়খনৰ অধ্যাপিকা ড০ মৌচুমী বৰদলৈৰ পৃষ্ঠপোষকতাত আৰু ড০ মৌচুমী চৌধুৰীৰ পৰিচালনাত আৰু মনোৱাৰ হুছেইনৰ সহ-পৰিচালনাত মঞ্চস্থ নাটখনত নামনি অসমত ব্যৱহৃত বিশেষকৈ নলবেৰীয়া পৰম্পৰাগত ভাষাক গুৰুত্ব প্ৰদান কৰা হৈছে। সুৰ আৰু সংগীত প্ৰদান কৰে প্ৰশিক্ষাৰ্থী ভূপেন দাস আৰু অধ্যাপিকা কৃষ্ণা ডেকাই। অভিনয় কৰে অধ্যাপিকা ড০ ছায়ামণি দত্ত, ড০ পল্লৱী কলিতা, ড০ উৎপল গোস্বামী, স্নেহ মঞ্জুৰী মজুমদাৰ, মানসী শৰ্মা, মিতালী বৰুৱা আৰু কৃষ্ণ ডেকাই। প্ৰশিক্ষাৰ্থীৰ ভিতৰত অভিনয় কৰে ড০ হামিদুল ইছলাম, মনোজ কুমাৰ মিশ্ৰ, ছৈয়দা শ্বামীমা ৰহমান, শিখা চেত্ৰী, প্ৰদ্যুম্ন পাঠক, ছফিকুল ইছলাম, দিপ্তীৰাগ দাস আৰু পাৰ্শ্বিয়া দাসে। নাটক মঞ্চস্থ কৰাত সহায় কৰে নৱ কুমাৰ কলিতা, ৰাজমণি গোস্বামী, মৃদুল গোস্বামী, পল্লৱী দেৱী, ইপ্সিতা বৰুৱাই। প্ৰশিক্ষণ মহাবিদ্যালয়ত প্ৰথমবাৰ গুৰু আৰু শিষ্যই একেলগে নাটকত অভিনয় কৰাৰ লগতে এখন পূৰ্ণাংগ নাট মঞ্চস্থ কৰি নতুন ইতিহাস ৰচিলে। অসমীয়া ভাষাৰ চৰ্চা দিনক দিনে হ্ৰাস হোৱা বুলি সমালোচিত হ'লেও শেহতীয়াকৈ ভাৰত চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছে। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ সৈতেত সংগতি ৰাখি চৰকাৰী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়খনৰ শিক্ষক আৰু প্ৰশিক্ষণৰত শিক্ষকে অসমীয়া ভাষাটোক যাউতিযুগীয়া কৰি ৰাখিবলৈ পৰম্পৰাগত থলুৱা কথনক গুৰুত্ব দি নাটক মঞ্চস্থ কৰাত দৰ্শকে শলাগ লোৱাৰ লগতে নাট উপভোগ কৰি অতিশয় আপ্লুত হৈ পৰে। মহাবিদ্যালয়খনৰ ইতিহাসত প্ৰথমবাৰ পূৰ্ণাঙ্গ অসমীয়া নাটক মঞ্চস্থ কৰি সংলাপত অসমীয়া ভাষাগত দিশসমূহৰ অভ্যাসন কৰা পৰিলক্ষিত হয়। অসমীয়া উপ-ভাষাৰ দিশটো বিশেষকৈ নলবেৰীয়া গাঁৱলীয়া মহিলাই ব্যৱহাৰ কৰা ভাষাৰূপ প্ৰকাশ পাইছে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# অসমত আলু, পিঁয়াজ প্ৰৱেশত বাধা

প্ৰদান কৰা ঘটনাক লৈ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ফলত বজাৰত হোৱাহোৱে বৃদ্ধি পাইছে আলু-পিঁয়াজৰ দাম। প্ৰতিকেজিত বিশ-পঁচিশ টকাৰ আলু কালিৰে পৰা হৈছে চল্লিছ-পঞ্চাশ টকা। আনহাতে, প্ৰতি কিলোগ্ৰাম পিঁয়াজৰ মূল্য পঞ্চাশৰ পৰা একেকোবে হৈছে গৈ আশী টকা। যাৰ ফলত বজাৰত এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। অসম-বংগ সীমান্তত উত্তৰবংগ আৰক্ষী আৰু আৰক্ষীৰ স্বেচ্ছাসেৱী সংস্থাই কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তুলিছে। অনুৰূপ ধৰণে তৃণমূল কংগ্ৰেছৰ নেতা কৰ্মীয়েও চোকা দৃষ্টি ৰখা পৰিলক্ষিত হৈছে। পশ্চিমবংগৰ পৰা অসমত প্ৰৱেশ কৰা সন্দেহজনক সকলোবোৰ ট্ৰাক তালাচী চলোৱাৰ লগতে বাদ পৰা নাই বলেৰ' পিকআপ ভান জাতীয় সৰু বাহনসমূহও। আজি ভিতৰুৱা পথেৰে ই-ৰিক্সা, ঠেলা আদিৰে স্থানীয় ব্যৱসায়ীসকলে আলু-পিঁয়াজ কঢ়িওৱাৰ ক্ষেত্ৰতো তৃণমূল কংগ্ৰেছৰ নেতা-কৰ্মীয়ে বাধা প্ৰদান কৰিছে। কোচবিহাৰ জিলা প্ৰশাসনে অকল পশ্চিমবংগৰ আলু পিঁয়াজ অসমত ৰপ্তানিত বাধা প্ৰদান কৰা বুলি জানিবলৈ দিয়ে। কিন্তু বাস্তৱত দেখা গৈছে পশ্চিমবংগৰ মাজেৰে অহা অইন ৰাজ্যৰ আলু-পিঁয়াজ কঢ়িওৱা বাহনসমূহকো অসমত প্ৰৱেশ কৰিবলৈ দিয়া হোৱা নাই। কোচবিহাৰ পাৰ হোৱাৰ পিছতে ঘূৰাই পঠোৱা হৈছে। সীমান্তলৈ আহিবই নোৱাৰে। যি দুই এখন পাৰ হৈ আহে সীমান্তৰ কঠোৰ নিৰাপত্তাত আটক হৈ পুনৰ ঘূৰি যাবলগীয়া হৈছে। ইয়াৰ পূৰ্বে জুলাই মাহতো মমতা বেনাৰ্জী নেতৃত্বাধীন চৰকাৰখনে পশ্চিমবংগৰ পৰা আলু-পিঁয়াজ কঢ়িওৱা বাহনৰ অসমত প্ৰৱেশত বাধা প্ৰদান কৰিছিল।

■ ৬নং পৃষ্ঠাৰ পৰা...

# কদমনিত দুৰ্ঘটনাত নিহত স্কুলীয়া ছাত্ৰ

পোৱা গৈছে। প্ৰাপ্ত খবৰ মতে, নগাঁও-ধিং সংযোগী গড়কাপ্তানি পথেৰে নগাঁও চহৰৰ পৰা ধিং অভিমুখে তীব্ৰ বেগত গৈ থকা এ এছ-০২-এ এন ৯৭৪৪ নম্বৰৰ এখন বিলাসী বাহনে পথৰ কাষেৰে গৈ থকা এখন চাইকেলক মহতিয়াই নিয়াত উক্ত দুৰ্ঘটনাটো সংঘটিত হয়। ফলত চাইকেল আৰোহী কদমনি পথাৰ এম ই স্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ জোনাইদ আলমৰ ঘটনাস্থলীতে নিহত হয়। নিহত ছাত্ৰজন বিদ্যালয়ৰ পৰা ছুটীৰ পিছত কদমনি পথাৰৰ নিজ গৃহলৈ বুলি উভতাৰ পথত এনেদৰে দুৰ্ঘটনাত পতিত হৈ কৰুণ মৃত্যুক সাৱটিবলগীয়া হয় । পিছত দুৰ্ঘটনাৰ খবৰ পাই বটদ্ৰৱা আৰক্ষী ঘটনাস্থলিত উপস্থিত হৈ ছাত্ৰজনৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। অৱশ্যে দুৰ্ঘটনাটো সংঘটিত কৰিয়েই ঘাটকৰূপী বিলাসী বাহনখনৰ চালকজনে পলায়ন কৰে বুলি জানিব পৰা গৈছে। মেধাবী ছাত্ৰজনৰ এনে কৰুণ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

৬নং পৃষ্ঠাৰ পৰা...

# শুৱালকুছিত চিকিৎসাৰ অভাৱত ৰোগীৰ

ব্যক্তিগত বাহনেৰে লৈ যোৱা মুহূর্ততে প্ৰায় ১০:৪৫ বজাত মৃত্যু ঘটে। ৰোগীগৰাকীৰ আত্মীয়ই জনোৱা অনুসৰি কামৰূপ জিলাৰ চেঁচা নিবাসী ধীৰেণ কলিতা জ্বৰত আক্ৰান্ত হৈ থকা বাবে কালি দিনৰ ভাগত হাজোৰ বিষ্ণুৰাম মেধি সামূহিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসা কেন্দ্ৰত চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰি ঘৰলৈ গৈছিল। কিন্তু নিশাৰ ভাগত তেঁওৰ পুনৰ অত্যাধিক জ্বৰ, গাঠিঁৰ বিষ আৰু মাত থোকাথুকি হোৱাত নিশা প্ৰায় ৯ বজাত শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়লৈ লৈ আহে। ৰোগীৰ আত্মীয়ই জানিব দিয়া অনুসৰি চিকিৎসকে ৰোগী গৰাকীক কিছু ঔষধ আৰু পৰীক্ষা লিখি দি ঘৰলৈ যাব দিয়ে। সেই সময়তে ৰোগীৰ আত্মীয়ই ধীৰেণ কলিতাৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য কৰি চিকিৎসালয়ত ভৰ্তি কৰিবলৈ বা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰিবলৈ অনুৰোধ জনায়। পৰৱৰ্তী সময়ত চিকিৎসকে ৰোগী গৰাকীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিবলৈ পৰামৰ্শ প্ৰদান কৰে। ৰোগী গৰাকীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ নিবলৈ ১০৮ এম্বুলেঞ্চ সেৱালৈ ফোনেৰে যোগাযোগ কৰি থাকে যদিও প্ৰায় ডেৰ ঘণ্টা পিছত শুৱালকুছিৰ ওচৰে পাজৰে সেই মুহূৰ্তত কোনো এম্বুলেঞ্চ নাই বুলি ১০৮ এম্বুলেঞ্চ কৰ্তৃপক্ষই জানিবলৈ দিয়ে। উপায়বিহীন হৈ ৰোগীৰ আত্মীয়ই এখন ব্যক্তিগত বাহন যোগাৰ কৰি গুৱাহাটীলৈ ৰাওনা হয় যদিও তাৰ প্ৰায় দহ মিনিট মান পিছতেই ধীৰেণ কলিতাৰ শ্বাস-প্ৰশ্বাস বন্ধ হোৱা পৰিলক্ষিত হোৱাত কলিতাক পুনৰ শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়লৈ লৈ আহে আৰু তেতিয়া চিকিৎসকে ৰোগী গৰাকীক মৃত ঘোষোণা কৰে। ৰোগীগৰাকীৰ আত্মীয়ই আক্ষেপ প্ৰকাশ কৰি কয় যে ধীৰেণ কলিতাক তাৎক্ষণিকভাৱে উন্নত চিকিৎসাৰ প্ৰয়োজন আছিল আৰু এখন এম্বুলেঞ্চৰ অভাৱৰ বাবেই তেঁও উন্নত চিকিৎসাৰ পৰা বঞ্চিত হৈ মৃত্যু হ'ল। চিকিৎসালয়খনত সেই সময়ত কৰ্তব্যৰত চিকিৎসক ডাঃ মনোজ কলিতাই ধীৰেণ কলিতা চিকিৎসালয়লৈ অহাৰ সময়ত জ্বৰত আক্ৰান্ত হৈ থকাৰ উপৰিও স্পন্দন অনিয়মীয়া পোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰাৰ পৰামৰ্শ দিছিল যদিও প্ৰায় ডেৰ ঘণ্টা ধৰি এম্বুলেঞ্চৰ অভাৱত চিকিৎসালয় নোপোৱাৰ বাবেই ৰোগীগৰাকীৰ মৃত্যু হোৱাৰ সন্দেহ কৰে। ৰাজ্যৰ স্বাস্থ্য বিভাগে উন্নয়নৰ জয়গান গাই থকা সময়তে এনেদৰে এম্বুলেঞ্চৰ অভাৱত এইদৰে চিকিৎসা অবিহনে ৰোগীৰ মৃত্যু হোৱা ঘটনাই স্বাস্থ্য বিভাগৰ ফোপোলা স্বৰূপ উদঙাই দিছে। কি কাৰণত সংকটজনক অৱস্থাত থকা ৰোগী গৰাকীক ১০৮ এম্বুলেঞ্চ কৰ্তৃপক্ষই এখন এম্বুলেঞ্চ প্ৰেৰণ নকৰিলে সেই সম্পৰ্কত কামৰূপ জিলাৰ উপায়ুক্তক তদন্ত কৰিবলৈ মৃত ধীৰেণ কলিতাৰ পৰিয়ালে দাবী জনাইছে।

৬নং পৃষ্ঠাৰ পৰা...

# নগাঁৱত যোগান বিভাগত দুৰ্নীতি! বিপদত

হৈছে। জানিব পৰা মতে, নগাঁৱত বিয়াগোম দুৰ্নীতিৰ পীঠস্থান খাদ্য,অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উপ-সঞ্চালক গৰাকীয়ে চকুমুদা কুলিৰ ভাওলৈ বিভাগটোত দুৰ্নীতিৰ পোহাৰ মেলিবলৈ সুবিধা প্ৰদান কৰিছে।যাৰ বাবে বিভাগটোৰ একাংশ ঠিকাভিত্তিক কম্পিউটাৰ অপাৰেটৰেও উপ-সঞ্চালক গৰাকীৰ প্ৰমুখ্যে একাংশ পৰিদৰ্শক,উপ-পৰিদৰ্শকৰ ছত্ৰছাঁয়াত অবৈধভাৱে ধন ঘটাৰ সুবিধা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।বিভাগটোত কৰ্মৰত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পৰা উৰ্দ্ধতম কৰ্তৃপক্ষলৈকে সকলোৱে সহজলভ্য ধন ঘটাৰ নানান কৌশল অৱলম্বন কৰি এক প্ৰকাৰে দুখীয়া দৰিদ্ৰ লোকসকলক দীৰ্ঘদিনৰে পৰা হাৰাশাস্তি কৰি আহিছে বুলি অভিযোগ উত্থাপিত হৈ আহিছে। এইক্ষেত্ৰত বিভাগটোৰ কেইবাগৰাকীও পৰিদৰ্শক, উপ-পৰিদৰ্শকৰ নাম সম্প্ৰতি চৰ্চালৈ আহিছে। এইসকল ঘোচখোৰ চৰকাৰী বিষয়াই পদ মৰ্য্যাদা অনুসৰি আৰু শ্ৰমৰ বিনিময়ত ৰাজ্য চৰকাৰৰ পৰা পোৱা বুজন পৰিমাণৰ দৰমহা লাভ কৰি আহিলেও একমাত্ৰ উপঢৌকনৰ আশাত আৰু উপৰুৱা টকা পোৱাৰ লোভ সম্বৰণ কৰিব নোৱাৰি বিভাগটোত গোপনে তথা পৰিকল্পিতভাৱে চলাই আহিছে লুণ্ঠনৰাজ।জানিব পৰা অনুসৰি, নতুন ৰেচন কাৰ্ডত নাম ভৰোৱাৰ অচিলাৰে বিভাগটোৱে জড়িত একাংশ দুৰ্নীতিগ্ৰস্থই দীনদৰিদ্ৰ লোকৰ পৰা দুহাজাৰ টকা পৰ্যন্ত ধন সংগ্ৰহত আত্মনিয়োগ কৰিছে। বহু হিতাধিকাৰীৰ ক্ষেত্ৰত, হিতাধিকাৰীৰ অজ্ঞাতে কাৰোবাৰ ৰেচন কাৰ্ডত নিজৰ নাম সন্নিবিষ্ট হৈ থকাতো এক ৰহস্যজনক কথা। দুখীয়া হিতাধিকাৰীসকলে এনে উদ্ভট সমস্যাৰ সন্মুখীন হৈ অসন্তুষ্টি ব্যক্ত কৰিছে আৰু নতুন কাৰ্ড পাবৰ বাবে আবেদন কৰাৰ ক্ষেত্ৰত এনে সমস্যাই সম্প্ৰতি হেঙাৰ সৃষ্টি কৰিছে।কেৱল সেয়াই নহয়, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অনুজ্ঞাপত্ৰ প্ৰাপক সুলভ মূল্যৰ ব্যৱসায়ী সকলকো বিভাগটোৰে একাংশ বিষয়া-কৰ্মচাৰীয়ে বিভিন্ন প্ৰকাৰে লাঞ্চনা,বঞ্চনা আৰু প্ৰতাৰণা কৰি আহিছে। সামান্য এটি তথ্যৰ শুদ্ধৰণি কৰিবলৈ এজেণ্ট সকলে মাহৰ পাছত মাহ, বছৰৰ পাছত বছৰ অপেক্ষা কৰিব লগা হয়। গ্ৰাহকৰ তথ্যপাতি সমূহ নীতিগতভাৱে সংৰক্ষণ কৰি ৰাখিব নোৱাৰা পৰিদৰ্শক সকলে কিন্তু ক্ষেত্ৰ পৰিদৰ্শন কৰাৰ নামত সমবায় সমিতিৰ সমূহৰ অন্তৰ্গত এজেণ্টসকলৰ পৰা সহজলভ্য ধন সংগ্ৰহত দিন-ৰাতি একাকাৰ কৰি উঠি পৰি লগা পৰিলক্ষিত হয়। স্মৰ্তব্য যে, চলিত বৰ্ষত ৰাজ্য চৰকাৰৰ পৰা একনিষ্ঠ কৰ্মৰ স্বীকৃতিস্বৰূপে কৰ্মশ্ৰী বঁটাৰে বিভূষিত নগাঁও জিলা আয়ুক্তগৰাকীৰ সুনামত কালিমা সানি, তেওঁৰে নিয়ন্ত্ৰণাধীন বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলে আয়ুক্ত গৰাকীকো লজ্জানত কৰিছে তথা এইদৰে অনিয়ম দুৰ্নীতিত নিমৰ্জ্জিত হৈ সচেতনমহলৰ দৃষ্টি আকৰ্ষণ কৰিছে। যাৰ বাবে নগাঁৱত বিয়াগোম দুৰ্নীতিৰ এক অন্য নাম যোগান বিভাগ বুলি বিশেষভাৱে চৰ্চালৈ আহিছে। আনহাতে, সংখ্যালঘু ৰাইজৰ পৰা এক প্ৰকাৰে শোষণ কৰি পোৱা উপঢৌকনৰ সোৱাদ পৰিগ্ৰহণ কৰি আৰু সংখ্যালঘু বসতিপ্ৰধান অঞ্চলৰ একাংশ সুলভ মূল্যৰ ব্যৱসায়ীৰ স্বাৰ্থ পূৰণৰ বাবে বিভাগটোৰ কাৰ্যালয়ত জৰুৰীকালীন সেৱাৰ নামত দুপৰ নিশালৈকে কাৰ্ড দিয়াৰ নামত চলে বুজাবুজি চুক্তি। সম্প্ৰতি এই বিয়াগোম বিভাগটোত কৰ্মৰত ঠিকাভিত্তিক কম্পিউটাৰ অপাৰেটৰ সকলেও পৰিদৰ্শক সকলৰ দোহাই দি উঠি ৰজা আৰু বহি ৰজাৰ ভূমিকা পালন কৰা পৰিলক্ষিত হৈ আহিছে। সেইদৰে অনুজ্ঞাপত্ৰ প্ৰাপক সুলভ মূল্যৰ ব্যৱসায়ীসকলৰ কামবোৰ কম্পিউটাৰ অপাৰেটৰসকলে নিষ্ঠাৰে তথা নিয়াৰিকৈ আৰু সন্মান সহকাৰে কৰাতকৈ বেঁকা-পথেৰে সংগ্ৰহিত ধনৰ অংশ ভাগবতোৱাৰ কৰাতহে অধিক মনোনিৱেশ আৰু ব্যস্তহৈ পৰে বুলি অভিযোগ উত্থাপিত হৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী, যোগান বিভাগৰ মন্ত্ৰী তথা নগাঁও জিলাৰ আয়ুক্তগৰাকীয়ে বিষয়বোৰ কিদৰে বিবেচনা কৰিব এয়া সময়তহে পৰিস্ফুটো হ'ব। উল্লেখ্য যে, নগাঁৱৰ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে সংঘটিত কৰি অহা সকলো দুৰ্নীতি আৰু অনিয়ম সন্দৰ্ভত তথ্য সহকাৰে তথা পদবী অনুযায়ী বিষয়াসকলৰ নাম উল্লেখেৰে পৰৱৰ্তী প্ৰতিবেদন প্ৰকাশ পাব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

৬নং পৃষ্ঠাৰ পৰা...

# মাজুলীত ভীমবৰ দেউৰী দিৱস পালন

কৰিছিল। শনিবাৰে মাজুলীৰ মাজৰ দেউৰী ট্ৰাইবেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনত অনুষ্ঠিত জননেতা ভীমবৰ দেউৰীৰ ৭৭ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে অনুষ্ঠিত ভীমবৰ দেউৰী দিৱস ২০২৪ৰ মুকলি সভাত ভাষণত এইদৰে কয় কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৃষ্ঠপোষকতাত দেউৰী স্বায়ত্ব শাসিত পৰিষদ আৰু দেউৰী ছাত্ৰসন্থাৰ যৌথ উদ্যোগত অনুষ্ঠিত দিৱসৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী মাৰ্ঘেৰিটাই আৰু কয় যে ভীমবৰ দেউৰী কেৱল দেউৰী সমাজৰে নহয়, সমগ্ৰ অসমীয়াৰ জনজীৱনৰ উজ্জ্বল নক্ষত্ৰ। এই অনুষ্ঠানৰ যোগেদি ভীমবৰ দেউৰীৰ জীৱন গাঁথা অৱলোকন হৈছে যিটো নৱপ্ৰজন্মৰ বাবে খুবেই প্ৰয়োজনীয়। ইফালে ড° হিমন্ত বিশ্ব শৰ্মাই জনজাতীয় লোকৰ কল্যাণৰ বাবে বহুখিনি কাম হাতত লোৱা বুলি উল্লেখ কৰি ইয়াৰ জৰিয়তে দেউৰী সমাজৰ সামাজিক, সাংস্কৃতিক তথা আধ্যাত্মিক বিকাশ যাত্ৰাতো ই অৰিহণা যোগাইছে বুলি তেওঁ উল্লেখ কৰে। দেউৰী ভাষাত পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত উপস্থিত থাকি মাজুলীৰ বিধায়ক ভূবন গাম, যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপিকা ড০ জ্যোতিৰেখা হাজৰিকা, দেউৰী স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ভৈৰৱ দেউৰী, মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, আৰক্ষী অধীক্ষক বিৱেকানন্দ দাস, বিশিষ্ট সাহিত্যিক, প্ৰমুখ্যে দেউৰী জনগোষ্ঠীৰ দল-সংগঠনৰ নেতৃবৰ্গ উপস্থিত থাকি ভীমবৰ দেউৰীৰ জীৱনাদৰ্শৰ ওপৰত আলোকপাত কৰে। ইফালে অনুষ্ঠানৰ শেষত মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই বিভিন্ন বিষয় সন্দৰ্ভত সাংবাদিকৰ আগত বহুকেইটা গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ইয়াৰ ভিতৰত মাৰ্ঘেৰিটাই মাজুলীত ৮ টাকৈ স্থানত বাছ আস্থান নিৰ্মাণৰ বাবে ৩০ লাখ টকাৰ পুঁজি ঘোষণা কৰে। মাজুলীৰ এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাবেও মন্ত্ৰী মাৰ্ঘেৰিটাই ২০ লাখ টকাৰ আন এক পুঁজিত ঘোষণা কৰে। ইফালে যোৰহাট-মাজুলী সংযোগী দলঙৰ স্থবিৰতাৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, "ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত, সৰ্বানন্দ সোণোৱাল, মই আৰু সাংসদ দিলীপ শইকীয়াই কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰীৰ সৈতে দলং সন্দৰ্ভত এখন বৈঠকত মিলিত হৈছিলোঁ। য'ত বিভাগৰ উচ্চস্তৰীয় বিষয়া উপস্থিত আছিল। সেই বৈঠকতে দলং সন্দৰ্ভত ইতিবাচক সঁহাৰি লাভ কৰা হৈছিল আৰু তাৰ পিছতহে মাজুলীৰ বিধায়ক, সত্ৰাধিকাৰ সমন্বিতে প্ৰতিনিধি দলে নীতিন গাডকাৰীক সাক্ষাৎ কৰিছিল।" লগতে তেওঁ সোনকালেই দলং সন্দৰ্ভত ভাল খবৰ আহিব বুলিও উল্লেখ কৰে। ইফালে শেহতীয়াকৈ পাঁচ সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফল সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে উপ-নিৰ্বাচনত বিজেপি ৫ আৰু কংগ্ৰেছ শূন্য। কিন্তু গৌৰৱ গগৈৰ কথা শুনি এনে লাগিছে যে কংগ্ৰেছে ৫ খনত জিকেছে আৰু বিজেপি শূন্য হোৱাৰ দৰে। বিৰোধী বিধায়কসকলে সমালোচনা কৰি থাকে। কিন্তু উন্নয়নৰ বাবে মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীক লগ ধৰিবলৈ নাযায়। যাৰ বাবে ৰাইজ ভুক্তভোগী হৈছে। ইফালে ডিব্ৰুগড় হৈ মাজুলীত উপস্থিত হোৱা মন্ত্ৰীগৰাকীয়ে পুনৰ অফলামুখ ঘাটৰ ফেৰীৰে যোৰহাটলৈ ৰাওনা হোৱাৰ সময়ত ব্ৰহ্মপুত্ৰৰ মাজত সূৰ্যাস্তৰৰ চকু থৰ হৈ যোৱা অপৰূপ সৌন্দৰ্যত আপোন পাহৰা হোৱাৰ লগতে যোৰহাট-মাজুলী সংযোগী নিৰ্মীয়মান দলঙৰ কাম পুনৰ শীঘ্ৰে আৰম্ভ হ'ব বুলি নিজৰ ফেচবুক লাইভযোগে অৱগত কৰে। ইফালে লাভ জেহাদ সন্দৰ্ভত মন্ত্ৰী মাৰ্ঘেৰিটাই কয় যে লাভ জেহাদ কি এতিয়া ৰাইজে বুজি পাইছে। এতিয়া আমাৰ জীয়ৰী-বোৱাৰী সকলো সচেতন হৈছে। আমাৰ জীয়ৰী-বোৱাৰীসকল সুৰক্ষিত হৈ থকাৰ দিশত সমাজো সচেতন হোৱা প্ৰয়োজন। তাৰ মাজতে দুই এটা ঘটনা সংঘটিত হৈছে। কিন্তু ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰ এই ক্ষেত্ৰত কঠোৰ হৈছে। উল্লেখযোগ্য যে বৰপেটা ৰোডত মাজুলীৰ এগৰাকী যুৱতী লাভ জেহাদৰ বলি হৈ ৰহস্যজনক মৃত্যু হোৱাৰ এক অভিযোগে এতিয়া মাজুলীত ব্যাপক চৰ্চা অব্যাহত আছে। এনে ঘটনাৰ যাতে পুনৰাবৃত্তি হ'ব নোৱাৰে তাৰ বাবে সকলোকে সচেতনো কৰাৰ ব্যৱস্থা কৰা হৈছে।

৬নং পৃষ্ঠাৰ পৰা...

# আমগুৰি মিনি ষ্টেডিয়ামত তাণ্ডৱ

তদানীন্তন ক্ৰীড়া মন্ত্ৰী প্ৰয়াত প্ৰবীণ গগৈয়ে আগবঢ়োৱা চৰকাৰী অনুদানেৰে ষ্টেডিয়ামৰ নিৰ্মাণ কাৰ্য আৰম্ভ হৈছিল। পৰৱৰ্তী সময়ত বহু বাধাৰ মাজেৰে বিভিন্ন চৰকাৰী অনুদান, ব্যক্তিগত দান-বৰঙণি, ক্ৰীড়ানুৰাগীৰ অক্লান্ত শ্ৰম আৰু ত্যাগৰ বিনিময়ত হাবি-জংঘলৰ পৰা খেলাৰ উপযোগী কৰি তোলা হয় মিনি ষ্টেডিয়ামখন। সম্প্ৰতি অসম চৰকাৰৰ ছিগনেচাৰ আঁচনিৰ অধীনত ৰাষ্ট্ৰীয় পৰ্যায়ৰ মানদণ্ডেৰে পুনঃনিৰ্মাণ কৰা হৈছে ষ্টেডিয়ামখন। সুদীৰ্ঘ কেইবাটাও বৰ্ষৰ অন্তত অঞ্চলবাসীয়ে লাভ কৰা এই ৰাজহুৱা সম্পদটোৰ সুৰক্ষা আৰু সু-পৰিচালনাৰ স্বাৰ্থত ষ্টেডিয়াম পৰিচালনা সমিতি তথা আমগুৰি ক্ৰীড়াসন্থাৰ সিদ্ধান্ত মৰ্মে ষ্টেডিয়ামখনত আবেদনৰ ভিত্তিত নিৰ্ধাৰিত সময়ৰ বাবে ক্ৰীড়াসূচী ৰূপায়ণ বা ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে স্থানীয় ক্ৰীড়া অনুষ্ঠান, শিক্ষানুষ্ঠানসমূহক অনুমতি প্ৰদান কৰি অহা হৈছে যদিও নৱনিৰ্মিত এই ৰাজহুৱা সম্পদটিৰ কিছু আন্তঃগাঁঠনিৰ কাম আৰু চৌদহৰ বেৰ নিৰ্মাণ সম্পূৰ্ণ হ'বলৈ এতিয়াও বাকী আছে। আন্তঃগাঁঠনিৰ কাম বাকী থকাৰ সুবিধা লৈ বিগত কিছুদিনৰ পৰা একাংশ দুস্কৃতিকাৰীয়ে ষ্টেডিয়ামত প্ৰৱেশ কৰি পানীৰ পাইপ ভঙা, বিদ্যুৎ যোগান ব্যৱস্থাৰ ক্ষতি কৰা, বাস্কেট বলৰ ক'ৰ্টলৈ ইটা আৰু মদৰ বটল দলিওৱা, সামগ্ৰী চুৰ কৰাৰ লগতে বাৰম্বাৰ গেটৰ তলা ভাঙি তাণ্ডৱ চলাই আহিছে। সেয়েহে আমগুৰি ক্ৰীড়াসন্থাৰ তৰফৰ পৰা দুস্কৃতিকাৰীক এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ আহ্বান জনোৱাৰ লগতে ইয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় প্ৰশাসন, জিলা আয়ুক্ত আৰু স্থানীয় থানাত আবেদন জনাইছে।

৬নং পৃষ্ঠাৰ পৰা...

# সংগ্ৰামী নেতা দুলদুল বৰকটকীৰ

কৰাৰ বাবে সংকল্প লৈছিল প্ৰয়াত আছু নেতাগৰাকীয়ে। আছুৰ সাংগাঠনিক মজিয়াৰ পৰা ব্যতিক্ৰম চিন্তাৰে বাস্তৱায়িত কৰিছিল সমন্বয় আৰু ভ্ৰাতৃত্ববোধ। সকলোকে একতাৰ এনাজৰীৰে বান্ধি শান্তি-সম্প্ৰীতি-সমৃদ্ধি আৰু বিকাশৰ পথত প্ৰদান কৰিছিল নতুন গতি। প্ৰতি বছৰে অসম-অৰুণাচল সীমান্তৱৰ্তীৰ ৰাইজক লৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকীত উদযাপন কৰিছিল সমন্বয়ৰ দিন। ৫ নৱেম্বৰ দিনটোক সমন্বয়ৰ দিন তথা মৃত্যুঞ্জিনাৰ দিন হিচাপে পালন কৰা দুলদুল বৰকটকীৰ অনন্য নিৰ্দৰ্শন চৰ্চিত হৈছিল সমগ্ৰ অসমত। বড়ো, চাওঁতালী, নেপালী, গাৰো, আদিবাসী, চাহ জনগোষ্ঠী, কাৰ্বি, বঙালী, ভোজপুৰী আদি কেইবাটাও ভাষাত গোৱাইছিল 'মানুহে মানুহৰ বাবে' গীতটি। লগতে সমস্বৰে অসমীয়া ভাষাত গীতটি গোৱাই মানুহৰ মাজলৈ লৈ গৈছিল সমন্বয়ৰ বাৰ্তা। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত দুলদুল বৰকটকীয়ে অসমৰ জাতীয় জীৱনৰ জ্বলন্ত সমস্যাসমূহৰ উপৰি বিভিন্ন অভাৱ-অভিযোগৰ ওপৰত সততে মাত মাতিছিল। প্ৰাক্তন আছুনেতাগৰাকীৰ বিয়োগত বিশ্বনাথৰ লগতে সমগ্ৰ ৰাজ্যতে শোকৰ ছাঁ পৰিছে। ইতিমধ্যে বিশ্বনাথ সদৰৰ লগতে জিলাখনৰ অন্তৰ্গত বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ বন্ধ ৰাখি দুলদুল বৰকটকীলৈ সন্মান প্ৰদৰ্শন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হৈছে। আনহাতে বিশ্বনাথ আছুৰে বিভিন্ন জাতীয় দল-সংগঠনৰ সহযোগত বিশ্বনাথ চাৰিআলিৰ বীণাপাণি নাট্য মন্দিৰ, পাভৈ ৰূপজ্যোতি কলা পৰিষদৰ লগতে কেইবাটাও স্থানত আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিভিন্ন দল-সংগঠনৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বৰকটকীৰ নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইতিমধ্যে সম্পন্ন হৈছে প্ৰয়াত আছুনেতাগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া।

# শিৱসাগৰ হলিনেম এইচ এছ স্কুলত অভিভাৱক দিৱস উদযাপন

**ই-সংবাদ, শিৱসাগৰ, ৩০ নৱেম্বৰঃ** শিৱসাগৰ চেৰেকাপাৰস্থিত আগশাৰী শিক্ষানুষ্ঠান হলিনেম ছিনিঅ'ৰ ছেকেণ্ডাৰী স্কুলত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা বাৰ্ষিক অভিভাৱক দিৱস তথা এনুৱেল পেৰেণ্টছ ডেৰ আজি সামৰণি পৰে। কালি পুৱা স্কুলখনৰ ভাইচৰ জেনেৰেল জ'ছ মুলাপৰমপিলে বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰা অনুষ্ঠানৰ পাৰম্ভণিতে অতিথিসকলক বিদ্যালয়খনৰ স্কাউট গাইডে আদৰি নিয়ে। প্ৰথম দিনা প্ৰাক প্ৰাথমিকৰ পৰা পঞ্চম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলে গীত, নৃত্য, অভিনয় আদি পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। দ্বিতীয় দিনা ষষ্ঠ শ্ৰেণীৰপৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে অনুষ্ঠান পৰিৱেশন কৰে। দলীয় নৃত্য, সংগীতানুষ্ঠান, উলিয়াম ছেইক্সপিয়েৰ সৃষ্ট বিখ্যাত নাটক ‘মেকবেইথ’ আদি মঞ্চস্থ কৰে ছাত্ৰ-ছাত্ৰীসকলে। প্ৰথম দিনাৰ অনুষ্ঠানসমূহত যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড০ অৰুণ চাংকাকতি, উৎপল দত্ত, ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰণৱ বৰুৱাসহ বহুকেইখন শিক্ষানুষ্ঠানৰ অধ্যক্ষ তথা প্ৰধান শিক্ষক, গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ইপিনে, আজি মুখ্য অতিথি হিচাপে উপস্থিত থাকে অতিৰিক্ত আয়ুক্ত(শিক্ষা) মীনাক্ষী পাৰমে', বিশিষ্ট শিল্পী মাখন বৰা, শৰীৰচৰ্চাবিদ, প্ৰাক্তন মিষ্টাৰ ইণ্ডিয়া বিজিৎ গগৈসহ বহু সংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। লক্ষ্যনীয় যে, হলিনেম স্কুল কৰ্তৃপক্ষই বিদ্যায়তনিক দিশসমূহৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক মানসিক বিকাশৰ বাবে, কলা আৰু সংস্কৃতিৰ দিশতো ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি যাব পৰাকৈ গ্ৰহণ কৰে কাৰ্যসূচীসমূহ। এই বাৰ্ষিক অভিভাৱক দিৱসে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সম্পৰ্কক সুদৃঢ় কৰাৰ লগতে অভিভাৱকসকলকো বিদ্যালয় কৰ্তৃপক্ষৰ অধিক ওচৰ চপাই অনাত সহায়ক কৰিব বুলি মত প্ৰকাশ কৰিছে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকল কোন কোন দিশত আগবাঢ়ি গৈছে সেই বিষয়েও জনাত এই দিৱসে সহায় কৰিব বুলি আশা প্ৰকাশ কৰিছে। ইয়াৰ উপৰি এক সুন্দৰ পৰিৱেশত সকলো অভিভাৱকক একলগ হ'বলৈ সুযোগ দিয়া প্ৰচেষ্টাই একতা, সহযোগিতা দায়িত্ববোধ বৃদ্ধি কৰিব বুলি মন্তব্য কৰিছে অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা বিজিত গগৈয়ে।



**ছেখোৱাত আছুৰ সজাগত সপ্তাহ পালন**

## নিৰ্যাতনৰ বলি হৈ চিকিৎসাধীন শিক্ষয়িত্ৰী গীতাঞ্জলী কলিতা

# শুৱালকুছিৰ এঞ্জেলছ ইংলিছ স্কুলত মানসিক নিৰ্যাতনৰ বলি শিক্ষয়িত্ৰী

ই-সংবাদ, শুৱালকুছি, ৩০ নৱেম্বৰঃ শুৱালকুছি এঞ্জেলছ ইংলিছ স্কুলৰ শিক্ষয়িত্ৰী গীতাঞ্জলী কলিতা বিদ্যালয় পৰিচালনা সমিতিৰ মানসিক নিৰ্যাতনৰ বলি হৈ শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়ত চিকিৎসাধীন হ'ব লগা হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে শুৱালকুছিৰ শৈক্ষিক মহলত। শিক্ষয়িত্ৰী গীতাঞ্জলী কলিতাৰ সহকৰ্মী আৰু পৰিয়ালে জনোৱা অনুসৰি বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰৱেশ কৰাৰ শেষ সময় পুৱা ৮ বাজি ৪৫ মিনিট। আজিৰ পৰা চাৰিদিন পূৰ্বে শিক্ষয়িত্ৰী গীতাঞ্জলী কলিতাই নিয়ম অনুসৰি পুৱা ৮ বাজি ৪১ মিনিটত বিদ্যালয়ত প্ৰৱেশ কৰিছিল যদিও স্কুল পৰিচালনা সমিতিৰ সম্পাদক ৰত্নেশ্বৰ কলিতাই বিদ্যালয়ত পলমকৈ উপস্থিত হোৱাৰ অভিযোগেৰে অকথ্য গালি-গালাজ কৰে। সম্পাদক ৰত্নেশ্বৰ কলিতাৰ এনে ব্যৱহাৰত অতিষ্ঠ হৈ বিষয়টো সম্পৰ্কত শিক্ষয়িত্ৰী গীতাঞ্জলী কলিতাই একাংশ সহকৰ্মী শিক্ষকৰ চহী লৈ পৰিচালনা সমিতিলৈ এখন পত্ৰ লিখে। পত্ৰখন এই মুহূৰ্তলৈ পৰিচালনা সমিতিক প্ৰেৰণ কৰা হোৱা নাই যদিও পৰিচালনা সমিতিয়ে সম্পাদক ৰত্নেশ্বৰ কলিতাৰ বিৰুদ্ধাচৰণ কৰা বিষয়টো জানিব পাৰি আজি স্কুল পৰিচালনা সমিতিৰ সভাপতি পৰমানন্দ দাসে পুনৰ শিক্ষয়িত্ৰী গীতাঞ্জলী কলিতাক মাতি আনি গালি-গালাজ পাৰি মঙলবাৰৰ পৰা বিদ্যালয়লৈ আহিব নালাগে বুলি জনাই দিয়ে। পৰিচালনা সমিতিৰ মানসিক নিৰ্যাতনৰ বাবে অতিষ্ঠ হৈ থকা শিক্ষয়িত্ৰীগৰাকী পৰিস্থিতি সহ্য কৰিব নোৱাৰি মূৰ্চ্ছা গৈ বাগৰি পৰে। লগে লগে শিক্ষয়িত্ৰীগৰাকীৰ সহকৰ্মীসকলে তেওঁক শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়ত ভৰ্তি কৰে। কিন্তু বিদ্যালয় পৰিচালনা সমিতিৰ কোনো সদস্যই বাতৰি লিখা সময়লৈ শিক্ষয়িত্ৰীগৰাকীৰ কোনো খবৰ লোৱা নাই বুলি জানিব পৰা গৈছে। শিক্ষানুষ্ঠানখনৰ আন শিক্ষক-শিক্ষয়িত্ৰীসকলকো পৰিচালনা সমিতিৰ বিষয়ববীয়াই সামান্য কথাতে অকথ্য গালি-গালাজ পৰাবো গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এঞ্জেলছ ইংলিছ স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে পৰিচালনা সমিতিৰ বিষয়ববীয়াৰ এনে আচৰণ দুৰ্ভাগ্যজনক বুলি জানিবলৈ দিছে। ইফালে, অসৎ চৰিত্ৰৰ পৰিচালনা সমিতিৰ সম্পাদক ৰত্নেশ্বৰ কলিতাই শিক্ষানুষ্ঠানখনৰ শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীক সুযোগ লোৱাৰ অপচেষ্টা চলোৱাৰ গুৰুতৰ অভিযোগ আনিছে শিক্ষয়িত্ৰী গীতাঞ্জলী কলিতাৰ স্বামীয়ে। পৰিচালনা সমিতিৰ সভাপতি পৰমানন্দ দাসেও বিদ্যালয় চৌহদৰ ভিতৰতেই চিগাৰেট সেৱন কৰি শৈক্ষিক পৰিৱেশ বিনষ্ট কৰে বুলিও শিক্ষানুষ্ঠানখনৰ একাংশ শিক্ষাৰ্থীয়ে জানিবলৈ দিছে।



**অসম ৰাজ্যিক ৰাজহুৱা সেৱা অধিকাৰ প্ৰাধিকৰণৰ আনুষ্ঠানিক শুভাৰম্ভণি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ**

# হাজো আৰক্ষীৰ তৎপৰতাত এঘণ্টাৰ ভিতৰত চুৰি বাইক উদ্ধাৰ

**ই-সংবাদ, হাজো, ৩০ নবেম্বৰ :** হাজো আৰক্ষীৰ তৎপৰতাৰ বাবে এঘণ্টাৰ ভিতৰত এখন চুৰি মটৰ চাইকেল উদ্ধাৰ। জানিব পৰা মতে, কালি নিশা প্ৰায় এঘাৰ বজাত ৰাজা মজুমদাৰ নামৰ যুৱকজনে হাজো ধোপৰগুৰিস্থ নিজ বাসভৱনত কৰ্মস্থলীৰ পৰা আহি এএছ০১ বি জে ৫৯৫৩ নম্বৰৰ ৰঙা ৰঙৰ গ্লেমাৰ মটৰ চাইকেলখন ৰখাই চৌহদৰ গেট খোলাৰ সময়তে মটৰ চাইকেলেৰে অহা দুই যুৱকে ৰখাই থোৱা লৈ মটৰ চাইকেল লৈ উধাও হয়। নিশাৰ ভাগত শীতৰ প্ৰকোপ বৃদ্ধি পোৱাত বিষয়টো আৰক্ষীক অৱগত কৰা হোৱা নাছিল যদিও ৰাতিপুৱাৰ ভাগত হাজো আৰক্ষী থানাত নিজৰ গ্লেমাৰ মটৰ চাইকেলখন চুৰি হোৱা সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰে গৰাকী ৰাজা মজুমদাৰে। হাজো আৰক্ষীয়ে তৎমুহূৰ্ততে নিকটৱৰ্তী আৰক্ষী থানা সমূহক অৱগত কৰে ঘটনা সন্দৰ্ভত। এই খবৰৰ ভিত্তিত কমলপুৰ আৰক্ষীৰ সহযোগত পানীটেমাৰ পৰা চুৰি হোৱা মটৰ চাইকেলখন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। হাজো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৰিদৰ্শক নৱজিৎ নাথৰ তাৎক্ষণিক তৎপৰতাৰ বাবে মাত্ৰ এঘণ্টাৰ ভিতৰতে মটৰ চাইকেলখন উদ্ধাৰ হোৱাত মটৰ চাইকেলৰ গৰাকী ৰাজা মজুমদাৰে আনন্দিত হৈ এখন ফুলাম গামোছাৰে সম্ভাষণ জনায় আৰক্ষী পৰিদৰ্শক নৱজিৎ নাথক। খবৰ পোৱা মাত্ৰকে এক ঘণ্টাৰ ভিতৰত চুৰি হোৱা মটৰ চাইকেলখন উদ্ধাৰ কৰি কৰ্ম দক্ষতাৰ পৰিচয় দাঙি ধৰাত আৰক্ষী বিষয়াগৰাকীৰ কাৰ্যক শ'লাগ লৈছে স্থানীয় ৰাইজে।

# গোলকগঞ্জৰ গো-মাফিয়া ড্ৰাগছসহ আটক পশ্চিমবংগত

**ই-সংবাদ, গোলকগঞ্জ, ৩০ নৱেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত পশ্চিম গাইখোৱাৰ কুখ্যাত গো-মাফিয়া কালাচান্দ সেখ যোৱা নিশা ড্ৰাগছসহ কাষৰীয়া ৰাজ্য পশ্চিমবংগৰ তুফানগঞ্জ আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গো-মাফিয়া কালাচান্দ গোলকগঞ্জ আৰক্ষীৰ লগতে ভাৰত-বাংলাদেশ সীমান্তৰ নিৰাপত্তাৰ দায়িত্বত থকা বিএছএফৰো নিদ্ৰা হৰণ কৰিছে। তেওঁৰ বিৰুদ্ধে গোলকগঞ্জ থানাত বাংলাদেশলৈ গৰুৰ চালান দিয়া, কাঁইটীয়া তাঁৰৰ বেৰ কটাকে ধৰি আছে ভালেকেইটা গোচৰ। আৰক্ষীয়ে বিচাৰি আছিল যদিও কুখ্যাত মাফিয়াজনে আত্মগোপন কৰি গোপনে চলাই আহিছে গো-ধন আৰু ড্ৰাগছ সৰবৰাহ। যোৱা নিশা AS-17 J-5872 নম্বৰৰ পালছাৰ বাইকেৰে বালাভূত হৈ তুফানগঞ্জ অভিমুখে গৈ থাকোঁতে মধ্য বালাভূতত থকা অস্থায়ী তালাচীত আৰক্ষীয়ে আটক কৰে। গোপন খবৰৰ ভিত্তিত আৰক্ষীয়ে আটক কৰি তালাচী চলাওঁতে ৪১৩ টা নিষিদ্ধ য়াবা টেবলেট উদ্ধাৰ কৰে। তুফানগঞ্জ আৰক্ষীয়ে কুখ্যাত গো-মাফিয়া কালাচান্দ সেখক আটক কৰি আজি তুফানগঞ্জ আদালতত হাজিৰ কৰাৰ পিছত পাঁচ দিনৰ জিম্মাত লয়।



ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ শুভাৰম্ভণী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা



অসমৰ চাহ উদ্যোগৰ সম্ভাৱনা আৰু সংকটক লৈ কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলৰ সৈতে আলোচনা মুখ্যমন্ত্ৰীৰ

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমুদ্ৰ বৈশ্য শ্ৰেষ্ঠ তাৰ্কিক নিৰ্বাচিত

# বঙাইগাঁও মহাবিদ্যালয়ত অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা

**ই-সংবাদ, বঙাইগাঁও, ৩০ নৱেম্বৰঃ** ১৯৬৪ চনত স্থাপন হোৱা বঙাইগাঁও মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদযাপনৰ স্মৃতিত শনিবাৰে মহাবিদ্যালয় প্ৰেক্ষাগৃহত হীৰক জয়ন্তী উদযাপন সমিতিৰ উদ্যোগত 'ভৱিষ্যতে কৃত্ৰিম বুদ্ধিমত্তা(এ আই)ই মানৱ শ্ৰম দখল কৰিব' শীৰ্ষক বিষয়ত সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ তৰ্ক আৰু আলোচনা চক্ৰ কোষৰ আহ্বায়ক পুলকেশ দাসে আঁত ধৰা অনুষ্ঠানটো বস্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হৰেন চন্দ্ৰ চক্ৰৱৰ্তীয়ে। বঙাইগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দীনেশ দাসে আদৰণি ভাষণ ৰখা অনুষ্ঠানটোৰ অধ্যক্ষতা কৰে মহাবিদ্যালয়খনৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক প্ৰদীপ কুমাৰ গোস্বামীয়ে আৰু বিচাৰক হিচাপে উপস্থিত থাকে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড০ পৰাণ কুমাৰ বৰ্মন, বঙাইগাঁও মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড০ ৰিপুঞ্জয় বেজবৰুৱা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ শ্ৰেষ্ঠ তাৰ্কিক মুন তালুকদাৰ। গুৱাহাটী বিশ্ববিদ্যালয়, ভট্টদেৱ বিশ্ববিদ্যালয়কে ধৰি অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ ২৪ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ তাৰ্কিক হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমুদ্ৰ বৈশ্য নিৰ্বাচিত হয়। আনহাতে, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ে প্ৰথম পুৰস্কাৰ, গুৱাহাটী বিশ্ববিদ্যালয়ে দ্বিতীয় পুৰস্কাৰ আৰু বঙাইগাঁও মহাবিদ্যালয়ে তৃতীয় পুৰস্কাৰ লাভ কৰে। পুৰস্কাৰ হিচাপে ট্ৰফী আৰু নগদ ধন আগবঢ়োৱা হয়।

# বালাজানত নিষিদ্ধ মাংসসহ ই-ৰিক্সা জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ৩০ নৱেম্বৰঃ** ধুবুৰী জিলাৰ বালাজান আৰক্ষী চকীৰ অন্তৰ্গত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ গো-মাংসসহ এখন ই-ৰিক্সা জব্দ কৰে। জানিব পৰা মতে, আগমনি থানাৰ খেৰবাৰী অঞ্চলৰে প্ৰতিদিন পুৱা পশ্চিমবংগৰ পৰা আমদানি হয় নিষিদ্ধ গো-মাংস। বিশেষকৈ পঞ্চাশ-ষাঠিখন বাইকেৰে নিতৌ কঢ়িয়ায়। শেহতীয়াকৈ বালাজান এলেকাত ধৰা পৰা ই-ৰিক্সাখনৰ আসনৰ তলত নিষিদ্ধ মাংস লুকুৱাই চোৰাং ব্যৱসায় চলাই আহিছিল। বালাজান আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত ই-ৰিক্সাখন আটক কৰে যদিও চালকজন পলাবলৈ সক্ষম হয়। ই-ৰিক্সাৰ আসনৰ তলৰ পৰা এক কুইণ্টলৰো অধিক গো-মাংস উদ্ধাৰ কৰে।

# ছাব নেচনেল ইমুনাইজেচন ডে'ৰ জিলা টাস্ক ফৰ্চৰ সভা সম্পন্ন

ই-সংবাদ, পুৰণিগুদাম, ৩০ নৱেম্বৰঃ নগাঁও জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা উন্নয়ন আয়ুক্ত গুণজিৎ কাশ্যপৰ সভাপতিত্বত ছাব নেচনেল ইমুনাইজেচন ডে'(Sub National Immunization Day)ৰ জিলা টাস্ক ফৰ্চৰ সভাখন অনুষ্ঠিত হৈ যায়। সভাত অসমৰ ২৭ খন জিলাৰ লগতে নগাঁও জিলাত অহা ৮ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া ছাব নেচনেল ইমুনাইজেচন ডে সম্পৰ্কে আলোচনা কৰা হয়। এই ছাব নেচনেল ইমুনাইজেচন ডে উপলক্ষে ৮ ডিচেম্বৰত জন্মৰ পৰা ৫ বছৰ বয়সলৈকে সকলো শিশুকে প্ৰতিষেধক প্ৰদান কেন্দ্ৰসমূহত পলিঅ' সেৱন কৰোৱা হ'ব। অহা ৯ আৰু ১০ ডিচেম্বৰ তাৰিখে বাদ পৰি ৰোৱা শিশুসকলক স্বাস্থ্যকৰ্মীসকলে ঘৰে ঘৰে গৈ পলিঅ' সেৱন কৰাব। আজিৰ সভাত জিলা প্ৰতিষেধক বিষয়া ডাঃ মুকুট ডেকাই বৰ্তমান জিলাখনৰ টিকাকৰণৰ হাৰৰ স্থিতি সন্দৰ্ভত দৃশ্য-শ্ৰব্য মাধ্যমেৰে সভাত দাঙি ধৰে আৰু খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত বিষয়াসকলক তেওঁলোকৰ মাইক্ৰ' প্লেন(Micro plan)সমূহ সোনকালে জমা দিবৰ বাবে আহ্বান জনায়। সভাত জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ফণী পাঠকে জিলাখনৰ চৰ-চাপৰি অঞ্চল, ইটাভাটা, উদ্যোগ আৰু নগৰৰ বস্তি অঞ্চলসমূহৰ ৫ বছৰৰ তলৰ কোনো শিশু যাতে এই প্ৰতিষেধক লাভৰ পৰা বঞ্চিত নহয় তাৰ প্ৰতি স্বাস্থ্য বিভাগৰ কৰ্মীসকলক সতৰ্ক দৃষ্টি ৰাখিবলৈ আহ্বান জনায়। জিলা উন্নয়ন আয়ুক্তগৰাকীয়ে সভাত উপস্থিত থকা সকলো সংলগ্ন বিভাগৰ বিষয়াক এই প্ৰতিষেধক অভিযানৰ সফল ৰূপায়ণৰ বাবে তেওঁলোকৰ সহযোগিতা আন্তৰিকতাৰে কামনা কৰে। আজিৰ এই সভাত জিলা মুখ্য স্বাস্থ্য বিষয়া ডাঃ বিনাপানী নেওগৰ লগতে সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

চৰাইদেউ জিলা স্বাস্থ্য সমিতিয়ে সংবাদমেলত কৰিলে ঘোষণা

# অহা তিনি ডিচেম্বৰৰ পৰা চৰাইদেউ জিলাত স্বাস্থ্য সেৱা উৎসৱ

**ই-সংবাদ, সোণাৰি, ৩০ নৱেম্বৰঃ** সমগ্ৰ ৰাজ্যৰ লগতে চৰাইদেউ জিলাতো জিলাখনৰ সৰ্বমুঠ ৩৮খন চিকিৎসা প্ৰতিষ্ঠান সামৰি অহা ৩ ডিচেম্বৰৰ পৰা তিনিদিনীয়াকৈ আৰম্ভ হ'ব 'স্বাস্থ্য সেৱা উৎসৱ -৩'। আজি এক সংবাদমেলযোগে এই কথা প্ৰকাশ কৰিছে চৰাইদেউ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ জ্যোতিৰ্ময় শৰ্মা বৰুৱাই। চৰাইদেউ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ত সম্বোধিত সংবাদমেলখনত জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকগৰাকীয়ে কয় যে ৰাজ্যৰ স্বাস্থ্য সেৱা খণ্ডৰ ব্যৱধানসমূহ চিনাক্ত কৰি স্বাস্থ্য সেৱা ব্যৱস্থাক ফলপ্ৰসূ আৰু কাৰ্যক্ষম কৰি ৰাষ্ট্ৰীয় জনস্বাস্থ্য মান (আই.পি.এইচ.এছ), ২০২২ লৈ উন্নীত কৰাৰ অংশস্বৰূপে ৰাজ্যচৰকাৰে এই অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। ইতিমধ্যে দুটা বৰ্ষ সফল সমাপ্তিৰ পাছত তৃতীয়বাৰৰ বাবে অসম চৰকাৰৰ এইয়া ৰোগীসকলক সুৰক্ষিত আৰু গুণগত মানসম্পন্ন, কাৰ্যকৰী আৰু উৎকৃষ্ট মানৰ সেৱা প্ৰদান নিশ্চিত কৰাৰ এক নিৰন্তৰ পদক্ষেপ। উক্ত মূল্যায়ণৰ বাবে এইবাৰ চৰাইদেউ জিলাৰ ১খন মহকুমা অসামৰিক চিকিৎসালয়, ২খন সামূহিক স্বাস্থ্য কেন্দ্ৰ, ১৯খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ৫খন আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু ১১খন পিপিপি চাহ বাগিছা চিকিৎসালয় সামৰি সৰ্বমুঠ ৩৮খন চিকিৎসা প্ৰতিষ্ঠান নিৰ্ধাৰণ কৰা হৈছে। মূলতঃ আন্তঃগাঁথনি, মানৱ সম্পদৰ স্থিতি, ঔষধ মজুতকৰণ ব্যৱস্থা, স্বচ্ছতা, পেলনীয় সামগ্ৰী নিষ্কাষণ ব্যৱস্থা ইত্যাদি সৰ্বমুঠ ৬৭৮ টা নিৰ্ধাৰিত সূচাংকৰ আধাৰত এই মূল্যায়ন প্ৰক্ৰিয়া সম্পন্ন হব। ইতিমধ্যে স্বাস্থ্য বিষয়া আৰু গুণগত মানদণ্ড নিশ্চিতকৰণ প্ৰমাণিত প্ৰশিক্ষকৰ দ্বাৰা আন্তঃমূল্যায়ণ প্ৰক্ৰিয়া সম্পন্ন হৈছে। আনহাতে উল্লেখিত প্ৰতিষ্ঠানত সমূহত ২১ গৰাকী জিলাখনৰ বিভিন্ন বিভাগৰ জিলা পৰ্যায়ৰ বিষয়া আৰু ৫ গৰাকী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক আৰু ৮ গৰাকী জ্যেষ্ঠ চিকিৎসা বিষয়াই মূল্যাংকণ কৰিব। ইয়াৰ উপৰিও অসম চৰকাৰৰ মন্ত্ৰী আৰু স্থানীয় বিধায়কসকল বহিঃমূল্যায়ক হিচাপে উপস্থিত থাকিব ।চৰাইদেউ জিলা স্বাস্থ্য সমিতিয়ে এই অনুষ্ঠানটিত জিলাখনৰ সকলোৰে অংশগ্ৰহণ নিশ্চিত কৰি এই অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবৰ ৰাইজক আহ্বান জনাইছে।

# মধুকুছিত বিশেষভাৱে সক্ষম যুৱক সন্ধানহীন

**ই-সংবাদ, ৰঙিয়া, ৩০ নৱেম্বৰঃ** ৰঙিয়াৰ মধুকুছিৰ বিশেষভাৱে সক্ষম এজন যুৱক যোৱা ২২ নৱেম্বৰৰ পৰা সন্ধানহীন হৈ থকা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃদুল কলিতা নামৰ সন্ধানহীন বিশেষভাৱে সক্ষম যুৱকজনক বিচাৰি পৰিয়ালৰ লোকে দিন ৰাতি একাকাৰ কৰিছে যদিও আজি আঠটা দিন অতিক্ৰম কৰাৰ পিছতো কোনো শুংসূত্ৰ লাভ কৰা নাই। ২২ নৱেম্বৰৰ দিনটোত ওচৰতে ৰাসোৎসৱ চলি থকা বাবে ঘৰত আহিছিল আলহী। নৱৌয়েকৰ লগত পুৱা একেলগে ভাত খাইছিল মৃদুলে, কিন্তু তাৰ পাছৰ পৰা হঠাতে সন্ধানহীন হৈ পৰে যুৱকজন। ৰঙিয়া আৰক্ষী থানাত ঘটনা সন্দৰ্ভত এজাহাৰ দিছে যদিও এতিয়ালৈ একো খবৰ লাভ কৰা নাই। যুৱকজনৰ সন্ধান পালে ৬০০১২৮৫৫০০ ফোন নম্বৰত যোগাযোগ কৰাৰ বাবে আহ্বান জনাইছে পৰিয়ালে।

# ৰঙিয়াৰ মূৰাৰা বালিকা প্ৰাথমিক বিদ্যালয়ৰ বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন




**ই-সংবাদ, ৰঙিয়া, ৩০ নৱেম্বৰঃ** ৰঙিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত ২৯ নং মূৰাৱা বালিকা প্ৰাথমিক বিদ্যালয়ৰ শেহান্ত শৈক্ষিক পাৰদৰ্শিতা বঁটা প্ৰদান অনুষ্ঠান শনিবাৰে অনুষ্ঠিত কৰা হয়। তদুপলক্ষে বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰা বঁটা প্ৰদান অনুষ্ঠান সঞ্চালনা কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী ভৱানী দাসে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে স্বস্তি হাস্পতালৰ পৰিচালন সঞ্চালক ডাঃ হীতেন্দ্ৰ কলিতা আৰু কামৰূপ জিলা শিক্ষা আঁচনি বিষয়া ফুলপাহি নাথে।বিদ্যালয়ৰ প্ৰধান শিক্ষক অজান বৈশ্যই আঁত ধৰা সভাত অৱসৰপ্ৰাপ্ত অধ্যাপক পবিন কলিতাইও উপস্থিত থাকি কৃতী শিক্ষাৰ্থীসকলক বঁটা বিতৰণ কৰে। বিদ্যালয়ৰ শতাধিক অভিভাৱক -অভিভাৱিকাৰ উপস্থিতিত অনুষ্ঠিত সভাত ২০২৩-২০২৪ শিক্ষা বৰ্ষৰ শেহান্ত পৰীক্ষাত প্ৰথম স্থান প্ৰাপ্ত অংকিত বড়ো, দ্বিতীয় স্থান প্ৰাপ্ত ৰিয়ান দাস আৰু তৃতীয় স্থান প্ৰাপ্ত ধ্ৰুৱজ্যোতি কলিতাক আনুষ্ঠানিকভাৱে বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে ২০২২-২৩ শিক্ষা বৰ্ষৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক উদগনি যোগোৱাৰ লক্ষ্যৰে উক্ত বঁটা আগবঢ়াই অহা বিশিষ্ট শিক্ষাবিদ পবিন কলিতাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে প্ৰধান শিক্ষক অজান বৈশ্য সমন্বিতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱক-অভিভাৱিকাসকলে।

# গড়মূৰ শংকৰদেৱ বিদ্যা নিকেতনত মাতৃ সন্মিলন




**ই-সংবাদ, মাজুলী, ৩০ নৱেম্বৰঃ** অখিল ভাৰতীয় শিক্ষা সংস্থা বিদ্যা ভাৰতী সংবদ্ধ শিশু শিক্ষা সমিতি অসমৰ অন্তৰ্গত মাজুলীৰ গড়মূৰ শংকৰদেৱ বিদ্যা নিকেতনৰ মাতৃ সন্মিলন আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ১৯৯৫ চনত প্ৰতিষ্ঠা লাভ কৰা নিকেতনখনত মাতৃ ভাৰতীৰ উদ্যোগত এই অনুষ্ঠান অনুষ্ঠিত হয়। সেই অনুসৰি পুৱা ৯.০০ বজাত নিকেতনখনৰ প্ৰধান আচাৰ্য বাবুল ভূঞাই বৃক্ষ ৰোপণ কৰে। ইয়াৰ পাছতেই নিকেতনৰ প্ৰাংগণত মাতৃ ভাৰতীৰ পতাকা উত্তোলন কৰে নিকেতনখনৰ মাতৃ ভাৰতীৰ সভানেত্ৰী জোৎস্না ভূঞা দত্তই। নিকেতনখনৰ প্ৰতিষ্ঠাপক প্ৰধান আচাৰ্য প্ৰয়াত লেখন দত্তৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে প্ৰাক্তন মাতৃ মনোমতী কামানে। ইয়াৰ পাছতেই পুৱা ১০ বজাৰৰ পৰা নিকেতনখনৰ প্ৰেক্ষাগৃহত মাতৃ ভাৰতীৰ সভানেত্ৰী জোৎস্না ভূঞা দত্ত সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। মাতৃ ভাৰতীৰ সম্পাদিকা জুলী শইকীয়াই আঁত ধৰা সভাখনত বন্তি প্ৰজ্বলন কৰে নিকেতনখনৰ পৰিচালনা সমিতিৰ সভাপতি মানিক বৰুৱাই। নিকেতনখনৰ মাতৃসকলৰ দ্বাৰা বন্দনা পৰিৱেশনেৰে শুভাৰম্ভ হোৱা সভাখনিত নিকেতনৰ মাতৃসকলৰ দ্বাৰা বৰগীত আৰু সমবেত সংগীত পৰিৱেশন কৰা হয়। নিকেতনখনত অধ্যয়ন কৰি সুখ্যাতি লাভ কৰি উত্তীৰ্ণ হৈ সমাজ জীৱনত নিজক প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হোৱা জাহ্নৱী হাজৰিকাৰ মাতৃ প্ৰণতি হাজৰিকা, মাধুচন্দ্ৰ দাসৰ মাতৃ অৰ্চনা দাস আৰু নিকেতনখনত অধ্যয়ন কৰি থকা সুকন্যা নাথৰ মাতৃ সুস্মিতা পাঠক নাথ- এই তিনিগৰাকী মাতৃক চিনাকি কৰি দিয়াৰ লগতে বিশেষভাৱে সম্বৰ্ধনা জনায়। সমল ব্যক্তি হিচাপে সভাত উপস্থিত থাকি সংকুল প্ৰমুখ দ্বীপেন হাজৰিকা আৰু শিক্ষয়িত্ৰী নিজৰা বেজ, পৰিচালনা সমিতিৰ সভাপতি মানিক বৰুৱা, প্ৰাক্তন মাতৃ প্ৰণতি হাজৰিকাই ভাষণ ৰাখে। পৰিচালনা সমিতিৰ সম্পাদক গুণমণি শৰ্মা, মাতৃ ভাৰতীৰ বিষয়ববীয়াসকল, মাতৃসকল, আচাৰ্য-আচাৰ্যাসকল উপস্থিত থকা সভাখনত মাতৃসকলৰ দিহানাম, ভূপেন্দ্ৰ সংগীত, মিছিং বিহু আদিৰে নিকেতনৰ প্ৰাংগণ জীপাল কৰি তোলে।

# মাজুলীত বিশিষ্ট শিল্পী উপেন বৰগায়নৰ 'মা তুমি ধৃতিৰঞ্জনা' উন্মোচন

**ই-সংবাদ, মাজুলী, ৩০ নৱেম্বৰঃ** মাজুলীৰ ঐতিহ্যমণ্ডিত উত্তৰ কমলাবাৰী সত্ৰৰ বিশিষ্ট বৈষ্ণৱ-শিল্পী উপেন বৰা বৰগায়নৰ দ্বাৰা ৰচিত, শিল্পীগৰাকীয়ে নিজে কণ্ঠদান কৰা 'মা তুমি ধৃতিৰঞ্জনা' শীৰ্ষক আধুনিক গীতৰ শ্ৰব্যৰূপটি আজি মাজুলী মহাবিদ্যালয়ত উন্মোচন কৰা হয়। গীতটি উন্মোচনৰ উদ্দেশ্যে আজি মাজুলী মহাবিদ্যালয়ৰ সত্ৰাধিকাৰ পদ্মকান্ত দেৱ গোস্বামী সভাগৃহত আয়োজিত উন্মোচনী সভাখনিত সভাপতিত্ব কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দেৱজিৎ শইকীয়াই। উত্তৰ কমলাবাৰী শংকৰদেৱ কৃষ্টিসংঘৰ সম্পাদক তথা সাংবাদিক তীৰ্থ ভূঞা বৰগায়নে আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে অকাডেমি বঁটাপ্ৰাপক সত্ৰৰ জ্যেষ্ঠ বৈষ্ণৱ অধ্যাপক ভৱেন বৰবায়নে বন্তি প্ৰজ্বলন কৰাৰ পাছতে উদ্বোধন কৰি উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীয়ে ভাষণ প্ৰদান কৰে। আয়োজক সমিতিৰ হৈ শিল্পী মুহিকান্ত বৰবায়নে আদৰণি ভাষণ দিয়া অনুষ্ঠানত গীতটি উন্মোচন কৰি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ নিৰোদ বৰুৱাই কয় যে আজন্ম শিল্পী উপেন বৰগায়নে নিজৰ অভ্যন্তৰত সোমাই থকা শিল্পীসত্তাক সঠিকভাৱে কৰ্ষণ কৰিলে সকলোৰে উপকাৰ হ'ব। সভাখনত সভাপতিৰ মন্তব্যত অধ্যক্ষ ড০ দেৱজিৎ শইকীয়াই কয় যে সত্ৰীয়া সংস্কৃতিৰ নিখুঁত সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে আগবাঢ়ি আহি অক্লান্ত সাধনাৰে নিজকে প্ৰতিষ্ঠা কৰাৰ লগতে সমাজখনক আগবঢ়াই লৈ যাবলৈ সদাযত্নপৰ বৈষ্ণৱ উপেন বৰগায়নে যথেষ্ট ত্যাগ কৰি সত্ৰীয়া কৃষ্টিক পাৰ্যমানে আগুৱাই নিছে। নিজৰ আশাশুধীয়া ঐকান্তিক সাধনাৰে মহাপুৰুষ দুজনাৰ বৰগীতসমূহ কমলাববীয়া পৰম্পৰাৰ আৰ্হিৰে সমাজলৈ আগবঢ়াই দি সকলোৰে ধন্যবাদৰ পাত্ৰ হৈছে। সভাত বক্তব্য দাঙি ধৰি মাজুলীৰ বিশিষ্ট চিন্তাবিদ কৰুণা বৰা, ড০ ৰাজেন চন্দ্ৰ বৰা, শিল্পী জগন্নাথ বৰবায়ন, সমাজকৰ্মী মুনীন্দ্ৰ ভূঞা, জাহ্নু বৰুৱা আদিয়ে সত্ৰীয়া সংস্কৃতিৰ সাধক উপেন বৰগায়নৰ পদক্ষেপৰ শলাগ লয়। সভাত উপেন বৰগায়নৰ পিতৃ মথুৰা হাজৰিকা, প্ৰজ্ঞা পাৰমিতা কৌশিক, ইন্দ্ৰেশ্বৰ নাথ, কৃষ্ণকমল শইকীয়া, লোহিত বৰা, যোগেন শইকীয়া, লোকনাথ শইকীয়া, গোলাপ বৰবায়ন, নৃপেন কলিতা, দীপক বৰুৱা, বিৱেক দত্ত, ৰূপা দত্ত, দ্বীজেন দত্ত, উপেন শইকীয়া, গোলাপ বৰুৱা, শিল্পী দিব্যজ্যোতি শইকীয়া, নিৰঞ্জন শইকীয়া, অতুল বৰা, অংকুৰজ্যোতি বৰা, বসন্ত শইকীয়া, যদুমণি বায়ন, কণ্ঠশিল্পী মিতালী গোস্বামী, সমাজ সংগঠক ধ্ৰুৱজোতি বৰা, ৰেখা বৰা বৰুৱা, সীমান্ত বৰা, পাপুল শইকীয়া আদি বিশিষ্ট ব্যক্তিসকল সমন্বিতে ডেৰ শতাধিক লোক উপস্থিত থাকে। সভাৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে শিল্পী উপেন বৰা বৰগায়নে।




বিধায়ক হিচাপে শপত লোৱাৰ পাছতে বিধানসভাৰ পুথিঁভৰালত চামগুৰিৰ বিধায়ক দীপ্লু ৰঞ্জন শৰ্মা

# ঘগ্ৰাপাৰৰ এমবিচিয়াছ একাডেমীৰ বাৰ্ষিক অধিৱেশনৰ সামৰণি

**ই, সংবাদ, নলবাৰী, , ৩০ নৱেম্বৰঃ** শিক্ষৰ দায়িত্ব হ'ল মানুহ গঢ়া।এখন দেশ, এখন ৰাষ্ট্ৰ,ৰাজ্য তথা এটা অঞ্চলৰ আটাইতকৈ ডাঙৰ সম্পদ হ'ল মানৱ সম্পদ। এই মানৱ সম্পদ গঢ়াৰ দায়িত্ব হ'ল শিক্ষকসকলৰ। এই মন্তব্য গুৱাহাটীৰ মুখ্য কাৰ্যালয়, কৰ অধীক্ষক ৰাতুল মহন্তৰ। আজি নলবাৰী জিলা ঘগ্ৰাপাৰস্হিত এমবিচিয়াছ একাডেমীৰ চতুৰ্থ বাৰ্ষিক অধিৱেশনৰ বটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি কৰ অধীক্ষক ৰাতুল মহন্তই নিজৰ ভাষণত শিক্ষক সকলে যি নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়াই আহিছে, ইয়াক আমি সমাজে স্বাকৃতি দিব লাগে বুল উল্লেখ বাধাৰ প্ৰাচীৰ ভাঙি নৱ প্ৰজন্মহি দেশ আৰু জাতি ৰক্ষা কৰিব লাগিব। তাৰ বাবে লাগিব গুণগত শিক্ষাৰ উত্তৰণ।অব্যৰ্থ শক্তিৰগৰাকী শিক্ষাৰ্থী সকলে সকলো বাধাৰ প্ৰাচীৰ ভাঙি শৈক্ষিক উত্তৰণ ঘটাব লাগিব বুলি কয় মহন্তই।শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ হামিদ আলীয়ে সভাপতিত্ব কৰা সভাখনৰ উদ্দেশ্য বাখ্যা কৰে পৰিচালক সঞ্চালক তাইজুদ্দিন চৌধুৰীয়ে। সভা শিক্ষাবিদ বসন্ত হাঁলৈয়ে শিক্ষক আৰু ছাত্ৰ ছাত্ৰীৰ উদ্দেশ্য বিশদ বক্তব্য প্ৰদান কৰে। সভাৰ অন্তত বিভিন্ন প্ৰতিযোগিতা স্হান লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ মাজত বটাসমূহ বিতৰণ কৰা হয়। উল্লেখ্য য়ে য়োৱা ২৭ নৱেম্বৰ পৰা ৩০ নৱেম্বৰলৈ উক্ত অনুষ্ঠান ৰূপায়ন কৰা হৈছিল।

# আলোপতিত ইক্ৰা নেচনেল একাডেমীত কম্পিউটাৰ লেব উদ্বোধন

**ই-সংবাদ, নগৰবেৰা, ৩০ নৱেম্বৰঃ** বৰপেটা জিলাৰ চেঙা শিক্ষা খণ্ডৰ অন্তৰ্গত আলোপতি চৰৰ এক আগশাৰীৰ ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় ইক্ৰা নেচনেল একাডেমীত আজি ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ বিকাশ আৰু প্ৰসাৰৰ ক্ষেত্ৰত কম্পিউটাৰ শিক্ষাৰ এটা লেব উদ্বোধন কৰা হয়। এই উপলক্ষে বিদ্যালয় চৌহদত বিদ্যালয়খনৰ পৰিচালনা সঞ্চালক আশ্বিক ইকবালৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ শিক্ষক জয়নাল আবেদিনে আঁত ধৰা সভাত লুইতপৰীয়া মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড০ ছামচুল আলম ছৰোৱাৰ্দীয়ে ভাষণ প্ৰদান কৰে। সভাৰ অন্তত পৰিচালনা সঞ্চালক আশ্বিক ইকবালে ফিটা কাটি কম্পিউটাৰ শিক্ষাৰ লেবটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠানত ড০ ছামচুল আলম ছৰোৱাৰ্দী, চি আৰ চি চি ক্ৰমে আমিনুল ইচলাম, বাহাৰুল ইছলাম, ইক্ৰা নেচনেল একাডেমীৰ অধ্যক্ষ মুকুল উদ্দিন আৰু বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে একাংশ অভিভাৱকে উপস্থিত থাকে। উল্লেখ্য যে বিদ্যালয়খনৰ কৰ্তৃপক্ষই হাতত লোৱা এনে পদক্ষেপৰ শিক্ষা সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে।

# শিমলুগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিশেষ বাটৰ নাট প্ৰদৰ্শন

**ই-সংবাদ, গেলেকী, ৩০ নৱেম্বৰঃ** সদৌ অসম ছাত্ৰ-সন্থাৰ আহ্বানত, শিমলুগুৰি আঞ্চলিক ছাত্ৰ-সন্থাৰ উদ্যোগত আজি নাজিৰা মহকুমাৰ অন্তৰ্গত শিমলুগুৰি তিনিআলিত এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। পৰিৱেশ আৰু জলবায়ু সজাগতা সপ্তাহৰ লগত সংগতি ৰাখি শিমলুগুৰি নগৰৰ মাজমজিয়াত থকা ব্যস্ততা পূৰ্ণ তিনি আলিত ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা তথা সজাগতামূলক এখন বাটৰ নাট প্ৰদৰ্শন কৰে ছাত্ৰ-ছাত্ৰীসকলে। বৰ্তমান এবাৰ ব্যৱহৃত প্লাষ্টিক সামগ্ৰীৰ ফলত সৃষ্টি হোৱা পৰিৱেশ প্ৰদূষণ তথা জলবায়ু পৰিৱৰ্তনৰ মাত্ৰা প্ৰতিদিনে বৃদ্ধি পাই আহিছে। এই সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে এই বাটৰ নাট প্ৰদৰ্শন কৰা হয়। কাৰ্যসূচীত উপস্থিত থাকি সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকাই কয় যে প্লাষ্টিক জাতীয় সামগ্ৰী বৰ্জনৰ নামত চৰকাৰে কেৱল ভেঁকোভাওনাহে কৰি আহিছে। ৰাইজ সজাগ হৈ এবাৰ ব্যৱহৃত প্লাষ্টিক জাতীয় সামগ্ৰী বৰ্জন কৰিলেহে ভয়াবহ প্ৰদূষণৰ পৰা আমি হাত সাৰিব পাৰিম।

# ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা সম্পন্ন

**ই সংবাদ,ডিব্ৰুগড়,৩০ নৱেম্বৰঃ** অসম বিজ্ঞান সমিতি ,ডিব্ৰুগড় শাখাই কানৈ মহাবিদ্যালয়ৰ সহযোগত সদৌ অসম ভিত্তিত ড০ নিলোফাৰ ৰহমান শইকীয়া আন্তঃকলেজ প্ৰাইজমানি তৰ্ক প্ৰতিযোগিতাখনি কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ সভাকক্ষত ২৮ নৱেম্বৰত সম্পন্ন হয়। প্ৰয়াত নিলোফাৰ ৰহমান শইকীয়াৰ পৰিয়ালৰ আৰ্থিক সহযোগত অনুষ্ঠিত প্ৰতিযোগিতাৰ আৰম্ভণি উদ্বোধনি অনুষ্ঠানেৰে কৰা হয়। অনুষ্ঠানত সভাপতিত্ব কৰে  ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সভাপতি ড০ ভাৰতী দত্তই। সম্পাদক নাছিৰ চুলতানে উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছতে প্ৰয়াত নিলোফাৰ ৰহমানৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰে তেখেতৰ স্বামী অৱসৰপ্ৰাপ্ত মুখ্য অভিযন্তা চফিউৰ ৰহমান শইকীয়াই। তেঁওৰ পত্নী এগৰাকী পদাৰ্থ বিজ্ঞানী,লাহোৱাল পলিটেকনিকৰ অধ্যাপিকাৰ সোঁৱৰণত শইকীয়াই দুআষাৰ আবেগিক বক্তব্য আগবঢ়ায়। সভাপতিৰ মন্তব্যত ড০ভাৰতী দত্তই অকালতে মৃত্যু বৰণ কৰা  ব্যক্তিগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰি বক্তব্য আগবঢ়ায় আৰু লগতে এই ধৰণৰ তৰ্ক প্ৰতিযোগিতাই নৱ প্ৰজন্মৰ বিজ্ঞান মনস্কতা গঢ়ি তোলাত সহায় হ'ব বুলি কয়। ইয়াৰ আগতে প্ৰয়াত ড০ নিলোফাৰ ৰহমানৰ এক চমু পৰিচয় আগবঢ়ায় সুদক্ষিনা দাসে। কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামীয়ে নিলোফাৰ ৰহমানৰ সৈতে তেখেতৰ সান্নিধ্যৰ কথা সোঁৱৰে। শলাগৰ শৰাই আগবঢ়াই ড০চুলতানা হাজৰিকাই। এগছি বন্তি প্ৰজ্বলনেৰে প্ৰতিযোগিতা উদ্বোধন কৰি ডিব্ৰুগড় বিশ্ব বিদ্যালয়ৰ ডিন,গণিত বিভাগৰ প্ৰাধ্যাপক ড০ সুৰজিৎ বৰকটকীয়ে সাম্প্ৰতিক সময়ত বিজ্ঞান প্ৰযুক্তিৰ প্ৰাসংগিকতাৰ ওপৰত এক চমু ,মননশীল বক্তৃতা দিয়ে। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰতিযোগীৰে অনুষ্ঠিত প্ৰতিযোগিতাখনিৰ আঁত ধৰে সমিতিৰ উপসভাপতি ড০ ৰঞ্জিত সিংহই। তৰ্ক প্ৰতিযোগিতাৰ বিচাৰকৰ আসন গ্ৰহণ কৰে জ্যেষ্ঠ সাংবাদিক ইকবাল আহমেদ, পৰিমল ভট্টাচাৰ্য, সুদেৱ গোস্বামীয়ে।আনহাতে তৰ্ক প্ৰতিযোগিতাৰ অধ্যক্ষৰ আসনত উপবিষ্ট হয় ৰুমা ফুকন। প্ৰতিযোগিতাৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে ড° ভাৰতী দত্তই। প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে উৎপলজ্যোতি বৰা(ডিব্ৰুগড় বিশ্ববিদ্যালয়),দ্বিতীয় স্থান খ্ৰীষ্টফাৰ নন্দ(কানৈ কলেজ),তৃতীয় স্থান লাভ কৰে সুমিত শৰ্মা(জে বি আইন মহাবিদ্যালয়, গুৱাহাটী)। তৰ্ক প্ৰতিযোগিতাত প্ৰথম গৰাকীয়ে লাভ কৰে নগদ ৮,০০০/-টকা, দ্বিতীয় গৰাকীয়ে ৬,০০০/- আৰু তৃতীয় গৰাকীয়ে লাভ কৰে নগদ ৪,০০০/-টকা। বঁটা বিতৰণী সভাত অনুভৱ ব্যক্ত কৰি ভাষণ প্ৰদান কৰে ড০ পৰমানন্দ মহন্ত, ড০ গোপাল হাজৰিকা,ড০ কমলেশ্বৰ দত্ত,ড০ প্ৰাতসলতা বুঢ়াগোহাঁয়ে। সভাত বুজন সংখ্যক বিশিষ্ট ব্যক্তিৰ লগতে প্ৰয়াত ড০ নিলোফাৰ ৰহমানৰ পৰিয়ালৰহে ভগ্নিদ্বয় , ভনী জোৱাঁই জামছেদ খানো উপস্থিত থাকে।সভাৰ অন্তত শলাগ জ্ঞাপন কৰে সমিতিৰ সম্পাদক নাছিৰ চুলতানে।

# বাক্সাত স্বাস্থ্য সেৱা উৎসৱ-৩.০ৰ প্ৰস্তুতি

**ই সংবাদ, মুছলপুৰ, ৩০ নৱেম্বৰ:** অসম চৰকাৰে ৰাজ্যত স্বাস্থ্য সেৱাৰ মান অধিক উন্নত কৰাৰ বাবে যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে । সেই উদ্দেশ্যে অসম চৰকাৰৰ স্বাস্থ্য বিভাগে অনুষ্ঠিত কৰি আহিছে স্বাস্থ্য মেলা । সমগ্ৰ ৰাজ্যৰ লগতে অবিভক্ত বাক্সা জিলাতো তিনিদিনীয়া কাৰ্যসূচীৰে অহা ৩ ডিচেম্বৰৰ পৰা ৫ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব স্বাস্থ্য সেৱা উৎসৱ-৩.০ । এই উৎসৱৰ সময়চোৱাত জিলাখনৰ মুছলপুৰ অসমাৰিক চিকিৎসালয়, তামুলপুৰ মহকুমা অসামৰিক চিকিৎসালয়, ৭ খন সামূহিক চিকিৎসালয়, ৫ খন আয়ুষ্মান আৰোগ্য মন্দিৰ, ৪০ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ২ খন চাহ বাগিছাৰ চিকিৎসালয়কে ধৰি মুঠ ৫৬ খন চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানত স্বাস্থ্য সেৱা উৎসৱ-৩.০ অনুষ্ঠিত কৰা হ'ব । ইয়াৰ জৰিয়তে স্বাস্থ্য সেৱাত থাকি যোৱা আসোঁৱাহ তথা ত্ৰুটিসমূহ দূৰ কৰাৰ  ব্যৱস্থা কৰি ৰাজ্যৰ স্বাস্থ্য প্ৰতিষ্ঠানসমূহক ভাৰতীয় জনস্বাস্থ্য মানলৈ উন্নীত কৰাৰ লক্ষ্য লোৱা হৈছে । এই উৎসৱৰ সময়ত আন্তঃমূল্যায়ণ আৰু বহিঃমূল্যায়নৰ ব্যৱস্থা থাকিব । ৰাজ্যত সুৰক্ষিত আৰু গুণগত মানসম্পন্ন স্বাস্থ্য সেৱা প্ৰদানৰ দিশত এই পদক্ষেপ হাতত লোৱা হৈছে । এই সম্পৰ্কে আজি বাক্সা জিলা স্বাস্থ্য বিভাগে আয়োজন কৰা এক সংবাদমেলত জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ মনোজ কুমাৰ দাসে কয় যে এই স্বাস্থ্য সেৱা উৎসৱত নিৰীক্ষকে চিকিৎসালয়সমূহৰ আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি জনসাধাৰণে স্বাস্থ্য সেৱা কেনেদৰে লাভ কৰিছে, চিকিৎসক কৰ্মচাৰীৰ উপস্থিতি, চৰকাৰে প্ৰদান কৰা স্বাস্থ্য সেৱা আঁচনি সমূহ জনসাধাৰণে লাভ কৰিছে নে নাই সেই বিষয়ে পৰ্যৱেক্ষণ কৰিব। নিৰীক্ষণৰ সময়ত লাভ কৰা তথ্যসমূহ ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য মিছন অভিযান আৰু ৰাজ্যৰ স্বাস্থ্য বিভাগক দাখিল কৰা হ'ব । ইতিমধ্যে স্বাস্থ্য সেৱা উৎসৱক কেন্দ্ৰ কৰি জিলাখনৰ স্বাস্থ্য বিভাগে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা বুলিও বিষয়াগৰাকীয়ে জনায় । বিগত বৰ্ষত স্বাস্থ্য সেৱা উৎসৱত জিলাখনৰ ১৮ খন চিকিৎসা প্ৰতিষ্ঠানে 'এ গ্ৰেড' পোৱা বুলিও সংবাদমেলত সদৰী কৰে । আনহাতে জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ তৰফৰ পৰা সকলো সাংবাদকৰ্মীক এই স্বাস্থ্য সেৱা উৎসৱক সফল কৰাৰ ক্ষেত্ৰত সহযোগিতা কামনা কৰে স্বাস্থ্য বিভাগৰ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মনোজ কুমাৰ দাসে । সংবাদমেলখনত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মনোজ কুমাৰ দাসৰ লগতে জিলা আঁচনি বিষয়া নোমল সিং বৰগয়াৰীও উপস্থিত থাকে ।

# কাইলৈৰ পৰা ২৫সংখ্যক হৰ্ণবিল মহোৎসৱ

**ই সংবাদ,৩০ নৱেম্বৰঃ**  ১ডিচেম্বৰ পৰা অহা ১০ ডিচেম্বৰ লৈ নাগা ঐতিহ্য গাঁৱ কিচামাৰ বাকৰিত দহদিনীয়াকৈ অনুষ্ঠিত হ'ব নাগালেণ্ডৰ হৰ্ণবিল মহোৎসৱৰ ২৫ সংখ্যক সংস্কৰণ। নাগালেণ্ডৰ ১৭টাকৈ জনগোষ্ঠীৰ চহকী সাংস্কৃতিক ঐতিহ্যক বিশ্ব মঞ্চত প্ৰদৰ্শন কৰাৰ লক্ষ্যৰে বিয়লি পৰা আৰম্ভ হৰ্ণবিল মহোৎসৱ ২০২৪। কিছামাৰ নগা হেৰিটেজ ভিলেজত আয়োজিত এইবাৰৰ এই উৎসৱৰ বিষয় বস্তু হৈছে সাংস্কৃতিক সংযোগ। এইবাৰৰ হৰ্ণবিল মহোৎসৱৰ লক্ষ্য হৈছে নগা জনগোষ্ঠীৰ অনন্য পৰম্পৰাক বিশ্ববাসীৰ সন্মুখত অতুলনীয় ৰূপত প্ৰদৰ্শনৰ কৰা। ইতিমধ্যে কিচামা ঐতিহ্য গাঁৱৰ পৰিসৰৰ বৃদ্ধি কৰি নতুন ৰূপ সজাই তোলা হৈছে। সকলো যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি কিচামাত ঐতিহ্য গাঁৱত দেশী-বিদেশী পৰ্যটকক আদৰিবলৈ সাজু হৈ উঠিছে নাগালেণ্ডৰ পৰ্যটন বিভাগ। আজি হৰ্ণবিলৰ পেভলিয়েন উদ্বোধন কৰি পৰ্যটন আৰু উচ্চ শিক্ষা মন্ত্ৰী টেমজেন ইমনা আলঙে এই উৎসৱৰ বিশ্বব্যাপী তাৎপৰ্য্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি স্থানীয় অনুষ্ঠানৰ পৰা নগা সংস্কৃতি আৰু পৰম্পৰাক আন্তঃৰাষ্ট্ৰীয় মঞ্চলৈ লৈ যোৱাৰ কথা উল্লেখ কৰিছে। হৰ্ণবিল মহোৎসৱক নাগালেণ্ডৰ এয়া কেৱল উৎসৱ নহয়। আমাৰ জনসাধাৰণৰ বাবে ই এক কেন্দ্ৰবিন্দু বুলি অভিহিত কৰিছে। এইবাৰৰ উৎসৱত ব্ৰিটেইন (ৱেলছ), আমেৰিকা, জাপান, পেৰুকে ধৰি দেশৰ গণ্যমান্য ব্যক্তি আৰু প্ৰতিনিধিৰ অংশীদাৰ হিচাপে অংশগ্ৰহণ কৰিছে।

সমূহীয়া পদত্যাগৰ সিদ্ধান্ত বঙাইগাঁও জিলাসহ ক্ষীতিশ গোটৰ আঠখনকৈ আঞ্চলিক সমিতিৰ

# আক্ৰাছুৰ একত্ৰিকৰণৰ স্বাৰ্থত ভিন্ন আঞ্চলিকৰ বিষয়ববীয়াৰ পদত্যাগ

**ই-সংবাদ, বঙাইগাঁও, ৩০ নৱেম্বৰঃ** কোচ ৰাজবংশী জনগোষ্ঠীৰ বৃহৎ স্বাৰ্থত ৰাইজৰ আহ্বানৰ প্ৰতি সন্মান জনাই তথা বহুধাবিভক্ত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ একত্ৰিকৰণৰ স্বাৰ্থত শেহতীয়াভাৱে সংগঠনটোৰ বঙাইগাঁও জিলা আৰু আঠখনকৈ আঞ্চলিক সমিতি(ক্ষীতিশ গোট)ৰ গৰিষ্ঠসংখ্যক বিষয়ববীয়া আৰু সদস্যই সমূহীয়াভাৱে পদত্যাগ কৰিছে। শনিবাৰে এক প্ৰেছ বিবৃতিত জিলা আক্ৰাছুৰ পদত্যাগী সাধাৰণ সম্পাদক শিবেন নাৰায়ণ দেৱে এই কথা উল্লেখ কৰিছে। বিবৃতিটোত লগতে জাতিৰ বৃহৎ স্বাৰ্থত বৰ্তমানৰ বৃদ্ধ আৰু অশিক্ষিত নেতৃত্বসকলে উঠি অহা শিক্ষিত যুৱ ছাত্ৰসকলক ঐক্যবদ্ধ কৰি সংগঠনৰ দায়িত্ব অৰ্পণ কৰি কোচ ৰাজবংশী জনগোষ্ঠীৰ উত্তৰণৰ ক্ষেত্ৰত পদক্ষেপ ল'ব বুলিও আশা প্ৰকাশ কৰিছে। উল্লেখ্য যে বিবৃতিটোত উল্লেখ কৰা মতে, বঙাইগাঁও জিলা আক্ৰাছুৰ সাধাৰণ সম্পাকগৰাকীৰ লগতে মুঠ ২৫ জনকৈ বিষয়ববীয়া আৰু সদস্যই সংগঠনটোৰ পৰা পদত্যাগ কৰিছে। সংগঠনটোৰ পৰা পদত্যাগ কৰা জিলা সমিতিৰ এঘাৰজন বিষয়ববীয়াসকল হ'ল ক্ৰমে সাধাৰণ সম্পাদক শিবেন নাৰায়ন দেৱ, উপদেষ্টা মনোজ কুমাৰ চৌধুৰী, উপ-সভাপতি জীৱন কুমাৰ সিংহ আৰু কমল পাঠক, সাংগঠনিক সম্পাদক ফুকন চন্দ্ৰ বৰ্মন, তপন চন্দ্ৰ বৰ্মন, ভূপেন ৰায়, সুমন বৰ্মন আৰু ৰাতুল কুমাৰ ৰায়, প্ৰচাৰ সম্পাদক বিপুল বৰ্মন আৰু সদস্য প্ৰাণজিৎ সৰকাৰ। আনহাতে, পদত্যাগ কৰা আঠখন আঞ্চলিক সমিতিৰ চৈধ্য জন বিষয়ববীয়া হ'ল ধনতোলা আঞ্চলিক আক্ৰাছুৰ সভাপতি জ্যোতিষ ৰায় আৰু সম্পাদক ৰঞ্জন চৌধুৰী, বামুণীটিলা আঞ্চলিক আক্ৰাছুৰ সভাপতি কমলেশ্বৰ চৌধুৰী আৰু সম্পাদক কনমণি সৰকাৰ, বইটামাৰী আঞ্চলিক আক্ৰাছুৰ সভাপতি নমল চৌধুৰী আৰু সম্পাদক অৰবিন্দ বৰুৱা, দক্ষিণ বইটামাৰী আঞ্চলিক আক্ৰাছুৰ সভাপতি মৃদুল ৰায় আৰু সম্পাদক সঞ্জীৱ বৰ্মন, কেৰখাবাৰী আঞ্চলিক আক্ৰাছুৰ সভাপতি কমলা কান্ত ৰায় আৰু বিত্ত সম্পাদক দীপেন চন্দ্ৰ ৰায়, খোৰাগাঁও আঞ্চলিক আক্ৰাছুৰ সভাপতি হিতেশ ৰায় আৰু সম্পাদক নন্দ বৰ্মন, উত্তৰ বইটামাৰী আঞ্চলিক আক্ৰাছুৰ সভাপতি তিলোক বৰ্মন আৰু ঘিলাগুৰী দুৰ্গাপুৰ আঞ্চলিক আক্ৰাছুৰ সহকাৰী সম্পাদক সঞ্জীৱ বৰ্মন।

# ছৈখোৱাত পৰিৱেশ-জলবায়ু সজাগতা সপ্তাহ উদযাপন ছাত্ৰ সন্থাৰ

**ই-সংবাদ, ডুমডুমা, ৩০ নৱেম্বৰঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে তিনিচুকীয়া জিলাৰ ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থায়ো পৰিৱেশ আৰু "জলবায়ু সজাগতা সপ্তাহ" ৰ লগত সংগতি ৰাখি বৃহত্তৰ হাঁহখাটি অঞ্চলৰ তিনিখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলকলৈ হাঁহখাটি উচ্চ মাধ্যমিক বিদ্যালয়ত যোৱা ২৭ নৱেম্বৰত এখনি পৰিৱেশ আৰু জলবায়ু সজাগতা সভা অনুষ্ঠিত কৰে। ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অনুপজ্যোতি দুৱৰাই সভাপতিত্ব কৰা সজাগতা সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক অভিনন্দন কলিতাই। সভাত উপস্থিত থাকি বন-গৱেষক ছাত্ৰ তথা পৰিৱেশবিদ সুমিত দাসে সুন্দৰ তথা সাৱলীলভাৱে পৰিৱেশ তথা জীৱকুল, গছ-গছনি আদিক আমি কিদৰে ৰক্ষা কৰিব লাগে সেই সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। কি কাৰণত বৰ্তমান পৃথিৱীত গোলকীয় উষ্ণতা বৃদ্ধি হৈছে, সেই সম্পৰ্কত ছাত্ৰ-ছাত্ৰীসকলৰ আগত ব্যাখ্যা কৰে সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা দীক্ষিত বেজবৰুৱাই। নেতাগৰাকীয়ে পৰিৱেশ আৰু বৰ্তমানৰ জলবায়ুৰ ওপৰত সজাগতাৰ সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কেতবোৰ সুন্দৰ মন্তব্য আগবঢ়োৱাৰ লগতে বৰ্তমানৰ পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ গছ-গছনি কটাটো আইনী প্ৰক্ৰিয়াৰে বন্ধ কৰিবলৈ অসম চৰকাৰক দাবী জনায়। বেজবৰুৱাই লগতে উল্লেখ কৰে যে অসম তথা উত্তৰ-পূৰ্বাঞ্চল গছ-গছনিৰে পৰিপূৰ্ণ অঞ্চল যদিওঁ চৰকাৰে কোটি কোটি টকাৰে নানান গছ পুলি ৰোপণৰ কেইবাখনো আঁচনি ৰূপায়ণ কৰি একপ্ৰকাৰৰ ৰাজকোষৰ ধন অপচয় কৰিছে। চৰকাৰে এককথাত চমক সৃষ্টিৰ লক্ষ্যৰে কেৱল আঁচনি ৰূপায়ণ কৰিলেও নহব, গছ-গছনি কটাও সম্পূৰ্ণৰূপে বন্ধ কৰিব লাগে বুলি তাৎপৰ্যপূৰ্ণ বক্তব্য প্ৰদান কৰে । জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক হেমচন্দ্ৰ চেলেং, সাংগঠনিক সম্পাদক সুৱেশ বৰগোহাঁয়েও ছাত্ৰ-ছাত্ৰীসকলৰ আগত পৰিৱেশ আৰু জলবায়ু কিদৰে ৰক্ষা কৰিব পাৰি সেই সম্পৰ্কত কিছু মন্তব্য আগবঢ়ায়। হাঁহখাটি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মনজিত ঠাকুৰ উপস্থিত থকা সজাগতা সভাখনি সফলভাৱে সমাপ্তি ঘটে। ইয়াৰ পিছত ২৮ নৱেম্বৰত হাতীঘুলি প্ৰাথমিক বিদ্যালয়ত অঞ্চলটোৰ চাৰিখন বিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হ'য়। কালি অৰ্থাৎ ২৯ নৱেম্বৰত ছৈখোৱা পঞ্চায়ত, ধলা বজাৰৰ লেচী আৰু স্থানীয় কিছুসংখ্যক দোকানীৰ অমনোযোগিতাত দিনক দিনে কদৰ্যময় পৰিৱেশৰ সৃষ্টি হোৱা ধলা বজাৰৰ ইমূৰৰ পৰা সিমূৰলৈ ছাত্ৰ সন্থাৰ কৰ্মী সকলে এক চাফাই অভিযান চলায়। বিদ্যালয়, নামঘৰ, মন্দিৰ, চিকিৎসালয় সকলোতে ছাত্ৰ সন্থাৰ কৰ্মীসকলে ঝাড়ু মাৰি পৰিষ্কাৰ কৰে। এই কাৰ্যসূচীৰ যোগেদি ছৈখোৱাৰ ধলা বজাৰৰ কদৰ্যময় পৰিৱেশ কিদৰে পঞ্চায়ত, বজাৰৰ হাতখোৱাই পৰিষ্কাৰ কৰি ৰাখিব লাগে তাৰ এক বাৰ্তা প্ৰেৰণ কৰে। জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা দীক্ষিত বেজবৰুৱাই চৰকাৰ তথা ছৈখোৱা উন্নয়ন খণ্ডই বজাৰ আবন্টনৰ নিবিদা আহ্বান কৰোঁতে যিখিনি নিয়মাৱলী বজাৰখন পৰিচালনা কৰিবলৈ বান্ধি দিছে তাক ফলপ্ৰসু ৰূপায়ণৰ দাবী জনায়। কাৰ্যসূচীটি ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি, সম্পাদক ক্ৰমে অনুপজ্যোতি দুৱৰা আৰু অভিনন্দন কলিতাই পৰিচালনা কৰাৰ লগতে কাৰ্যসূচীত জিলা-আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃবৃন্দ, ছৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আছু গোটৰ সভাপতি, সম্পাদকৰ লগতে জিলা ছাত্ৰ সন্থাৰ নেতৃবৃন্দ উপস্থিত থাকে। ইয়াৰ লগে লগে আজি শেষৰটো হিচাপে বৃক্ষৰোপণ কাৰ্যসূচীত ছৈখোৱা অঞ্চলৰ কেইবাস্থানত ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু কৰ্মীসকলে গছপুলি ৰোপণেৰে পৰিৱেশ আৰু জলবায়ু সজাগতা সপ্তাহৰ এলানি বিস্তৃত কাৰ্যসূচীৰ সফল সামৰণি পৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## হিংসাজৰ্জৰ মণিপুৰত ৰাষ্ট্ৰপতি শাসনৰ পোষকতা মিজোৰামৰ মুখ্যমন্ত্ৰী লালদুহোমাৰ

# মিজোৰামৰ মুখ্যমন্ত্ৰীৰে সংঘাত আৰম্ভ মণিপুৰৰ মুখ্যমন্ত্ৰী বীৰেণ সিঙৰ

**নতুন দিল্লী, ৩০ নৱেম্বৰঃ** মণিপুৰৰ শেহতীয়াকৈ হিংসাত্মক পৰিস্থিতি আৰু সাম্প্ৰতিক ৰাজনৈতিক স্থিতিক লৈ তুংগত উঠিছে উত্তৰ-পূব ভাৰতৰ দুই ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ মতানৈক্য। বিগত প্ৰায় ডেৰ বছৰ ধৰি গোষ্ঠীগত হিংসাত জ্বলি থকা মণিপুৰৰ পৰিস্থিতি নিয়ন্ত্ৰণত ব্যৰ্থ হোৱা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙক মণিপুৰ আৰু বিজেপিৰ বাবে বোজা বুলি অভিহিত কৰিছে মিজোৰামৰ মুখ্যমন্ত্ৰী লালদুহোমাই। চুবুৰীয়া ৰাজ্যখনৰ মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন বৰ্তমানৰ প্ৰশাসনতকৈ বহু উন্নত বিকল্প হ'ব পাৰে। ইফালে লালদুহোমাৰ এই আক্ৰমণাত্মক মন্তব্যৰ পিছতে তেওঁৰ অতীত আৰু শেহতীয়া বক্তব্যক তীব্ৰ সমালোচনা কৰি প্ৰত্যুত্তৰ প্ৰদান কৰিছে মণিপুৰৰ মুখ্যমন্ত্ৰীয়েও। সংবাদ সংস্থা 'হিন্দুস্তান টাইমছ'ক দিয়া এক সাক্ষাৎকাৰত লালদুহোমাই কয়, 'মই দুঃখিত, কিন্তু এন বীৰেন সিং মণিপুৰৰ বাবে বোজা হৈ পৰিছে। তেওঁ ৰাষ্ট্ৰ, জনসাধাৰণ আনকি নিজৰ দলৰ বাবেও ক্ষতিকাৰক। তেওঁৰ প্ৰশাসনৰ প্ৰয়োজন হ'লেও উপকাৰতকৈ ক্ষতি বেছি।" মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসনৰ পোষকতা কৰি তেওঁ কয়, "বৰ্তমানৰ চৰকাৰতকৈ ৰাষ্ট্ৰপতিৰ শাসন বহুত ভাল। কিন্তু যদিহে এখন দায়িত্বশীল চৰকাৰ গঠন কৰা হয়, য'ত আদিবাসীসকলৰ অৱদানক স্বীকৃতি দিয়া আৰু ভাৰতৰ গুৰুত্বপূৰ্ণ অংশ হিচাপে তেওঁলোকক সন্মান কৰা নেতা থাকে, তেন্তে সেয়া এক উত্তম বিকল্প হ'ব।" লালদুহোমাই মণিপুৰত চলি থকা হিংসা প্ৰতিৰোধ কৰিবলৈ হ'লে সশস্ত্ৰ সংগঠনসমূহক নিৰস্ত্ৰ কৰাৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰে। ইয়াৰ উপৰিও ভাৰত-ম্যানমাৰ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ বিৰোধিতা কৰে। উল্লেখ্য যে, এই বিষয়ক লৈ ইতিমধ্যেই কেন্দ্ৰীয় চৰকাৰৰ সৈতে মতানৈক্য ঘটিছে মিজোৰামৰ। ইফালে, মিজোৰামৰ মুখ্যমন্ত্ৰীৰ এই মন্তব্যৰ প্ৰত্যুত্তৰত মণিপুৰ চৰকাৰে লালদুহোমাৰ বিগত ৰাজনৈতিক কাৰ্যকলাপ আৰু শেহতীয়া মন্তব্যক তীব্ৰ সমালোচনা কৰে। এক বিবৃতিত মণিপুৰ চৰকাৰে উল্লেখ কৰে যে লালদুহোমাক ১৯৮৬ চনত পলায়ন বিৰোধী আইনৰ অধীনত দেশৰ প্ৰথমজন সংসদৰ সদস্য হিচাপে বহিষ্কাৰ কৰা হৈছিল আৰু একেটা অপৰাধৰ বাবে ২০২০ চনত বিধানসভাৰ পদৰ পৰা অযোগ্য ঘোষণা কৰা হৈছিল। মণিপুৰ চৰকাৰে লগতে অভিযোগ কৰে যে শেহতীয়াকৈ লালদুহোমাই আমেৰিকাত দিয়া ভাষণত বিতৰ্কিত মন্তব্য কৰিছিল, য'ত তেওঁ বাংলাদেশ, ম্যানমাৰ আৰু ভাৰতৰ কিছু অংশকে ধৰি এখন খ্ৰীষ্টান ৰাষ্ট্ৰ গঠনৰ আহ্বান জনাইছিল। এই বক্তব্যক মণিপুৰ চৰকাৰে ভাৰতৰ অখণ্ডতাৰ প্ৰতি এক বৃহৎ ভাবুকি বুলিও অভিহিত কৰে। মণিপুৰ চৰকাৰে দাবী কৰিছে যে অবৈধ অনুপ্ৰৱেশ আৰু আফিম খেতিৰ ওপৰত অৰ্থনৈতিক নিৰ্ভৰশীলতাই ৰাজ্যখনৰ চলি থকা সংকট আৰু অধিক ভয়াৱহ কৰি তুলিছে। এটা পৰিসংখ্যা অনুসৰি ১৯৬৯ চনৰ পৰা ৰাজ্যখনৰ কুকি অধ্যুষিত অঞ্চলসমূহৰ গাঁৱৰ সংখ্যা ১২২ শতাংশ বৃদ্ধি পাইছে, যিয়ে অবৈধ ভূমি দখলৰ ইংগিত দিয়ে। প্ৰণিধানযোগ্য যে, ২০২৩ চনৰ মে' মাহৰ পৰা আৰম্ভ হোৱা মেইটেই আৰু কুকি সম্প্ৰদায়ৰ মাজত হোৱা জাতিগত সংঘৰ্ষত এতিয়ালৈকে প্ৰায় ২৬০ জন লোকৰ মৃত্যু হৈছে আৰু হাজাৰ হাজাৰ লোক স্থানচ্যুত হৈছে। মণিপুৰ চৰকাৰে দাবী কৰিছে যে ম্যানমাৰৰ পৰা অহা অবৈধ অনুপ্ৰৱেশকাৰী আৰু এন বীৰেন সিঙে আফিম খেতি বন্ধ কৰিবলৈ 'ড্ৰাগছৰ বিৰুদ্ধে সংগ্ৰাম'ৰ পদক্ষেপে সংকট আৰু অধিক ভয়াৱহ কৰি তুলিছে। আনহাতে, মিজোৰামৰ মুখ্যমন্ত্ৰীয়ে কয় যে কুকি-জো জনজাতি মিজোৰামৰ এক গুৰুত্বপূৰ্ণ অংগ আৰু তেওঁলোকৰ প্ৰতি মানৱীয় পন্থা গ্ৰহণ কৰা উচিত। অবৈধ অনুপ্ৰৱেশ, অস্ত্ৰ-শস্ত্ৰ আৰু ড্ৰাগছ সৰবৰাহ বন্ধ কৰাত সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ ফলপ্ৰসূ নহ'ব বুলিও তেওঁ দাবী কৰে। তেওঁৰ মতে, আন্তৰিক আলোচনাৰ জৰিয়তে এই সংকটৰ সমাধান বিচাৰি উলিওৱাটো প্ৰয়োজন। একে সময়তে, লালদুহোমাৰ এই বক্তব্যত ক্ষুব্ধ হৈ মণিপুৰ চৰকাৰে ইয়াৰ উত্তৰত অভিযোগ উত্থাপন কৰে যে মিজোৰাম চৰকাৰে ম্যানমাৰৰ অনুপ্ৰৱেশকাৰীক নিজৰ ৰাজ্যত মাটি ক্ৰয় কৰিবলৈ নিদিলেও মণিপুৰৰ একে পৰিস্থিতি মোকাবিলা কৰাৰ প্ৰচেষ্টাক "জনজাতি বিৰোধী" বুলি অভিহিত কৰিছে। লক্ষণীয় যে, দুই মুখ্যমন্ত্ৰীৰ এই মতানৈক্যই ৰাজ্য দুখনৰ মাজত উত্তেজনা বৃদ্ধি কৰাই নহয়, উত্তৰ-পূব ভাৰতৰ ৰাজনৈতিক আৰু জাতিগত সংকট আৰু গভীৰ কৰি তুলিছে। বিশ্লেষকসকলৰ মতে চলি থকা এই উত্তপ্ত পৰিস্থিতিৰ সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সক্ৰিয় ভূমিকা অতি প্ৰয়োজনীয়। এনেদৰে এতিয়া জটিল হৈ পৰিছে পৰিৱেশ।

# ছিপাঝাৰৰ বৰচলা হৰি মন্দিৰৰ প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, ছিপাঝাৰ, ৩০ নৱেম্বৰঃ** ছিপাঝাৰ সম জিলাৰ বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ অন্তৰ্গত বৰচলা শ্ৰী শ্ৰী হৰি মন্দিৰৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি ২৬ আৰু ২৭ নৱেম্বৰ তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয়। মাঙ্গলিক অনুষ্ঠানটিৰ কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা প্ৰভাত ফেৰী , সমূহীয়া চাফাই, ধৰ্ম বন্তি প্ৰজ্বলন, ধৰ্মধ্বজা উত্তোলন , মন্দিৰৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ , গছপুলি ৰোপণ, শৰাই অৰ্পন, ভাগৱত পাঠ আৰু আদৰণি অনুষ্ঠানৰ পাছত বিয়লি আয়তীৰ নাম পৰিৱেশন কৰা হয়। উক্ত আয়তীৰ নাম উদ্বোধন কৰে ১৫৬ নম্বৰ বৰচলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী  প্ৰিয়ংকা ভৰদ্বাজে। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু নিশা এখনি বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। আনহাতে দ্বিতীয় দিনা পুৱা সমূহীয়া চাফাই, শৰাই অৰ্পন আৰু ভাগৱত পাঠৰ পিছত উলিওৱা হয় এটি বৰ্ণাঢ্য ভাগৱত শোভাযাত্ৰা। ভাগৱত শোভাযাত্ৰাত অসমৰ বিভিন্ন কলা-কৃষ্টিৰ উপৰিও দৰঙী কলা-কৃষ্টি প্ৰদৰ্শন কৰা হয়। দুপৰীয়া মাজবাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক পূৰ্ণৰাম ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হয় এখনি মুকলি ধৰ্মালোচনা সভা। উদযাপন সমিতিৰ সম্পাদক তিলক ডেকা আৰু গাঁও প্ৰধান বীৰেশ্বৰ ডেকাই ক্ৰমে উদ্দেশ্য বাখ্যা আৰু আঁত ধৰা সভা খন ৰাষ্ট্ৰীয় বঁটা প্ৰাপক অৱসৰী কৃতী শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী শিৱ প্ৰসাদ শৰ্মাই উদ্বোধন কৰে। সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি লোক সংস্কৃতিৰ সাধক তৰুণ আজাদ ডেকাই এটি তত্ব গধূৰ আধ্যাত্মিক ভাষণ প্ৰদান কৰে। ছিপাঝাৰ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া মুখ্য অতিথি হিচাপে উপস্থিত থকা সভা খনত বকোৰ জৱাহৰলাল নেহেৰু মহাবিদ্যালয়ৰ অৱসৰী ভাৰপ্ৰাপ্ত অধ্যক্ষ লক্ষ্মীকান্ত শৰ্মা সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। সভা খনত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ , দৰং জিলা শাখাৰ প্ৰাক্তন সভাপতি তাৰিণী চহৰীয়া, অৱসৰী শিক্ষকদ্বয় ক্ৰমে ঘনকান্ত মেধি আৰু ৰমাকান্ত গোস্বামী আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। ইয়াৰ উপৰি সংগীত শিল্পী পুষ্প হাজৰিকা , কৃতী শিক্ষকদ্বয় ক্ৰমে কুলেন্দ্ৰ নাথ শইকীয়া, মিহিৰাম শইকীয়া প্ৰমুখ্যে কেবাগৰাকী ব্যক্তি উপস্থিত থাকে।

## বাধা দিবলৈ গ'লেই দিছপুৰ কথা কৈ স্থানীয় ৰাইজক ভীতি প্ৰদৰ্শন অসাধু ব্যৱসায়ীৰ

# মান্দাকাটাত জিলা আয়ুক্তৰ নিৰ্দেশকো অমান্য কৰি দিনে-নিশাই চলিছে পাহাৰ খনন

**ই-সংবাদ বিশেষ, বাইহাটা চাৰিআলি, ৩০ নৱেম্বৰঃ** ৰাজ্য চৰকাৰে 'ডি আসাম হিলছ এণ্ড ইক'লজিকেল ছাইটছ প্ৰটেক্টচন এক্ট,২০০৬' প্ৰণয়নৰ জৰিয়তে ৰাজ্যৰ পাহাৰসমূহ, নদীগৰ্ভ,জলাশয় এলেকাত মাটি কটাত নিষেধাজ্ঞা আৰোপ কৰাৰ পিছতো কামৰূপ জিলাৰ বিভিন্ন স্থানত অবাধ পাহাৰ খনন আৰু ৰঙামাটি সৰবৰাহ পূৰ্ণ গতিত চলি আছে। আইন অনুসৰি এই নিষেধাজ্ঞা উলংঘা কৰিলে বি এন এছৰ ২২৩ নং ধাৰা আৰু আন যিকোনো প্ৰাসংগিক আইনৰ অধীনত দণ্ডনীয় হয় যদিও মান্দাকাটা তাৰ ব্যতিক্ৰম। মান্দাকাটাত একাংশ অসাধু ব্যৱসায়ীয়ে পাহাৰৰ ৰঙামাটি খনন আৰু সৰবৰাহকে নিজৰ জীৱিকা হিচাবে গ্ৰহণ কৰি দৈনিক দিনটোৰ ২৪ ঘন্টাই পাহাৰৰ ৰঙামাটি খনন কৰি সৰবৰাহ কৰি আছে। বন বিভাগক বৃদ্ধাঙ্গুষ্ঠ দেখুৱাই দিছপুৰৰ চিনাকিৰ কথাৰে মাফিয়া কায়দাৰে ৰঙামাটি খনন কৰা অসাধু ব্যৱসায়ীসকলে অতি চালাকিৰে বিভাগীয় অনুমতি থকা বুলি প্ৰচাৰ কৰি মুকলিভাৱে কৰি আছে ৰঙামাটিৰ ক'লা ব্যৱসায়। ৰাইজক আভুৱা ভাৰিবলৈ দিনটোত দহ-বাৰখন চালান কাটি তাৰ বিপৰীতে শ শ ডাম্পাৰ ৰঙামাটি সৰবৰাহ কৰি আছে এই অসাধু ব্যৱসায়ীসকলে। জানিব পৰা মতে, পাহাৰৰ নিৰ্দিষ্ট কোনো এটা অংশৰ অনুমতি লৈ গোটেই পাহাৰলানিৰ অবাধ ধ্বংসকাৰ্যত লিপ্ত হোৱা অসাধু ব্যৱসায়ী চক্ৰটোৰে তেওঁলোকৰ বিৰুদ্ধে অভিযোগ উত্থাপন হ'লে তেওঁলোকৰ চালান থকা বুলি দম্ভালি মাৰে। কিন্তু ৰাইজৰ অভিযোগ অনুসৰি বন বিভাগৰ একাংশ বিষয়াৰ লগত মিলি দিনটোত তেওঁলোকে দহৰপৰা বাৰখন চালান কাটি তাৰ গইনা লৈ দিনে নিশাই শ শ ডাম্পাৰ ৰঙামাটি অবৈধভাৱে সৰবৰাহ কৰে। ইমানৰ পিছতো চকু মুদা কুলিৰ ভাও দি থকা ৰাজ্য চৰকাৰৰ বন বিভাগে ৰঙামাটি চুৰি চক্ৰটোৰ বিৰুদ্ধে কোনো পদক্ষেপ গ্ৰহণ নকৰাত আশ্চৰ্যম্বিত হৈ পৰিছে সৰ্বসাধাৰণ ৰাইজ। শেহতীয়াভাৱে কামৰূপ জিলাৰ জিলা দণ্ডাধীশ দেৱ কুমাৰ মিশ্ৰই আজি বি এন এছ এছৰ ১৬৩ নং ধাৰা অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগৰে এক নিৰ্দেশ জাৰি কৰি কামৰূপ জিলাত অবৈধভাৱে পাহাৰ কটা, জিলাখনৰ সকলো পাহাৰ আৰু পাৰিপাৰ্শ্বিকভাৱে সংৰক্ষিত এলেকাৰ পৰা মাটি আৰু পাহাৰৰ মাটি ( ৰঙা মাটি) অবৈধভাৱে সংগ্ৰহ কৰা, পৰিবহণ কৰাত তৎকালীনভাৱে বলবৎ হোৱাকৈ নিষেধাজ্ঞা আৰোপ কৰিছে। এই নিষেধাজ্ঞা পৰৱৰ্তী নিৰ্দেশ জাৰি নকৰা পৰ্যন্ত বাহাল থাকিব। জিলা আয়ুক্তৰ এই নিৰ্দেশনাৰ প্ৰভাৱ আজিৰপৰা মান্দকাটাত পৰিব নে? মান্দাকাটাত বন্ধ হবনে ৰঙামাটি খনন? নে দিছপুৰৰ কথা কৈ আয়ুক্তৰ নিৰ্দেশকো বুঢ়া আঙুলি দেখুৱাই অসাধু ব্যৱসায়ীসকলে মান্দাকাটাত চলাইয়ে থাকিব ৰঙামাটিৰ ক'লা বেহা? ৰাইজৰ বাবে এয়া এতিয়া গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈ পৰিছে। ক্ষুব্ধ ৰাইজে শীঘ্ৰে এইক্ষেত্ৰত ব্যৱস্থা ল'বলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

# কামপুৰত অব্যাহত বন্যহস্তীৰ উপদ্ৰৱ, নিৰ্বিকাৰ বন বিভাগ

**ই-সংবাদ, কামপুৰ, ৩০ নৱেম্বৰঃ** বাৰিষা বানত জুৰুলা হোৱা কামপুৰৰ কৃষকে আঘোণ মাহত সন্মুখীন হৈছে হাতীৰ উপদ্ৰৱৰ। বিগত পাঁচদিনে কামপুৰৰ তেঁতেলীসৰা পঞ্চায়তৰ বিভিন্ন এলেকাত পথাৰৰ ধান খাই তহিলং কৰাৰ পিছত এতিয়া কামপুৰৰ বিভিন্ন এলেকাৰ কৃষক সকলে শংকিত হৈ কেঁচা ধানকে কাটি ঘৰলৈ আনিবলৈ বাধ্য হৈছে।উল্লেখ্য প্ৰতিবছৰৰ দৰে এইবেলিও ধান পকাৰ সময়ত প্ৰায় শতাধিক বন্যহস্তীয়ে"কামপুৰ অঞ্চলৰ বিভিন্ন স্থানত আজিও উপদ্ৰৱ অব্যাহত আছে। বৃহৎ বনৰীয়া হাতীৰ জাকটোৱে তেতেলীসৰা, তেলিয়াআটী, পলসা আদি কেবাটাও অঞ্চলত পথাৰৰ পকা



ধান খাই তহিলং কৰে। হাতীৰ জাকটোৱে বৃহত্তৰ অঞ্চলটোৰ শালি ধানৰ খেতি ব্যাপক অনিষ্ট সাধন কৰিছে। পুৱাৰ ভাগত কৃষকসকলে পথাৰত ধান কাটিবলৈ গৈ হাতীৰ অৱস্থান দেখি মূৰে কপালে হাত দিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। ইপিনে কামপুৰৰ দক্ষিণ অঞ্চলত চৰাইহাগী, দক্ষিণপাট ভকত গাওঁ, চাংচকী, গাৰোখুন্দা আদি অঞ্চলৰ কৃষকে হাতীৰ আগমনৰ ভয়ত দিনে নিশাই ধান কটাত ব্যস্ত হোৱা পৰিলক্ষিত হৈছে। স্থানীয় গঞাই নিশা উজাগৰে থাকি হাতী খেদাত ব্যস্ত হৈছে যদিও আনফালে হাতীৰ জাকটো খেদি পঠোৱাত বনবিভাগ ব্যৰ্থ হোৱাৰ অভিযোগ উঠিছে। ৰাজ্যৰ বিয়াগোম বিভাগটোৱে ৰাইজৰ হাতত কেইটামান ফটকা দিয়েই দায়িত্ব সামৰাৰ অভিযোগ উঠিছে। স্থানীয় ৰাইজে হাতীৰ জাকটোক পাহাৰলৈ খেদি পঠাবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী তথা বনমন্ত্ৰীক দাবী জনাইছে।

# বটদ্ৰৱাত হ'ব কুটুম্ব সুৰক্ষা পৰিষদৰ ৰাষ্ট্ৰীয় সন্মিলন

**ই-সংবাদ, বেবেজীয়া, ৩০ নৱেম্বৰঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ চিন্তা-দৰ্শন আৰু অসম তথা অসমীয়াৰ জাতীয় জীৱনৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ অনন্য সমল সমূহ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰ আৰু প্ৰসাৰৰ সংকল্পৰে কুটুম্ব সুৰক্ষা পৰিষদৰ উদ্যোগত ২০২২ চনৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়ত এলানি কাৰ্যসূচী ৰূপায়ণ কৰি অহা হৈছে । 'সূত্ৰধাৰ' শীৰ্ষক এই কাৰ্যসূচী ২০২২ চনত উত্তৰ প্ৰদেশৰ শ্ৰী ধাম বৃন্দাবনত, ২০২৩ চনত মধ্য প্ৰদেশৰ উজ্জয়িনীত আৰু চলিত বৰ্ষৰ ছেপ্তেম্বৰ মাহত প্ৰভু ৰামচন্দ্ৰৰ জন্মভূমি অযোধ্যাত অনুষ্ঠিত হৈছিল। সেই অনুসৰি আগন্তুক বৰ্ষত এই ব্যয়বহুল 'সূত্ৰধাৰ-২০২৫' শীৰ্ষক ৰাষ্ট্ৰীয় শৈক্ষিক আৰু সাংস্কৃতিক সন্মিলন আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা প্ৰদান অনুষ্ঠানটি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱাত অনুষ্ঠিত হ'ব । জানিব পৰা মতে, এই সন্মিলনৰ বিশাল কাৰ্যক্ৰমণিকাত দেশৰ ৪০ খন বিশ্ববিদ্যালয়ৰ অংশ গ্ৰহণেৰে শতাধিক অধ্যাপক-অধ্যাপিকা, গৱেষক, শিক্ষাৰ্থীৰ লগতে শিল্পী আৰু সাধু সন্ত মহন্তই ভাগ ল'ব। সেয়ে অহা বৰ্ষৰ ছেপ্তেম্বৰ মাহত অনুষ্ঠিত হ'বলগীয়া এই সমাৰোহৰ ক্ষেত্ৰ দৰ্শনৰ বাবে কুটুম্ব সুৰক্ষা পৰিষদৰ সভাপতি সত্য ৰঞ্জন বৰাৰ লগতে কেইবাগৰাকী সত্ৰাধিকাৰ আৰু কাৰ্যকৰ্তা শনিবাৰে পুৱাই বটদ্ৰৱা থানত উপস্থিত হয়। কুটুম্ব সুৰক্ষা পৰিষদৰ সজাতি দলটোৱে বটদ্ৰৱা থানৰ কীৰ্তন ঘৰ, পদশিলাত সেৱা লৈ থানৰ নামচাৰ্য ডম্বৰুধৰ নামগোৱাকে প্ৰমুখ্য কৰি ভকত-বৈষ্ণৱ, নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অম্লান জ্যোতি দেৱগোস্বামী, শিল্পী ৰঞ্জিত মহন্ত, দিপাংক গিৰি দেৱ গোস্বামী, প্ৰদীপ গোস্বামী, শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানৰ সহকাৰী সম্পাদক তুৰাৰাম বৰুৱা, মোহন বৰুৱাকে আদি কৰি সদস্য বৃন্দৰ লগতে কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়াৰ লগত মত বিনিময় কৰি আগন্তুক সমাৰোহখনিৰ ৰূপৰেখা প্ৰস্তুত কৰে। অনুষ্ঠানটোত সকলোৰে সহযোগিতা কামনা কৰিছে আয়োজকে।

# আজিৰে পৰা শিৱসাগৰ জিলা জাতীয় বিদ্যালয়ৰ অষ্টাদশ বাৰ্ষিক ক্ৰীড়া সমাৰোহ

ই-সংবাদ, আমগুৰি, ৩০ নৱেম্বৰঃ অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অধীনস্থ শিৱসাগৰ জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ অন্তৰ্ভুক্ত জাতীয় বিদ্যালয়সমূহৰ অষ্টাদশ বাৰ্ষিক ক্ৰীড়া আৰু সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰা হৈছে। ১ আৰু ২ ডিচেম্বৰত শিৱসাগৰ জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত আৰু চামগুৰি স্থিত নীলাক্ষি মেম'ৰিয়েল একাডেমী আতিথ্যত অনুষ্ঠিত হ'বলগীয়া অষ্টাদশ ক্ৰীড়া আৰু সাংস্কৃতিক সমাৰোহৰ অনুষ্ঠানৰ সফল উদযাপনৰ উদ্দেশ্যে দীপ্তি গগৈ বৰুৱাক সভাপতি, ধৰ্ম ৰঞ্জণ গগৈক কাৰ্যকৰী সভাপতি, অঞ্জুমা বেগম, ৰজনী শেনছোৱাক সম্পাদক হিছাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা কৰিছে। উক্ত অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি ১ ডিচেম্বৰৰ পুৱা পৰিবেশ সংৰক্ষণ আৰু গছপুলি ৰোপন কাৰ্যসূচী আৰম্ভ কৰাৰ পিছতে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ পতাকা উত্তোলন আৰু আয়োজক বিদ্যালয়ৰ পতাকা উত্তোলন কৰিব। সমান্তৰালভাৱে খেলপথাৰৰ তোৰণ উন্মোচন আৰু খেল প্ৰতিযোগিতা উদ্বোধনৰ পাছতে অলিম্পিক শিখা প্ৰজ্বলন কৰিব। বিয়লিলৈ অনুষ্ঠিত হ'ব বটাঁ বিতৰণী সভা। আনহাতে ২ ডিচেম্বৰত অসম দিৱস উপলক্ষে মৈদাম তৰ্পণ কৰাৰ লগে লগে চাওলুং চ্যুকাফাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন অনুষ্ঠান অনুষ্ঠিত হ'ব। পুৱা ৯ বজাত অনুষ্ঠিত হ'বলগীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰয়াত ডম্বৰু কাকতি, প্ৰয়াত তৰুণ কোঁচ, প্ৰয়াত নিলিকেশ গগৈ আৰু প্ৰয়াত নীলাক্ষি বৰুৱাৰ প্ৰতি শ্ৰদ্ধাঞ্জলিৰে তৰ্পণ কৰা হ'ব। এই অনুষ্ঠানতে বৃহত্তৰ চামগুৰি অঞ্চলৰ শিক্ষাৰ জগত পোহৰাই শিক্ষকতাৰ দৰে মহান কৰ্মত নিয়োজিত হৈ সেৱা আগবঢ়োৱা ৮০ গৰাকীকৈ মহানুভৱী শিক্ষাগুৰুলৈ গুৰু প্ৰণাম তথা শ্ৰদ্ধাঞ্জলি তৰ্পন অনুষ্ঠানো অনুষ্ঠিত কৰা হব। তাৰ পাছতে সাংস্কৃতিক প্ৰতিযোগিতা উদ্বোধন আৰু বিয়লি অনুষ্ঠিত হব লগা মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব ডঃ চৈয়দ চামছুজ জামান। আনহাতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ নৱজ্যোতি তালুকদাৰ, কেন্দ্ৰীয় ধ্ৰুৱ শৰ্মা, যোৰহাট জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সৌৰভ বড়া, শিৱসাগৰ জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ উপদেষ্টা চন্দ্ৰ বৰুৱা অনুষ্ঠানত কৃষ্ণ দত্ত শইকীয়াই সমাৰোহৰ মুখপত্ৰ উন্মোচন কৰিব। সন্ধিয়া অনুষ্ঠিত হ'ব বিচিত্ৰানুষ্ঠান।



ডুবাইত চলি থকা অনুৰ্ধ ১৯ এছিয়া কাপত ভাৰতৰ বিৰুদ্ধে জয়ৰ পিছত পাক দলটো, শনিবাৰে

## নগাঁৱত ৭৬ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল

# ইলেভেন ষ্টাৰ ক্লাৱৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ

**ই-সংবাদ ক্ৰীড়া সেৱা নগাঁও, ৩০ নৱেম্বৰঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ৭৬ সংখ্যক সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাত বঙাইগাঁৱৰ ইলেভেন ষ্টাৰ ক্লাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ আজিৰ খেলত ইলেভেন ষ্টাৰ ক্লাবে অসম পুলিচ দলক ১-০ গ'লত পৰাস্ত কৰে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ আৰম্ভণিৰ পৰাই দুয়োটা দলে আক্ৰমণাত্মকভাৱে খেলি দৰ্শকক মুগ্ধ কৰে যদিও কোনোটো দলেই গ'ল দিব নোৱাৰাত বিৰতিলৈকে খেলখন গ'লশূণ্যভাৱে থাকে। পিছত দ্বিতীয়াৰ্ধতো দুয়োটা দলে সংঘবদ্ধভাৱে খেলি গ'ল দিবলৈসুযোগ পায় তথাপি শেষ সময়লৈকে গ'ল দিয়াত সফল হোৱা নাছিল। অৱশেষত " ইনজিয়ৰী টাইমত " ইলেভেন ষ্টাৰ ক্লাবৰহে অৰ্বিণে নিৰ্ণায়ক গ'লটো দিবলৈ সক্ষম হয়। খেলখনত সুন্দৰ প্ৰদৰ্শন দাঙি ধৰিও আজি অসম পুলিচ দলটোৱে ৰক্ষণবিভাগৰ ভুলৰ বাবেই অন্তিম মুহূৰ্তত গ'লটো হজম কৰিবলগীয়াত পৰে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী নিৰ্মল ভট্টাচাৰ্যীক সহায় কৰে আব্দুল মজিদ চৌধুৰী, পাৰ্শ্বজ্যোতি দাস আৰু পবিত্ৰ বৰা (চতুৰ্থ) ই। কাইলৈ শ্বিলঙৰ পি এফ আৰ এফ চিয়ে মৰিগাঁৱৰ ইণ্টাৰ নৰ্থ ইষ্ট এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

# ৰংজালুক হৰুৱাই ঠাবাল ফাইনেলত

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৩০ নৱেম্বৰঃ** হোজাইৰ ঠাবাল এফ চি দল কাৰ্বি আংলং জিলাৰ লাংহিনৰ গৰৈমাৰী খেলপথাৰত বড়ো শ্বহীদ ন্যাসৰ উদ্যোগত আৰু লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ ব্যৱস্থাপনাত চলি থকা ২৭ সংখ্যক বড়ো শ্বহীদ কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত উপনীত হৈছে। সদৌ অসম ভিত্তিত আয়োজিত আমন্ত্ৰণমূলক এই প্ৰতিযোগিতাৰ আজি দ্বিতীয়খন ছেমিফাইনেলত ঠাবাল এফ চিয়ে লাংহিনৰ ৰংজালু ক্লাবক ১-০ গ'লত পৰাজিত কৰে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ-৩৯ মিনিটত ঠাবাল এফ চিৰহে এলেনে বিজয়সূচক গ'লটো দিয়ে। সুযোগ সন্ধানী এলেনে সতীৰ্থ নিটীশে মিড ফিল্ড্ৰ পৰা দীঘলীয়া শ্বট্ৰে বিপক্ষৰ বক্সত উলিয়াই দিয়া বল ক্ষিপ্ৰতাৰে আয়ত্তলৈ আনি গ'ললৈ কাৰ্যকৰী কৰিছিল। বিৰতিৰ পিছতে দুয়োটা দলেই গ'ল দিয়াৰ সুযোগ পাইছিল যদিও ফৰৱাৰ্ড লাইনৰ খেলুৱৈসকলৰ দুৰ্বলতাৰ বাবে গ'ল দিয়াত ব্যৰ্থ হয়। বিশেষকৈ বিগত খেলসমূহত দেখুওৱা প্ৰদৰ্শনৰ ভিত্তিত স্থানীয় ক্ৰীড়াপ্ৰেমীৰ সমৰ্থন আদায় কৰা ৰংজালু ক্লাবৰ খেলুৱৈ মনজিত নাৰ্জাৰী আৰু প্ৰিতম লাকৰাই দুটা সহজ সুযোগ নষ্ট কৰে। খেলখনত ঠাবাল এফ চিৰ গ'লৰক্ষক কেনেডীয়ে দৃষ্টিনন্দন প্ৰদৰ্শনত ক্ৰীড়াপ্ৰেমী মোহিত হয়। ক্ৰীড়া সংগঠক নাৰায়ণ বসুমতাৰী মেচ কমিচনাৰৰূপে থকা আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰ প্ৰেম নাৰ্জাৰীক সহায় কৰে ধনেশ শ্বাহ, বাজু টিচ' আৰু অমন বৰদলৈ ( চতুৰ্থ ) য়ে। লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক টংকেশ্বৰ খাখ্লাৰী আৰু বড়ো শ্বহীদ ন্যাসৰ সম্পাদক কিৰণ বসুমতাৰীয়ে জনোৱামতে, এতিয়া অহা ২ ডিচেম্বৰ (সোমবাৰে) ত বিয়লি এক বজাত অনুষ্ঠিত হ'বলগীয়া ফাইনেলত ৰহাৰ কটহগুৰি এফ চিয়ে হোজাইৰ ঠাবাল এফ চিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি